## Centre for Studies in Social Sciences, Calcutta

### Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ CHANDRADHAR BARUAH | |
| Title: অসম-সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asaama Saahaitaya Sabhaa Pataraikaa | |
| Translated Title: Magazine of Assam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat. |
| Year: 1929-30 (1850-51 Sak) | Edition: |
| Size: 22 cms - 260 pages | Genre: Magazine |
| Volumes: 3 - 6 issues | Condition of the original: Not bad. |
| Remarks: First published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|
| | | |

# আসাম সাহিত্য-সভা-পত্রিকা।

চ'ত—বহাগ, ১৮৫০—৫১

তৃতীয় বছৰ ] মুঠ সংখ্যা—১২ [ চতুর্থ সংখ্যা


## “নাৰদীয় ভক্তিসূত্ৰ”—সমালোচনা।

( যোৱা সংখ্যাৰ পাচত )

### চতুর্থ অনুবাক—( ভক্তিৰ শ্ৰেষ্ঠতা ক'ত )।

ওঁ সা তু কৰ্ম্মজ্ঞান-যোগেভ্যোঽপ্যধিকতৰা ॥ ২৪ ॥—ভক্তি কৰ্ম্ম, জ্ঞান আৰু যোগতকৈ শ্ৰেষ্ঠ। তাৰ কাৰণ দিছে—

ওঁ ফলৰূপত্বাৎ ॥ ২৫ ॥—কাৰণ ভক্তিয়েইহে এইবোৰৰ ফল। কৰ্ম্ম, জ্ঞান আৰু যোগৰ বলত আমি ভগৱৎ অনুভূতি, জ্ঞান বা দর্শন লাভ কৰিব পাৰোঁ; কিন্তু ভগৱানৰ কাৰণে যদি প্ৰেম বা ভক্তি নহয়, তেনে-হলে তেওঁক অনুভৱ কৰি, জ্ঞান লাভ বা দর্শন পাই কি হব? তেতিয়া এইবোৰ বঞ্জা ( barren )

ওঁ তস্যা জ্ঞানমেৱ সাধনমিত্যেকে ॥২৬॥—কোনো-কোনোৱে কয়, জ্ঞানেইহে ভক্তিৰ সাধন, অৰ্থাৎ ভক্তিৰ স্বকীয় সাধনা নাই, ভগৱদ্‌জ্ঞানেই ভক্তি।

ওঁ অন্যোঽন্যাশ্ৰয়ত্বমিত্যন্যে ॥ ২৭ ॥—আকৌ কোনো-কোনোৱে কয়, ভক্তি আৰু জ্ঞানে পৰস্পৰে পৰস্পৰক আশ্ৰয় কৰে, অৰ্থাৎ ভক্তি নহলে জ্ঞান আৰু জ্ঞান নহলে ভক্তি নহয়।

ওঁ স্বয়ং ফলৰূপতেতি ব্ৰহ্মকুমাৰাঃ ॥২৮॥—ব্ৰহ্মকুমাৰ সনৎ আদিয়ে কয়, ভক্তি স্বয়ং ফলস্বৰূপ। অৰ্থাৎ ভক্তি আপোনা আপুনি উদয় হয় আৰু বৃদ্ধি পায়; ইয়াক কৰ্ম্ম, জ্ঞান বা যোগৰ সহায় আৱশ্যক নকৰে। ভক্তি যে স্বয়ং ফলস্বৰূপ, তাৰ প্ৰমাণ—

ওঁ ৰাজ গৃহ-ভোজনাদিষু তথৈৱ দৃষ্টত্বাৎ ॥ ২৯ ॥ ওঁ ন তেন ৰাজ-পৰিতোষঃ ক্ষুধাশান্তিৰ্ব্বা ॥ ৩০ ॥—ৰজাৰ ঘৰ দেখিলেই যেনেকৈ ৰজাক দেখা নহয়, খোৱাৰ উপকৰণ দেখিলেই যেনেকৈ ক্ষুধাৰ শান্তি নহয় অৰ্থাৎ পেটৰ খজুৱতি নমৰে, সেই-দৰে ভক্তি-হীন হৈ কেৱল জ্ঞান, কৰ্ম্ম, যোগ আদিৰে পৰমানন্দ ভগৱানক লাভ কৰিব নোৱাৰি: অৰ্থাৎ 'ভক্ত্যা ভাগৱতঃ বিদ্ধি ন বুদ্ধ্যা ন চ টীকয়া।' এই বিষয়ে লিখকে ৰামকৃষ্ণ পৰমহংসদেৱৰ এটি সুন্দৰ বাক্য উদ্ধৃত কৰিছে—'ভক্তি [ স্ত্ৰীলিঙ্গ শব্দ ] তিৰুতা মানুহ, ঘৰঘৰলৈকে সোমাই যায়; জ্ঞান মতা মানুহ, বাহিৰ চৰাতে ৰয়।'

মুঠতে জ্ঞান, কৰ্ম্ম, যোগ আদি প্ৰত্যেকেই অৱলম্বন; লক্ষ্য নহয় ( means to an end and not an end in itself )। কিন্তু ভক্তি অৱলম্বন হৈও স্বয়ং লক্ষ্য (both a means and an end at the same time) মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ মতও পৱিত্ৰ দশমৰ পৰা তুলি দিয়া হল,—

"মুকুতিকো স্বয়ে তোমাৰ ভকতি
তাক এড়ি হোৱে নাশ।
জ্ঞানতেসে মোক্ষ পাবো বুলি কৰে
বিবিধ যোগ অভ্যাস॥
দুঃখ মাত্ৰ পায়ে পাচতেসে জানে
পৰম সিটো অজ্ঞান।
অন্ন বুলি যেন ত্যজিয়া ধানক
বাহানে কাঠপতান॥
পূৰ্ব্বতো অনেক জ্ঞানী যোগ পথে
নেদেখি মোক্ষ যতন।
ভকতিতে পাচে তোমাক পাইলেক
শ্ৰৱণ কৰি কীৰ্ত্তন॥"
"যোগীজনে ধ্যান কৰি প্ৰবন্ধে সমাধি ধৰি
সদায় চৰণ চিন্তে যাৰ।
বুদ্ধিৰো গোচৰ নুই ভকতিতে বশ্য হুই
তেস্তে পুত্ৰ ভৈলা যশোদাৰ॥
যিটো দেৱ ভগৱন্ত নাই যাৰ আদি অন্ত
বেদেও নপাৱে যাৰ সীমা।
তেন্তে বশ্য ভকতিত হেন সে ভকতি হিত
ভকতিৰ কি কৈবো মহিমা॥
জানি এৰা আন মতি ভকতিত কৰা ৰতি
ভকতি সে সাধিবে কল্যাণ।
ভকতিত দিয়া মন ভকতি সে মহাধন
নাই আন ভকতি সমান॥"

শ্ৰীশঙ্কৰদেৱ।

## পঞ্চম অনুবাক—( ভক্তি সাধনাৰ নিয়ম ) ১

ওঁ তত্তু বিষয়ত্যাগাৎ সঙ্গত্যাগাচ্চ ॥৩১॥—বিষয় বা ইন্দ্ৰিয়গ্ৰাহ্য বস্তুৰ প্ৰতি আসক্তি অৰ্থাৎ কামনা আৰু ( ভগৱৎ বিমুখ লোকৰ ) সঙ্গত্যাগ;

ওঁ অব্যাবৃত ভজনাৎ ॥৩২॥—সকলো সময়তে ভগৱানৰ-ভজন;

ওঁ লোকেঽপি ভগৱদ্গুণ শ্ৰৱণ-কীৰ্ত্তনাৎ ॥৩৩॥—আনৰ ওচৰত ভগৱদ্গুণ শ্ৰৱণ আৰু কীৰ্ত্তন কৰা;

ওঁ মুখ্যতস্তু মহৎ কৃপয়ৈব ভগৱৎ কৃপালেশাদ্বা ॥৩৪॥—ঘাইকৈ মহৎ অৰ্থাৎ পৰম ভগৱৎ ভক্তৰ কৃপা নাইবা ভগৱানৰ লেশমাত্ৰ কৃপা—ইত্যাদিৰ পৰা ভক্তিৰ উদয় হয়। ভক্তিৰ উদ্ৰেক হবৰ কাৰণে প্ৰায় কেউটাই প্ৰয়োজন, ইটো নহলে সিটো নহয়। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱেও সেই ন বিধ ভক্তিৰ ভিতৰত উল্লেখ কৰিছে:—"শ্ৰৱন কীৰ্ত্তন স্মৰণ বিষ্ণুৰ অৰ্চ্চন পদ সেৱণ। দাস্য সখিত্ব বন্দন বিষ্ণুত কৰিব দেহ অৰ্পণ॥"

ওঁ মহৎ সঙ্গস্তু দুৰ্লভোঽগম্যোঽমোঘশ্চ ॥৩৫॥—মহৎসঙ্গ দুৰ্লভ আৰু অগম্য; কিন্তু অমোঘ। লিখকে কৈছে—মহতৰ সঙ্গ সহজে নঘটে, মহতৰ সাক্ষাৎ লাভ হলেও অনেক সময়ত সঙ্গলাভ নঘটে বা ভাবগ্ৰহণ কৰিবলৈ অপাৰগ হোৱা যায়। তথাপি সাধুৰ দৰ্শন আৰু তেওঁৰ ব্যক্তিত্বৰ ( Personality ) প্ৰভাৱত আমাৰ বহুত উপকাৰ হয়।

ওঁ লভ্যতে তৎকৃপয়ৈব ॥৩৬॥—ভগৱানৰ কৃপা হলে সাধু সঙ্গ লাভ হয়।

ওঁ তস্মিং তজ্জনে ভেদাভাবাৎ ॥৩৭॥—ভগৱান আৰু ভগৱদ্ভক্তৰ ভিতৰত ভেদ নাই, অৰ্থাৎ যি স্বৰূপতে ভগৱানক বা ভগৱদ্ভক্তি লাভ কৰিছে, তেওঁ আমাৰ কাৰণে ভগৱানৰ তুল্যই।

ওঁ তদেব সাধ্যতাম্ তদেব সাধ্যতাম্ ॥৩৮॥ ভক্তিৰেই সাধনা কৰা, ভক্তিৰেই সাধনা কৰা।

## ষষ্ঠ অনুবাক—( ভক্তি সাধনাৰ অন্তৰায় আদি ) ১

ওঁ দুঃসঙ্গ সৰ্ব্বথৈব ত্যাজ্যঃ ॥৩৯॥—দুঃসঙ্গ সকলো প্ৰকাৰে ত্যাগ কৰিব লাগে।

ওঁ কাম ক্ৰোধ-মোহ-স্মৃতিভ্ৰংশ-বুদ্ধিনাশ—সৰ্ব্বনাশ-কাৰণাৎ ॥৪০॥—( দুঃসঙ্গ ) কাম,



ক্ৰোধ, মোহ, স্মৃতিভ্ৰংশ, বুদ্ধিনাশ আৰু নেলাগে সৰ্ব্বনাশৰো কাৰণ হয়।

ওঁ তৰঙ্গায়িতা অপীমে সঙ্গাৎ সমুদ্ৰায়ন্তি ॥৪১॥—কাম ক্ৰোধ আদি পোনতে আপুনি নৈৰ সৰু ঢৌৰ দৰে উঠে; কুসঙ্গ পালেই ই সমুদ্ৰৰ ঢৌৰ দৰে ভয়ানক হৈ উঠে।

ওঁ কস্তৰতি কস্তৰতি মায়াম্? যঃ সঙ্গং ত্যজতি যো মহানুভবং সেবতে যো নিৰ্ম্মমো ভবতি ॥৪২॥—মায়া কোনে পাৰ হব পাৰে? যি ( বিষয় আৰু অসৎ ) সঙ্গ ত্যাগ কৰে, যি মহৎজনৰ সেৱা কৰে, যি ( অনিত্য বুলি জানি সাংসাৰিক ভোগ বিলাসৰ প্ৰতি মমতা নেৰাখি ) নিৰ্ম্মম হয়।

ওঁ যো বিবিক্তস্থানং সেবতে যো লোকবন্ধমুন্মূলয়তি নিস্ত্ৰৈগুণ্যো ভবতি যোগক্ষেমং ত্যজতি ॥৪৩॥—( তেওঁ মায়া পাৰ হয় ) যি নিৰ্জ্জন স্থান আশ্ৰয় কৰি থাকে, লোকৰ লগত সংসৰ্গ নেৰাখে, সত্ত্বৰজঃ-তমঃ তিনি গুণৰ অতীত ( "নিস্ত্ৰৈগুণ্য" ) হয়, নোপোৱা বস্তু পাবৰ বাঞ্ছা ( "যোগ" ) আৰু পোৱা বস্তুৰ ৰক্ষণাবেক্ষণৰ চেষ্টা ( "ক্ষেম" ) ত্যাগ কৰে। এই পিছৰ দুবিধ কাৰ্য্যই আমাৰ জীৱন অধিকাৰ কৰি লব পোৱে।

ওঁ যঃ কৰ্ম্মফলং ত্যজতি কৰ্ম্মাণি সন্ন্যস্যতি ততো নিৰ্দ্বন্দ্বো ভবতি ॥৪৪॥ ( তেওঁ মায়া তৰে ) যি কৰ্ম্মফল ত্যাগ কৰে, কৰ্ম্মফল ভগৱানত অৰ্পণ ( "সন্ন্যাস" ) কৰে, ( আসক্তিৰ হাত সাৰি ) নিৰ্দ্বন্দ্ব হয়।

ওঁ বেদানপি সন্ন্যস্যতি কেৱল বিচ্ছিন্নানুৰাগং লভতে ॥৪৫॥—( তেওঁ মায়া তৰে ) যি বৈদিক সন্ধ্যা-বন্দনা আদি ক্ৰিয়াও ত্যাগ কৰি কেৱল ভগৱানৰ অবিচ্ছিন্ন ( unceasing ) অনুৰাগ বা প্ৰেম লাভ কৰে। এইটো সাধকৰ চৰম অৱস্থাৰ কথা, তাত সন্দেহ নাই।

ওঁ স তৰতি স তৰতি স লোকাংস্তাৰয়তি ॥৪৬॥—তেওঁ নিজে তৰে, লোককো তৰায়। লিখকে ইঙ্গিত দিছে, এইটো দেৱৰ্ষি নাৰদৰ নিজৰ অৱস্থা; তেওঁ নিজে মুক্ত আৰু তাৰ লগে লগে "জগতকো কৰে পবিত্ৰ আতি।"

## সপ্তম অনুবাক—( ভক্তিৰ অভিজ্ঞতা প্ৰকাশ ) ১

ওঁ অনিৰ্ব্বচনীয় প্ৰেম স্বৰূপম্ ॥৪৭॥—প্ৰেমৰ স্বৰূপ বচনত ব্যক্ত নহয়।

ওঁ মূকাস্বাদনবৎ ॥৪৮॥—বোবাই যেনেকৈ কোনো বস্তু চাকি বা আস্বাদন কৰি তাক প্ৰকাশ কৰিব নোৱাৰে, ( প্ৰেমো সেইদৰে কেৱল অনুভৱৰ বিষয় )।

ওঁ প্ৰকাশ্যতে ক্বাপি পাত্ৰে ॥৪৯॥—কোনো পাত্ৰত ( অৰ্থাৎ ভক্তত ) ইয়াৰ লক্ষণ প্ৰকাশ পায়। প্ৰথম অনুবাকৰ ষষ্ঠ সূত্ৰত কোৱা "মত্তো ভবতি স্তব্ধো ভবতি আত্মা-ৰামো ভবতি" সূত্ৰৰ লগত তুলনা কৰিব পাৰি; ভক্তিৰস ইমান উত্তেজক যে তাক পান কৰিলে ভক্তই কেতিয়াবা বাহ্যজ্ঞানশূন্য হৈ পগলাৰ দৰে আপুনি হাঁহে, নাচে, গায়; ইত্যাদি কাৰ্য্যৰপৰা ভক্তিৰ সোৱাদ কেনে, তাৰ আভাস পাব পাৰি।

ওঁ গুণৰহিতং কামনাৰহিতং প্ৰতিক্ষণবৰ্দ্ধমানমবিচ্ছিন্নং সূক্ষ্মতৰমনুভৱৰূপম্ ॥৫০॥—ভক্তি সত্ত্ব-ৰজঃ-তমঃ গুণৰ অতীত, কামনাৰ অতীত অৰ্থাৎ অহৈতুকী বা নিষ্কাম; ই ক্ষণে ক্ষণে বাঢ়িহে যায়, ইয়াৰ বিচ্ছেদ বা বিৰাম নাই; ই সূক্ষ্মতকৈও সূক্ষ্মতৰ একপ্ৰকাৰ অনুভৱস্বৰূপ।

ওঁ তৎপ্ৰাপ্য তদেবালোকয়তি তদেব শৃণোতি তদেব ভাষয়তি তদেব চিন্তয়তি ॥৫১॥ যি এবাৰ ভক্তিৰ স্ফুৰ্ত্তি পাইছে তেওঁ সংসাৰ ভক্তিময়হে দেখে, ভক্তিৰ কথাহে শুনে, তাৰ কথাহে পাতে, তাৰ বিষয়েহে চিন্তা কৰে। ভক্তিৰস ইমান চোকা যে এবাৰ পান কৰিলে মানুহ তাতেই সম্পূৰ্ণ নিমগ্ন হয়,

বাহিৰ জগতৰ কথা একেবাৰে পাহৰি যায়।

ওঁ গৌণী ত্ৰিধা গুণভেদাৎ আৰ্ত্তাদিভেদাৎ বা ॥৫২॥—ওপৰত যি "গুণৰহিতং কামনাৰহিতং" অহৈতুকী নিষ্কাম ভক্তিৰ কথা কোৱা হল, তাৰ নাম শ্ৰেষ্ঠা বা মুখ্যা ভক্তি, এই ভক্তিকেই মহাপুৰুষীয়া ধৰ্ম্মত শ্ৰীশঙ্কৰদেৱ, শ্ৰীমাধৱদেৱ আদিয়ে বিশেষভাৱে প্ৰচাৰ কৰি গৈছে, আৰু "ৰসময়ী" অৰ্থাৎ "প্ৰতিক্ষণ বৰ্দ্ধমান" ভক্তি বুলিছে। ইয়াৰ বাহিৰেও যি ভক্তি আছে, তাকে গৌণী ভক্তি বোলা হৈছে। ই তিনি প্ৰকাৰ; গুণৰ প্ৰভেদ অনুসাৰে সাত্ত্বিকী, ৰাজসী আৰু তামসী; বা আন প্ৰকাৰে আৰ্ত্ত-ভক্ত, জ্ঞানপিপাসু ভক্ত আৰু অৰ্থলোভী ভক্ত। ওচৰৰ গাঁও এখনত হাইজা হোৱা দেখি এখন গাঁৱে লৰালৰিকৈ ৰৰসবাহ পাতিলে, বা ঘৰৰ বৰডেকাৰ আই-ওলোৱাত গোপিনী সবাহ পাতিবলৈ গোসাই-ঠাইত আদমহীয়া এটি আগবঢ়ালে, এনে গৌণী ভক্তিকাৰক আৰ্ত্ত-ভক্ত; কণকণে তেওঁৰ ঘুমলীয়া লৰাটিৰ পঢ়া শুনাত মন হবলৈ আৰু তাক সৰস্বতীয়ে লাগ দিবৰ কাৰণে লগৰ পঢ়াশলীয়া লৰাকেইটাক আনি ভোজ খুৱালে, এই গৌণীভক্তিকাৰক জ্ঞান-পিপাসু ভক্ত; আকৌ, বাইলুঙ-বাইলুঙনীয়ে তেওঁলোকৰ জলপিণ্ডৰ কাৰণে আশা কৰি এটি পুত্ৰ সন্তান হবলৈ এটি গুলপান কৰালে বা মেমেৰাই তাৰ অৰ্থ সম্পত্তি হবৰ নিমিত্তে শিৱ দৌললৈ এগছা বন্তি আগবঢ়ালে। এই গৌণীভক্তৰ কাৰণে তেওঁ অৰ্থাৰ্থী বা ধন-লোভী ভক্ত।

ইফালে সাত্ত্বিক ভক্তও সকাম আৰু সগুণ হব পাৰে, এনে ভক্ত অতি বিনীত; ৰাজসী ভক্তই সৰহখিনি কাম লোকক দেখুৱাবলৈ জাক-জমক কৰি কৰে; তামসী ভক্তই ঈশ্বৰপৰা বলেৰে ভিক্ষা বিচাৰে বুলিব পাৰি।

ওঁ উত্তৰস্মাদুত্তৰস্মাৎ পূৰ্ব্বপূৰ্ব্বা শ্ৰেয়ায় ভৱতি ॥ ৫৩ ॥—সত্ত্ব ৰজঃ-তমঃ বা আৰ্ত্ত, জ্ঞানপিপাসু, অৰ্থাকাঙ্ক্ষী এয়েই ক্ৰম; তামসীতকৈ ৰাজসী, আৰু ৰাজসীতকৈ সাত্ত্বিকী ভক্তি শ্ৰেষ্ঠ। সেইদৰে অৰ্থাকাঙ্ক্ষীতকৈ জ্ঞানপিপাসু, আৰু জ্ঞানপিপাসুতকৈ আৰ্ত্ত ভক্ত উত্তম। কিয়কে কোৱাৰ দৰে, যি প্ৰাণৰ ভয়ত ঈশ্বৰক মাতে, তাৰ প্ৰাৰ্থনা ঈশ্বৰৰ কাণত নপৰি নেথাকে, কাৰণ তাত ব্যাকুলতা আছে; এইবাৰেই ই আন দুটাতকৈ শ্ৰেয়।

## অষ্টম অনুবাক—( ভক্তিপথৰ শ্ৰেষ্ঠতা আদি )।

ওঁ অন্যস্মাৎ সৌলভ্যং ভক্তৌ ॥ ৫৪ ॥—আন সাধনাতকৈ ভক্তি সাধনা সুলভ।

ওঁ প্ৰমাণান্তৰস্যানপেক্ষত্বাৎ স্বয়ং প্ৰমাণত্বাৎ ॥ ৫৫ ॥—আন প্ৰমাণ নেলাগে, ভক্তি নিজেই তাৰ প্ৰমাণ। প্ৰথম অনুবাকৰ ৭ম সূত্ৰতে কোৱা হৈছে—"সা ন কাময়মানা নিৰোধৰূপত্বাৎ।" ভক্তি-সূৰ্য্য হৃদয়তে আছে, বাসনা-মেঘে যদি তোমাৰ হিয়াৰ সেই সূৰ্য্য ঢাকি ৰাখিছে, মেঘ আঁতৰাই দিয়া; তাৰ পোহৰ আপুনি কিৰণ বিকিৰণ কৰি তোমাৰ জন্ম সফল কৰিব।

ওঁ শান্তিৰূপাৎ পৰমানন্দ ৰূপাচ্চ ॥৫৬॥—ভক্তি শান্তি আৰু পৰমানন্দস্বৰূপ গুণে ( ভক্তি সাধনা সহজ ) ভগৱান শান্তি আৰু পৰমানন্দ স্বৰূপ, ভক্তিও তদ্ৰূপ; যেনে, সূৰ্য্য আৰু পোহৰ। এই স্বৰূপ ফুটি উঠিবলৈ দিয়া।

ইয়াৰ পাচত আকৌ ভক্তিসাধনাৰ উপায় সম্বন্ধে কেবাটিও সূত্ৰ আছে। যেনে:—

ওঁ স্ত্ৰী-ধন-নাস্তিক-বৈৰিচৰিত্ৰং ন শ্ৰৱণীয়ম ॥ ৫৭ ॥—স্ত্ৰী, ধন, নাস্তিক, বৈৰীৰ চৰিত শুনা উচিত নহয়। সেইবোৰে মন কলুষিত কৰে। লিখকে কোৱাৰ দৰে মনৰ গতি সদায় অধোগামী, উন্নত মনো সহজে অৱনত হব পাৰে।

ওঁ অভিমান-দম্ভাদিকং ত্যাজ্যম্ ॥ ৫৮ ॥—অভিমান দম্ভ আদি এৰিব লাগে। ইয়াৰ লগতে পঞ্চম অনুবাকত কোৱা 'বিষয়ত্যাগ' আৰু 'সঙ্গত্যাগ' বিষয়লৈ "আদি" শব্দই আঙুলিয়াই দিছে। শেহৰ সূত্ৰত কৈছে—

ওঁ ত্ৰিৰূপভঙ্গ পূৰ্ব্বকং নিত্যদাস নিত্যকান্তা ভজনাত্মকং বা প্ৰেম এৱ কাৰ্য্যং প্ৰেম এৱ কাৰ্য্যমিতি ॥ ৫৯ ॥—ভগৱান তিনি ( ব্ৰহ্মা বিষ্ণু মহেশ্বৰ ) ৰূপে প্ৰকাশিত হলেও এই তিনি ৰূপৰ ভেদ ভাঙি ( অৰ্থাৎ তিনিক এক বুলি জানি ) নিজক তেওঁৰ নিত্যদাস বা নিত্যকান্তা বুলি ভাবি তেওঁক পাবৰমানে প্ৰেম অৰ্থাৎ ভক্তি কৰিব লাগে। এই সূত্ৰৰ ব্যাখ্যা সুন্দৰ হৈছে—ভগৱান অব্যক্ত অৱ্যাত গুণত্ৰয়ৰ অতীত; ত্ৰিগুণাতীত ভগৱান ভক্তিৰ লক্ষ নহয়। অব্যক্ত সাধনা জ্ঞান যোগ আদিৰ দ্বাৰা হয়। ভক্তৰ ভগৱান সগুণ। সত্ত্বগুণাৱলম্বী ভগৱান বিষ্ণু, ৰজোগুণাৱলম্বী ব্ৰহ্মা আৰু তমোগুণাৱলম্বী ৰুদ্ৰ। ভিন্ ভিন্ গুণাৱলম্বী হলেও তেওঁলোক সেই এক ভগৱান। কবিবৰ টেনিছনৰ সুন্দৰ ভাষাৰে—

That God which ever lives and loves,
One God, one Law, one element,
One far off divine event,
To which the whole creation moves.

—In Memoriam.

—জগতৰ কাৰ্য্যসাধনৰ বাবে ভিন্ ভিন্ গুণ অৱলম্বন কৰি প্ৰকাশিত হৈছে। ধৰা তুমি ওকালতিও কৰা, ৰাজনীতিতো যোগ দিয়া, ইফালে সাহিত্য ক্ষেত্ৰতো দেখা দিয়া; মোক্কেলৰ বাবে আৰু কাছাৰীত তুমি উকিল, সভাই সমিতিয়ে আৰু বাতৰি কাকতৰ পাততো তুমি ৰাজনৈতিক, পঢ়া সমাজৰ কাৰণে আৰু সাহিত্য-সভাত তুমি সাহিত্যিক। ঈশ্বৰ এই তিনিগুণৰ বশ নহয়, তিনি গুণেহে তেওঁৰ বশ। অৰ্থাৎ তুমি তোমাৰ শত্ৰুৰ কাৰণে অতি দুৰ্দান্ত হলেও কিন্তু তোমাৰ লৰা ছোৱালী, আইবোপাইৰ আগত কেনে স্নেহশীল আৰু সেও। ঈশ্বৰো সেই প্ৰকাৰেই ত্ৰিগুণাৱলম্বী হয়। তুমি যি ভাবে তেওঁক ভাবিবা, সেই ভাবেই পাবা। ভক্তৰ ভগৱান সগুণ কাৰণেইহে পৰম ভক্ত মাধৱদেৱে গোৱাৰ দৰে "নিৰ্গুণ কৃষ্ণৰ গুণক প্ৰকাশ কৰিলা শ্ৰীশঙ্কৰে।"

## নৱম অনুবাক—( ঐকান্তিক ভক্তসকলৰ চিন )।

ওঁ ভক্তা একান্তিনো মুখ্যাঃ ॥ ৬০ ॥—ঐকান্তিক ভক্তসকলেইহে শ্ৰেষ্ঠ। যিসকল ভক্ত একান্তমনে ভগৱৎ প্ৰেমত মগ্ন; আনফালে চাবৰ, আন কথা শুনিবৰ, পাতিবৰ বা চিন্তা কৰিবৰ আহৰি নাই, অৰ্থাৎ সপ্তম অনুবাকৰ "তৎ প্ৰাপ্য তদেৱাৱলোকয়তি তদেৱ শৃণোতি তদেৱ ভাষয়তি তদেৱ চিন্তয়তি।"—এই বিধৰ। এই একান্ত ভক্তসকলৰ শ্ৰেষ্ঠতাৰ বিষয়ে শ্ৰীমাধৱদেৱেও কৈছে—

"একান্ত ভকতসবে নিৰ্গুণ কৃষ্ণৰ গুণ
গায়ে সদা বসিয়া যথাত।
বৈকুণ্ঠকো পৰিহৰি যোগীৰো হৃদয় এৰি
থাকে হৰি সাক্ষাতে তথাত॥"

ওঁ কণ্ঠাৱৰোধ ৰোমাঞ্চাশ্ৰুভিঃ পৰস্পৰং লপমানাঃ পাৱয়ন্তি কুলানি পৃথিবীঞ্চ ॥ ৬১ ॥—এই একান্ত ভকতসকলে যেতিয়া ইজনে সিজনে ভগৱৎ কথা আলাপ কৰে, তেতিয়া তেওঁলোকৰ আনন্দত কণ্ঠৰোধ হৈ পৰে, শৰীৰ ৰোমাঞ্চিত বা পুলকিত হয়, আনন্দৰ চকুলো দুগালে বাগৰি যায়; তেওঁলোকৰ এইবোৰ ভাবৰ প্ৰকাশে তেওঁলোকৰ কুল আৰু গোটেই পৃথিৱী পবিত্ৰ কৰে।

ওঁ তীৰ্থী কুৰ্ব্বন্তি তীৰ্থানি সুকৰ্ম্মী কুৰ্ব্বন্তি কৰ্ম্মানি সচ্ছাস্ত্ৰী কুৰ্ব্বন্তি শাস্ত্ৰানি ॥ ৬২ ॥ —এই একান্ত ভক্তসকলে তীৰ্থসমূহক পবিত্ৰ কৰি সৎতীৰ্থ কৰে, কৰ্ম্মসমূহক সুকৰ্ম্ম কৰে আৰু শাস্ত্ৰসমূহক সংশাস্ত্ৰত পৰিণত কৰে।

ওঁ তন্ময়াঃ ॥ ৬৩ ॥—তেওঁলোক তন্ময়। তেওঁলোকৰ তেতিয়া ভগৱানৰ বাহিৰে স্বকীয় অস্তিত্ব নেথাকে বুলিলেই হয়।

ওঁ মোদন্তে পিতৰো নৃত্যন্তি দেৱতাঃ সনাথা চেয়ং ভূৰ্ভৱতি ॥ ৬৪॥—তেতিয়া এই একান্ত বা শ্ৰেষ্ঠতম ভক্তসকলক দেখি স্বৰ্গত পিতৃসকলে আনন্দ কৰে, দেৱতাসকলে আনন্দত নাচে, ( এওঁলোকৰ উপস্থিতিত পাপ ভাৰ কমি যোৱাত ) পৃথিৱীয়ে নিজক সনাথা বুলি ভাবে।

ওঁ নাস্তি তেষু জাতি-বিদ্যা-ৰূপ-কুল-ধন ক্ৰিয়াদি ভেদঃ ॥ ৬৫ ॥—এওঁলোকৰ অন্তৰত জাতি, বিদ্যা, ৰূপ, কুল, ধন, কৰ্ম্ম এইবিলাক বিষয়ৰ কোনো ভেদ নেথাকে। তেওঁলোক এই সকলোৰে

অতীত ; ভগৱানৰ দৰেই এওঁলোকৰ উচ্চ-নীচ, সুৰূপ-কুৰূপ, সৎ-অসৎ সকলোৰে ওপৰত সম্পূৰ্ণ সমভাব।

ওঁ যতস্তদীয়াঃ ॥ ৬৬ ॥—কাৰণ, এই ভক্ত-সকল তেওঁৰ; অৰ্থাৎ ইশ্বৰে তেওঁলোকক নিজৰ কাষলৈ তুলি নিছে, আৰু "তস্মিন তজ্জনে ভেদাভাবাৎ"। —ভগৱান আৰু ভক্ত এক।

## দশম অনুবাক—(ভক্তি সাধনা সম্বন্ধে)।

ওঁ বাদো নাবলম্ব্যঃ ॥ ৬৭ ॥—তৰ্ক অৱলম্বন কৰা উচিত নহয়।

কিয়নো—"তৰ্ক শাস্ত্ৰ মহাব্যাঘ্ৰী তাহান নিপুন পতি
তাৰ শিষ্য ভৈল পুত্ৰ প্ৰায়।
সংসাৰ বনত পশি পতি পুত্ৰ সমন্বিতে
উপনিষৎ ধেনু ধৰি খায়॥"—শ্ৰীমাধৱদেৱ

ওঁ বাহুল্যাবকাশত্বাদনিয়তত্বাৎ ॥ ৬৮ ॥—কাৰণ তৰ্কত বাহুল্যৰ (digression) অৱকাশ আৰু অনিয়ত (not to the point) বা অসংযত হোৱাৰ সম্ভাৱনা আছে।

ওঁ ভক্তি শাস্ত্ৰানি মননীয়ানি তদ্বৰ্দ্ধক কৰ্ম্মাণ্যপি কৰণীয়ানি ॥৬৯॥—ভক্তি-শাস্ত্ৰবিলাক সাৱধানে শ্ৰৱণ কীৰ্ত্তন আদি কৰিব লাগে; আৰু যাতে ভক্তি বাঢ়িব পাৰে, এনে কামবোৰো কৰিব লাগে।

ওঁ সুখ-দুঃখেচ্ছালাভাদিত্যক্তে কালে প্ৰতীক্ষমানে ক্ষণাৰ্দ্ধপি ব্যৰ্থং ন নেয়ম্ ॥৭০॥—সুখ, দুঃখ, ইচ্ছা, লাভ এনেবোৰ কাৰণ লৈ ভক্তি-সাধনা কৰিবৰ কাৰণে পলম কৰি আধাক্ষণো অনাহকত কটোৱা উচিত নহয়।

ওঁ অহিংসা-সত্য-শৌচ-দয়াস্তিকাদি-চিৰ-ত্ৰ্যাণি-পৰিপালনীয়ানি ॥ ৭১ ॥—(ভক্তি সাধনাৰ কাৰণে) হিংসাশূণ্য, সত্যপৰায়ণ, দয়ালু আৰু আস্তিক হোৱা আৱশ্যক।

ওঁ সৰ্ব্বদা সৰ্ব্বভাবেন নিশ্চিন্তিতৈৰ্ভগ-বান এব ভজনীয়ঃ ॥ ৭২ ॥—সদায় সকলো নিশ্চিন্ত হৈ (একান্তভাৱে) ভগৱানৰেই ভজন কৰ্ত্তব্য।

ওঁ সংকীৰ্ত্ত্যমানঃ শীঘ্ৰমেবাবিৰ্ভবত্যনু ভাবয়তি ভক্তান্ ॥ ৭৩ ॥—পৰমেশ্বৰৰ নাম কীৰ্ত্তন আদি কৰি থাকিলে তেওঁ সোনকালে ভক্তৰ হিয়াত দেখা দিয়ে আৰু ভক্তক তেওঁৰ প্ৰকাশ অনুভূত কৰাই দিয়ে। এই বাবেই মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে নামধৰ্ম্মৰ শ্ৰেষ্ঠতা প্ৰতিপাদন কৰিছে। নামধৰ্ম্মৰ সাতোটা ফল একেলগে ফলাৰ কথা "পাষণ্ডমৰ্দ্দনত" অতি সুন্দৰ ভাৱে বৰ্ণাইছে :—

"পৰম বান্ধৱ হৰিৰ নাম।
যিজনে তাক লয়ে অবিশ্ৰাম॥
তাৰ সাত কাৰ্য্য সাধিবে দেখা।
প্ৰতি প্ৰতি লোৱা সাতৰো লেখা॥
প্ৰথমে দহিবে পাতকচয়।
কৰিবে মহা পুণ্য অভ্যুদয়॥
কৰাৱে বিষয়ত বিৰকতি।
কৃষ্ণত বাঢ়িবে প্ৰেম ভকতি॥
ওপজাইবে আতি বৈষ্ণৱ জ্ঞান।
মায়াক কৰিবে দহি নিৰ্ম্মান॥
চৈতন্য মূৰ্ত্তী পূৰ্ণানন্দহৰি।
থৈবেক তেন্তে এৰে একে কৰি॥
তেবেসে নাম হৈবে উপশান্ত।
কহিলো পৰম তত্ত্ব একান্ত॥

— পাষণ্ডমৰ্দ্দন

ওঁ ত্ৰিসত্যস্য ভক্তিৰেব গৰীয়সী ভক্তিৰেব গৰীয়সী ॥ ৭৪ ॥—ত্ৰিসত্যৰ (জ্ঞান, যোগ আৰু ভক্তিৰ) ভিতৰত ভক্তিয়েইহে নিশ্চিতভাৱে শ্ৰেষ্ঠ।

ওঁ গুণমাহাত্ম্যাসক্তি-ৰূপাসক্তি-পূজাসক্তি স্মৰণাসক্তি দাস্যাসক্তি সখ্যাসক্তি কান্তাসক্তি বাৎসল্যাসক্তি আত্মনিবেদনাসক্তি তন্ময়তাসক্তি পৰমবিৰহাসক্তি ৰূপাএকধাপ্যেকাদশধা ভৱতি ॥ ৭৫ ॥ ভগৱানৰ প্ৰতি আসক্তি প্ৰকৃততে একবিধ মাথোন হলেও, প্ৰকাৰ ভেদে এই আসক্তিক এঘাৰ প্ৰকাৰে ভাগ কৰা যায়। (১) গুণমাহাত্ম্য (২) পূজা, (৩) স্মৰণ, (৪) দাস্য, (৫) সখ্য, (৬) কান্তা, (৭) বাৎসল্য (৮) ৰূপ, (৯) আত্ম নিবেদন, (১০) তন্ময়তা আৰু (১১) পৰম বিৰহ আসক্তি। এইবোৰৰ সম্বন্ধে সুকীয়া সুকীয়াকৈ আলোচনা কৰিবৰ ঠাই ইয়াত নাই। মুঠতে 'যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈৱ ভজাম্যহম্" (গীতা)। অৰ্থাৎ "যতেক নদ নদী সমুদায়। অনেক পথে সাগৰক যায়॥" (শ্ৰীশঙ্কৰ দেৱ)। এই সকলো প্ৰকাৰ আসক্তিৰে লক্ষ্য-স্থান সেই এক পৰমানন্দ ভগৱান।

ব্যাখ্যাকাৰে কোনো ঠাইতেই শব্দৰ কূট অৰ্থৰ আশ্ৰয় লোৱা নাই, ই সুখৰ কথা। ভক্তিৰ গুৰু দেৱৰ্ষি নাৰদৰ এই ভক্তি সূত্ৰ সঁচাকৈয়ে এখনি অমৃত স্বৰূপ গ্ৰন্থ ; ব্যাখ্যাকাৰে তাৰ ব্যাখ্যাত নিজ হৃদয়ৰ পূৰ্ণ অনুভূতি আৰু অভিজ্ঞতা মিহলাই লিখিছে। গতিকে তেওঁৰ ব্যাখ্যা যে সৰস আৰু উপাদেয় হব, এইটো সহজে আশা কৰিব পাৰি।

শ্ৰীডিম্বেশ্বৰ নেওগ।

---



# একাদশ আসাম সাহিত্য সন্মিলনৰ সভাপতিৰ অভিভাষণ।

ওঁ

নমস্তে সতে সৰ্ব্বলোকাশ্ৰয়ায়
নমস্তে চিতে বিশ্বৰূপাত্মকায়
নমোদ্বৈততত্ত্বায় মুক্তিপ্ৰদায়
নমো ব্ৰহ্মণে ব্যাপিনে নিৰ্গুণায়।

ত্বমেকং স্মৰামস্ত্বমেকং জপামঃ
ত্বমেকং জগৎসাক্ষীৰূপং নমামঃ
সদেকং নিধানং নিৰালম্বমীশং
ভৱাম্ভোধিপোতং শৰণ্যং ব্ৰজামঃ।

যিজনে ভূলোক, ভুবলোক, স্বলোক সৃষ্টি কৰিছে, সেই দেৱৰো দেৱ পৰম দেৱতা জ্ঞানময়, জ্যোতিৰ্ম্ময়, চৈতন্যময়, বৰণীয় বিশ্বপতিক আৰাধনা কৰি, তেওঁৰ ধ্যান কৰি, এই সভাৰ কাৰ্য্য আৰম্ভ কৰা যাওক; তেওঁ প্ৰসন্ন হওক।

আমাৰ কাৰ্য্যত তেওঁ প্ৰাণ সঞ্চাৰ কৰি দিয়ক, আমাক সুপথ দেখুৱাই দিয়ক, মলিনতা দূৰ কৰি দিয়ক; তেওঁক বাৰে বাৰে প্ৰণাম কৰো, "ভূয়িষ্ঠাং তে নম-উক্তিং বিধেম।"

আদৰণী সভাৰ সভাপতি ডাঙৰীয়া, সভা মণ্ডপত উপস্থিত ভদ্ৰমহিলা আৰু ভদ্ৰলোকসকল আৰু সমৱেত বাইজসকল, এই একাদশ সাহিত্য সন্মিলনৰ আগেয়ে যি দহখন সন্মিলন হৈ গৈছে,—তাৰ সভাপতিসকলৰ তুলনাত মই অতি নগণ্য; জ্ঞানে, গুণে কোনো পক্ষে তেওঁবিলাকৰ মই সমকক্ষ নহওঁ। আপোনালোকে মৰম কৰি মোৰ নিচিনা এজন নগণ্য মানুহক আজিৰ সভাৰ নেতা কৰি লৈ ভাল কৰিছেনে বেয়া কৰিছে মই কব নোৱাৰোঁ। কেৱল এই কথাটি মই জনাই থওঁ যে যদি সভাৰ কাৰ্য্য কলাপ বেয়া হয়, দোষ হলে মোৰ নহব, সেই দোষৰ ভাগ লবলৈ মই সম্পূৰ্ণ অনিচ্ছুক। অযোগ্য মানুহক বাছি লোৱাৰ কাৰণে আপোনালোকে নিজেই নিজক দোষাৰোপ কৰিব লাগিব।

ভাষাৰ ব্যাপক ভাব, কথাক জ্ঞান। সিফালে নেজানো, দেখা নাই, শুনা নাই। জ্ঞান বুলিলেই বুজিব নোৱাৰা হৈ পৰে। জ্ঞান নানা বিধৰ, নানা তৰহৰ, সীমা নাই অন্ত নাই। তথাপি জ্ঞান এক। গোটেই বিশ্বব্ৰহ্মাণ্ডখনিয়েই জ্ঞান, যেনিয়েই চাবা তেনিয়েই জ্ঞান। জ্ঞান আহৰণ কৰাই একমাত্ৰ কৰ্ম্ম চেষ্টা। কিন্তু কৰ্ম্মৰ

শেষ আধাৰভূমি জ্ঞান। "সৰ্ব্বং কৰ্ম্মাখিলং পাৰ্থ জ্ঞানে পৰিসমাপ্যতে।" জ্ঞান জানিব নোৱাৰি, কাৰণ জনাই জ্ঞান। তাতকৈ পবিত্ৰ বস্তু নাই। যথাযথ অৱস্থাৰ বোধ, ভূয়োভাগক ভূভাগকৈ অনুভৱ কৰা শক্তি হৈছে জ্ঞান। সূক্ষ্ম বস্তুক অনুভৱ কৰিবলৈ বিশেষ জ্ঞান বা বিজ্ঞানৰ দৰকাৰ। বস্তু হুবুলি তত্ত্ব বোলা হলেহে ভাল আছিল। বস্তু বুলিবলৈ একো নাই। তত্ত্ববিলাকেই ভাববিলাকেই ভিতৰৰ পৰা ওলাই আহি বাহিৰত বস্তুৰূপে স্বতন্ত্ৰ স্বত্বৰ অভাস দিয়ে।

বুদ্ধি বুলিলে সৰ্ব্বসাধাৰণত আমি যি বুজোঁ তাৰো এটি সূক্ষ্ম অৱস্থাৰ বুদ্ধি আছে। সেই বুদ্ধিয়ে সাৰথিৰ দৰে আমাক চলাব লাগিছে। সেই বুদ্ধিয়ে মানুহক আধুনিক বৈজ্ঞানিক কাৰ্য্যত প্ৰবৃত্ত কৰি দিছে। সেই বুদ্ধিয়েই মানুহৰ যোগে আকাশীযান আদি কল্পনাতীত কাৰ্য্য আমাৰ চকুৰ আগত দেখুৱাই দিছে। সেই বুদ্ধিয়েই তেওঁৰ প্ৰিয় লীলাভূমিৰ জগদীশচন্দ্ৰ বসুৰ হৃদয়ত থাকি বিশ্বপ্ৰাণৰূপে সকলোতে নিজক নিজে পৰিচয় দি তত্ত্ব প্ৰচাৰ কৰিব লাগিছে।

জ্ঞানৰ আদি অনুভৱ "মই আছোঁ আৰু জগত আছে।" দ্বিতীয় অনুভৱ "আমাৰ ওপৰো কৰ্ত্তা আছে।" বুদ্ধিৰ যোগে কৰ্ত্তা বিচাৰি জলন্তময়, চৈতন্যময়, জ্যোতিৰ্ম্ময় অগ্নিক উপাস্য দেৱতা কৰি লোৱা মানুহৰ তত্ত্বজ্ঞানৰ বিকাশৰ প্ৰথম সাক্ষী। প্ৰথম জ্ঞান, তাৰ উপকৰণ বুদ্ধি। দ্বিতীয় দেৱতাৰ প্ৰথম অধিষ্ঠান অগ্নি। তেতিয়া অগ্নিক উপলক্ষ কৰি মানুহে স্তুতিবাদ কৰিবলৈ ধৰিলে। কিহেৰে সেই স্তুতিবাদ কৰিলে—ভাষাৰে, সেই ভাষা কি— "অগ্নিমিলে পুৰোহিতং যজ্ঞস্য দেৱমৃত্বিজং, হোতাৰং ৰত্নধাতমং।"

হে শ্ৰোতৃমণ্ডলী! নিঃকিনক ক্ষমা কৰিব। মই যি ভাষা অলপ জানোঁ, তাৰে মোৰ ভাবৰ কথা উন্মুকি-য়াইছোঁ! হিব্ৰু, গ্ৰীক, লেটিন্, আৰবী প্ৰভৃতি অন্যান্য সকলো প্ৰাচীন ভাষাতেই প্ৰথম ভাষাৰ বিকাশ দেৱতাৰ স্তুতিবাদতেই ওলাইছিল। অৰ্থাৎ প্ৰথম ভাষা দেৱস্তুতি। প্ৰথম দেৱতা কোনো মহান বিভূতি।

তাৰ পাচত বহুত স্তুতি গোটখাই ভাষাৰূপে পৰিণত হয়। ভাষাৰ ক্ৰমবিকাশ বুজাই কোৱাৰ উদ্দেশ্যেহে এইবিলাক কথা গুৰিৰে পৰা তৰি অনা হৈছে। তেতিয়াও ভাষা মানুহৰ মুখে মুখে, জিভাৰ আগত; কলমৰ ঠোঁটত তেতিয়াও ওলোৱাহি নাছিল। যেতিয়া ভাষাই আখৰৰ বিহা-মেখেলা পিন্ধে—অৰ্থাৎ বয়স হলত নাওঠ গুচি সাজপাৰ লব লগীয়া হয়, তেতিয়াহে লিখিত ভাষাই প্ৰথম ভুমুকি মাৰে।

মই আমাৰ পূৰ্ব্ব পুৰুষসকলক আৰু অতীত গৌৰৱক নিন্দা কৰা চলেৰে নহয়, কেৱল সত্যৰ অনুৰোধতহে কবলৈ বাধ্য হৈছোঁ যে, আদিতে ভাষাৰ বহু অৰ্থযুক্ত গাইগোটা শব্দ অনেক আছিলে আৰু মীৰলৈ যোৱা বা "আত্মমৰগয়" বুলি খেলিমেলি লগা বহুত্বযুক্ত কথাকে তাৰ দৃষ্টান্ত বুলি ধৰিব পাৰি। ক্ৰমে বাক্যৰে অৰ্থৰে "পাৰ্ব্বতিপৰমেশ্বৰ"ৰ দৰে যেতিয়া সম্বন্ধ লাগি পৰিল, অতীত বৰ্ত্তমান আৰু ভবিষ্যত কালৰ পৰা নানা কালৰ সৃষ্টি হ'ল, তেতিয়াহে ভাষাৰ ক্ৰমে বৰ্ত্তমান অৱস্থালৈ অহাৰ আৰম্ভ হয়। কিমান যাব লাগিব এতিয়াও নিৰ্ণয় নাই। ভাষা আৰু বিকাশ হবলৈ বাকী আছে। যিমান দিন মানুহ জাতি থাকিব, বুদ্ধি কৌশলৰ উন্নতি ক্ৰমে হৈ থাকিব, সিমান দিন ভাষাৰ বিকাশ অনিবাৰ্য্য, অৰ্থাৎ ভাষাৰ শেষ অনন্ত। ইয়াকে উপলক্ষ কৰি ইচ্লামধৰ্ম্মাৱলম্বী ভ্ৰাতৃসকলে এটি সৰ্ব্বজানিক প্ৰচলিত মনাপ্তিবাদ কৈ থৈছে—"সকলো তাৰিফ্ খোদাতাল্লাৰ প্ৰাপ্য।" ভাষা যদি আহিছে অনন্তৰ পৰা, তাৰ শেষো সেই অনন্ততে; তাৰ যদি আৱৰণ স্তুতিবাদত, তাৰ শয়নো সেই একে স্তুতিবাদতে। এয়ে আৱৰ্ত্তন আৰু বিৱৰ্ত্তন।

সাহিত্য কি? নানা বিধ ঠাল-ঠেঙ্গুলি আৰু পাত ফুলেৰে ধুনীয়াকৈ সজাই, শুৱলা কৰা ভাষাকে সাহিত্য বুলিব লাগে। ভাষা মানুহৰ ভিতৰত যেনেকৈ আছে, জন্তুৰ ভিতৰতো আছে। গৰুজনীয়ে হেম্বেলিয়ালে তাৰ কি উদ্দেশ্য পোৱালিটোৱে বুজে। গছৰ ভিতৰতো ভাষা আছে। মানুহৰে, গছৰে, জন্তুৰে সকলোৰে মিলি এটা ভাষা আছে, সেই ভাষা হৈছে—বিশ্বভাষা। সেই বিশ্বভাষাৰ উপাদান বিশ্বজ্ঞান। সেই জ্ঞানৰ মালিক সকলোৱেই:—



জ্ঞানীনো মনুজা সত্যম্ কিন্তু তে নহি কেৱলম্।
যতোহি জ্ঞানীনঃ সৰ্ব্বে পশুপক্ষিমৃগাদয়ঃ॥

হে সুধীমণ্ডলী! জ্ঞান সকলো বস্তুৰে মূল নিধান। জ্ঞানৰ পৰাই সকলো পদাৰ্থৰ সৃষ্টি। ভূতত্ত্ব, জীৱতত্ত্ব আদি সকলো তত্ত্বই জ্ঞান। ভাষাত সকলো তত্ত্বৰ ঠালঠেঙ্গুলি নেথাকিলে তাক সাহিত্য শ্ৰেণীত তুলিব নোৱাৰি। সাহিত্যিকসকল তত্ত্বজ্ঞ হব লাগে। সাহিত্য জাতীয় সম্পত্তি। কিন্তু শেষত বিশ্বসম্পত্তি। কোনটো জাতি কিমান উন্নত তাৰ একমাত্ৰ সাক্ষী সেই জাতিৰ সাহিত্য। বৰ্ত্তমান ইউৰোপীয় পণ্ডিতসকলে প্ৰাণীতত্ত্বেৰে সৈতে জ্ঞানৰ ক্ৰমোন্নতি পাঁচ ভাগত বিভক্ত কৰিছে। আমাৰ পুৰাণে তাক দহ ভাগ কৰি দেখুৱাইছে। আমাৰ পুৰাণেও প্ৰথমে সৃষ্টিতত্ত্বৰ পৰা আৰম্ভ কৰি ভূতত্ত্বৰ যোগে প্ৰাণীতত্ত্বত ওলোৱা দেখা যায়। জ্ঞান ভাবত, ভাব ভাষাত বিকাশ হয়। পুৰাণবিলাক মানুহে বুজিব পৰাকৈ জ্ঞান ভাষাত বিকাশ কৰিবলৈ যাওঁতেই বাক্যৰ পৰিপুষ্টি হৈ সাহিত্যৰ প্ৰথম সৃষ্টি। আমাৰ ইংৰাজী-শিক্ষিতসকলে পুৰাণবিলাক দলিয়াই পেলাবলৈ আগবাঢ়ি আছে। কোনোৱে কোনোৱে পুৰাণবিলাক ৰূপক বুলি উৰাই দিব খোজে। ধৰ্ম্মজগতত পুৰাণৰ স্থান ক'ত তাক আলোচনা কৰিবৰ এতিয়া সময়ো নহয় আৰু আৱশ্যকো নাই। আমি সাহিত্য সন্মিলনত সাহিত্য আলোচনা কৰিবলৈহে বহিছোঁহক। সাহিত্য হিচাবে পুৰাণ বাক্যবিন্যাস, বাক্যালঙ্কাৰ, অনুপ্ৰাস আদি নানা সাজেৰে ৰকমক আৰু গৌৰৱেৰে পৰিপূৰ্ণ। পুৰাণবিলাক ভালকৈ পঢ়ি তাৰ কথাবিলাক চিন্তা কৰি চালে, জ্ঞান ভাব আৰু ভাষাৰ ক্ৰমবিকাশ তাতে দেখিবলৈ পোৱা যাব। জ্ঞান জাগ্ৰত, ভাষা নিদ্ৰিত। জ্ঞান চিন্ময়, ভাষা মৃন্ময়। জ্ঞানস্বৰূপ ক্ষেত্ৰজ্ঞৰ ভাষা স্বৰূপ ক্ষেত্ৰক প্ৰকাশিত নকৰিলে ভাষা আন্ধাৰত থাকিব, অৰ্থাৎ তাক দেখিবলৈ পোৱা নাযাব। পুৰাণৰ ভিতৰতে বৰ্ত্তমান জ্যোতিষৰ সূক্ষ্ম আবিষ্কাৰ নিহাৰিকাৰ লগ পোৱা যায়। তাৰো ওপৰে থকা বহুত খবৰ পোৱা যায়। বাইবেলত প্ৰথমে অন্ধকাৰক লৈ আৰম্ভ কৰিছে। ভগৱানৰ আদেশমতে যেতিয়া পোহৰৰ জন্ম হ'ল তেতিয়াহে নিহাৰিকা জিলিকিবলৈ ধৰিলে। তাৰ পিচত সৃষ্টি। বাকী ছোৱা কথা কৈ বাহুল্য কৰা মোৰ উদ্দেশ্য নহয়। আজিকালিৰ শিক্ষাৰ গৌৰৱত সূৰ্য্য কেনেকৈ হ'ল, চন্দ্ৰ কেনেকৈ হ'ল, আৰু গ্ৰহ-নক্ষত্ৰাদি কেনেকৈ হ'ল তাক সকলোৱে জানে আৰু তাৰ গতিবিধিবিলাকো সকলোৱে বুজে।

যি অনন্ত শয়নত বিষ্ণু শুই আছে, সেই অনন্তক নাগ বা সাপ ৰূপে নেভাবি যদি আমি অনন্ত ( infinity ) ৰূপেই ভাবোঁ, সেই ভাব কেনে ডাঙৰ হব! যি পদুমৰ বুকৰ পৰা ব্ৰহ্মাৰ জন্ম, সেই পদুমটিক যদি এই বিশ্বধন বুলি ভাবোঁ, সেই ভাব কিমান ওপৰলৈ উঠিব! অধিকাৰী বিশেষে নানা প্ৰকাৰ সাজপাৰৰ দৰ্কাৰ। যি ভাষাত যিমান সাজপাৰ, যিমান ডাঙৰ কথা সহজকৈ বুজাবৰ উপকৰণ আছে, সেই ভাষা সিমান চহকী। সংস্কৃত ভাষাৰে কোনেও কথা নকয় কোনেও এটি কিতাপো নেলেখে, এখনি খবৰ কাগজ বা আলোচনীও সংস্কৃত ভাষাত নাই। কিছুমান পুৰণি কিতাপতে সংস্কৃত ভাষাৰ স্থিতি। যদি ইয়াত নানা সাজ-পাৰ, নানা উপকৰণ নেথাকিলহেতেন তেন্তে আজি ভাৰতবৰ্ষত সেই ভাষাৰ নাম কোনেও শুনিবলৈকো নেপা-লেহেতেন।

জ্ঞানৰ পৰা ভাব আৰু ভাবৰ পৰা পদাৰ্থৰ সৃষ্টি। প্ৰথম পদাৰ্থ পৃথিবীৰ উপকৰণ মাটি. মধুকৈটভৰ প্ৰথম জন্ম ভাবত। কিন্তু মধুকৈটভ যেতিয়া মৰিল, অৰ্থাৎ ভাব গুচি যেতিয়া পদাৰ্থ হ'ল তেতিয়া পৃথিবীৰ সৃষ্টি। বিষ্ণুৰ কাণৰ মলিৰ পৰা মধুকৈটভৰ জন্ম। শ্ৰোতৃ-মণ্ডলী নেহাহিব, ভাবি চাব। এই কথাৰ ভিতৰত বহুত তত্ত্ব লুকাই আছে। অৱশেষত কি হ'ল:—

"মধুকৈটভয়োৰাচিৎ মেদসৈৰ পৰিপ্লুতা।
তেনেয়ং মেদিনী দেৱী প্ৰোচ্যতে ব্ৰহ্মবাদিভিঃ।

এইখিনিতে ইমানকে কৈ সামৰিব খোজোঁ যে ধৰ্ম্ম-সাহিত্যই মানুহ জাতিৰ আদি সাহিত্য। যেনেকৈ সকলো ধৰ্ম্মৰ অভ্যন্তৰত এটি বিশ্বধৰ্ম্ম আছে, সেইদৰে সকলো জাতীয় সাহিত্যৰ ভিতৰত এটি বিশ্বসাহিত্য সোমাই আছে। ধৰ্ম্মৰ সংস্কাৰ নহলে সাহিত্যৰ সংস্কাৰ হব নোৱাৰে। সংস্কাৰ কৰিবলৈ গলে মূল উপাদানৰ যোগেহে

কৰিব লাগিব। অৰ্থাৎ ধৰ্ম্মসংস্কাৰ কৰিব খুজিলে বিশ্ব-ধৰ্ম্মৰ মাজেদি যাব লাগিব। হে বিজ্ঞ শ্ৰোতাসকল! মই বৰ্ত্তমান ধৰ্ম্মৰ বা কোনো ধৰ্ম্মৰেই নিন্দাবাদ কৰিবলৈ ইয়াত থিয় হোৱা নাই; বা ধৰ্ম্মসংস্কাৰৰ কোনো কথাও প্ৰস্তাৱ কৰা মোৰ উদ্দেশ্য নহয়। মই পাহৰা নাই যে এইখন সাহিত্য-সম্মিলন। কেৱল সভাৰ অনু-ৰোধত কবলৈ বাধ্য—সাহিত্যৰ উন্নতি কৰিবলৈ হলে ধৰ্ম্মৰ উন্নতি কৰিব লাগিব। মই এনে অবাস্তৱ কথা প্ৰস্তাৱ কৰা নাই যে, চাৰি জাতি, চাৰি আশ্ৰম, হিন্দু-মুছলমান খৃষ্টান আদি পাৰ্থক্য ভাৱ দূৰ কৰি দি আজি একে হৈ পৰোঁ। হব পৰা হলে কেনে ভাল আছিল! হুমুনিয়াহ কাঢ়ি সেই কথা এৰি দি ধৰি ললোঁ যে বৰ্ত্ত-মান অৱস্থাত তেনেকুৱা হবলৈ বহুত সময় সাপেক্ষ্য। টনা আজোৰা কৰাও যুক্তিসঙ্গত নহয়। কেতিয়াবা হিতেই বিপৰীত হৈ পৰে। এনে স্থলত যেয়ে য'তে যি অৱস্থাতে আছোঁ, যি ধৰ্ম্মত জন্ম গ্ৰহণ কৰিছোঁ, সেই ধৰ্ম্মৰে উন্নতি পথত খোজ লবলৈ আৰম্ভ কৰিলে আমি গৈ সেই বিশ্বধৰ্ম্মত ওলায়গৈ। তেতিয়া মিলি পৰিম। সামাজিক হিচাপে হব পাৰেনে নোৱাৰে কব নোৱাৰোঁ (হোৱাহেঁতেন কি স্বৰ্গপুৰী হলহেঁতেন) কিন্তু ভাবৰ ৰাজ্যত হবলৈ একো টান নাই। সেই বিশ্ব ধৰ্ম্মৰ যোগে আমি যি সাহিত্য সৃষ্টি কৰিম, সেই সাহিত্য হব মিলনৰ সাহিত্য! তাত বাদ বিসম্বাদৰ থল নেথাকিব। বৰ্ত্ত-মান ভাৰতৰ সমস্যাত ইয়াৰ বাহিৰে অন্য উপায় নাই। অন্ততঃ এই নিঃকিন বুঢ়াই অন্য উপায় নেদেখে।

দাৰ্শনিক কথা প্ৰকাশ কৰিবলৈ, ওখ ওখ ভাব বিকাশ কৰিবলৈ যেতিয়া ভাষা উপযোগী হয়, তেতিয়া জাতীয় উন্নতিৰ উৰ্দ্ধগতি বুলি বুজিব লাগে। যেতিয়া ভাষাত গালি পৰা ভাষাৰ সংজ্ঞা সৰহ হয়, কাজিয়া কৰিবলৈ ভাষাত সুবিধাৰ আয়োজন হয়, ভাষাৰ বং-চঙ্গত ভাবে লুকাই বুৰ মাৰিব পৰা হয়, তেতিয়া জাতীয় উন্নতিৰ অধোগতি। এতিয়ানো আমি কোন থিনিত আছোঁ তাক জাতীয় জীৱন আৰু সাহিত্য-জীৱনলৈ চকু দিলেই বুজিব পাৰিম। বুজিব পাৰিছোঁ লাগে আমাক সনাতন ধৰ্ম্ম আৰু বিশ্ব-সাহিত্য। প্ৰচলিত প্ৰবাদ আছে, লক্ষ্মী আৰু সৰস্বতী সতিনী; দুয়োৰো অৰিয়া-অৰি। এতিয়া আমাৰ জাতীয় জীৱনত দেখুৱাব লাগে দুয়ো বাই-ভনী।

জাতীয় উন্নতি কৰিবলৈ হলে আৰ্থিক উন্নতি হব লাগে অৰ্থাৎ লক্ষ্মীৰ কৃপাদৃষ্টি পৰিব লাগে। যাৰ পেটে খাবলৈ ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই তাৰ ভাব কব পৰা উপজিব? আমাৰ সাহিত্যৰ দুৰ্গতিৰ প্ৰধান কাৰণ এইটিয়েই নহয়নে? সকলোতকৈ ডাঙৰ হৰিকথা, আতোকৈ ডাঙৰ চাউল কথা। আমাৰ শিক্ষিত ডেকাসকলৰ পেট ভৰাব নোৱাৰিলে তেওঁলোকৰ শিক্ষাৰূপ ফুল কেপাহি শুকাই সৰি যাব। এইখিনিতে কথা প্ৰসঙ্গত কব পাৰি যে, কলম চলাব পৰা শিক্ষাই শিক্ষা নহয়। উকিল হৈ চোৰৰ ওকালতি কৰা বিদ্যাক মই বিদ্যা বোলা নাই। উকিল বন্ধুসকল! বুঢ়াৰ কথাত খং নকৰিব। আপোনালোক আমাৰ দেশৰ বত্ন। আপোনালোকৰ পৰা বুঢ়াই বহুত আশা কৰোঁ; সেই আশাৰ ওপৰত নিৰ্ভৰ কৰিহে কথাষাৰ কৈছোঁ। বিদ্যা অশেষ প্ৰকাৰ। সাহিত্যও অশেষ প্ৰকাৰ। কবিয়ে কথাৰে বৰ্ণোৱা চিত্ৰখনি আৰু চিত্ৰকৰে আঁকি দিয়া মূৰ্ত্তিখনি একে দিশে একে সাহিত্য। সৰ্ব্বশক্তিমান সোণা আৰু দহোতা হাতেৰে দুৰ্গামূৰ্ত্তি সাজি দিয়া সাহিত্য হিচাবে একে, জ্ঞান হিচাবে একে, বিদ্যা হিচাবে বেলেগ। মই অনুৰোধ কৰোঁ, আমাৰ ডেকাসকলে নানা মুখে বিদ্যাৰ নানা অংগত উঠি-বলৈ আৰম্ভ কৰোক। ভগৱানে আমাৰ ইচ্ছা সফল কৰক।

এতিয়া সাহিত্যৰ প্ৰসঙ্গত, ধৰ্ম্মৰ প্ৰসঙ্গ, জ্ঞানৰ প্ৰসঙ্গ আৰু বিদ্যাৰ প্ৰসঙ্গ উঠিল। জাতীয় উন্নতিৰ কথাও উঠিল। ভাবি চাওক আটাইবোৰ কথা একে নহয়নে! ইটো সিটোৰ গাতে লগা নহয়নে? জাতীয় উন্নতিৰ ভিতৰত স্ত্ৰীশিক্ষা। স্ত্ৰীৰ উন্নতি সমাজৰ এটা বিশেষ আৱশ্যকীয় কাৰ্য্য। ঈশ্বৰকল্পনা কৰোঁতেও কোনোৱে পুৰুষ কল্পনা কৰে আৰু কোনোৱে স্ত্ৰী কল্পনা কৰে। আমি জানো মূলত স্ত্ৰীপুৰুষৰ ভেদ নাই। কিন্তু কাৰ্য্যত কৰা হয়। স্ত্ৰী আৰু পুৰুষ সমাজৰ দুটা অঙ্গ। এই কাৰণেই কয় "দ্বিতীয়ে পুৰুষে হবা একেমতি, তেবে সিজিব হৰিত ভকতি।" স্ত্ৰীশিক্ষাৰ পুৰুষৰ শিক্ষাৰে সৈতে কি কি বিষয়ত পাৰ্থক্য থাকিব লাগে, আৰু গাৰ্হস্থ্য কাৰ্য্যত কাৰ কি কৰ্ত্তব্য সেইবিলাকৰ মীমাংসা সমাজনৈতিকসকলৰ নিমিত্তে মই এৰি থলোঁ। কিন্তু মই বাহু বুলি কওঁ যে, স্ত্ৰীসকলৰ ওপৰত আমাৰ উচিত বিচাৰ হোৱা নাই। তেওঁবিলাকৰ উন্নতি কৰিবলৈ আগবাঢ়িব লাগে, তেওঁলোকৰ প্ৰকৃত শিক্ষাৰ বহুল প্ৰচাৰ কৰিবলৈ সৰ্ব্বতোভাবে যত্ন কৰিব লাগে।



কথা কবলৈ বহুত আছে। মনোবিজ্ঞানৰ বহুত কথা কবৰ ইচ্ছা থকাতো লোভ সামৰি, আপোনালোকৰ পক্ষেও তৃপ্তিকৰ হয় নে নহয় ঠিক কৰিব নোৱাৰি ক্ষান্ত থাকিলোঁ। কিন্তু মই কওঁ,—ধৰ্ম্মগত বিদ্বেষ, জাতিগত বিদ্বেষ দূৰ কৰি প্ৰাণে প্ৰাণে ঐক্য ভাব জাগ্ৰত নকৰিলে ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ একোৱেই সিদ্ধি নহয়। সাহিত্যৰ উন্নতি দূৰৈৰ কথা। আমি বহুত দিনৰ পৰা শ্ৰদ্ধা আৰু নিষ্ঠা বুলি কোৱা দুটা কথা শুনি আহিছোঁ। বিদ্বেষ এৰোঁ বুলি এৰিব নোৱাৰি, বন্ধুভাৱ ধৰোঁ বুলি ধৰিব নোৱাৰি। এইবিলাক মান-সিক-বৃত্তিমূলক কথা। শ্ৰদ্ধা আৰু নিষ্ঠা সহজলভ্য। এই দুটি বস্তুক পালে বিদ্বেষ দূৰ হব, বন্ধু ভাব আহি পৰিব। সকলোৱে যদি সকলোৰে ওপৰত শ্ৰদ্ধা ভাব ৰাখে, আৰু প্ৰত্যেকেই যদি আমি নিষ্ঠাৱান হওঁ বুলি অন্তৰেৰে যত্ন কৰে, তেতিয়া মিলন নহৈ নোৱাৰে; তেতিয়া চতুৰতা আমাৰ চাৰি সীমাতৈকো ঢুকিব নোৱাৰিব।

বৰ্ত্তমান সাহিত্যৰ কথা কৈ শেষ কৰিব খোজোঁ। দৰ্শন, বিজ্ঞান, বুৰঞ্জী, উপন্যাস, কাব্য, খণ্ডকবিতা, গল্পপ্ৰবন্ধ, নাটক ইত্যাদিৰ বহুত অভাৱ আমাৰ সাহিত্যত যেনিয়েই চাওঁ তেনিয়েই দেখোঁ। এইবিলাকৰ বিষয়ে মনোযোগ দিব লগীয়া কাল অতীত হৈ গৈছে। আসাম দেশৰ চুকে-কোণে, ভৈয়ামে পৰ্ব্বতে, দাতিয়ে-কাষৰে অসমীয়া ভাষাৰ, অসমীয়া সাহিত্যৰ বহুল প্ৰচাৰৰ কাৰণে কৰ্ম্মক্ষেত্ৰত টঙালি বান্ধি লাগিবৰ দিনো কেতিয়া-বাই আৰম্ভ হ'ল। আসামলৈ নতুনকৈ আহি থকা মানুহবিলাকৰ ভিতৰতো আমাৰ ভাষাৰ প্ৰচলন আৰু প্ৰৱ-ৰ্ত্তন কৰাৰ অনুষ্ঠানৰ বিশেষ আৱশ্যক হৈ পৰিছে। অসমীয়া ভাষাত ইচলাম ধৰ্ম্মৰ তত্ত্বগ্ৰন্থ এতিয়াও বহুত অনুবাদ হবলৈ বাকী। সভা সমিতিয়ে একো কৰিব নোৱাৰে। কথা আকাশত লয় পায়গৈ। এতিয়া কথাৰ যুগ নহয়, কৰ্ম্মৰ যুগ। এই সাহিত্য সভাৰ দৰে এটি অনুষ্ঠান, যাৰ ভৰ্ত্তা মোৰ বন্ধু পূজনীয় ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ, এনেকুৱা এটি অনুষ্ঠান থাকোতে সাহিত্যৰ নানা বিষয়ক উন্নতিৰ আশা মোৰ মনত জাগ্ৰত হৈছে। অপোনালোক সকলোৱে সমবেত হৈ কাৰ্য্য কৰিলে মোৰ আশা ভাষাত পৰিণত হব। আজি ইমানবিলাক সাহিত্যিক মোৰ আগত দেখিবলৈ পাই মোৰ ভয়েই লাগিছেনে আনন্দই লাগিছে তাক ঠিক কৰিব পৰা নাই। আশাৰ উগুল-থুগুল লাগিলে আৰু ভাবৰ খুন্দিয়া খুন্দি লাগিলে এনেকুৱাই হয়। ভাবৰ বান পানী আহিলে ভাষাৰ নাটনি হয়। সেইদেখি মুঠেই ইমানকে কৈ থওঁ—অসমীয়া সাহিত্যৰ বিজয় দুন্দুভি আকৌ গৌৰৱেৰে নিনাদিত কৰি, আমাৰ মহিমাম্বিতা জন্মভূমি কীৰ্ত্তিশালিনী কামৰূপৰ উপযুক্ত সন্তান বুলি পৰিচয় দিবলৈ আমি যেন সমৰ্থবান হওঁ। ইয়ালৈকে যেনেকেনে আশাশুদীয়াকৈ যত্ন কৰাটো প্ৰত্যেক শিক্ষিত অসমীয়াৰ একান্ত অপৰিহাৰ্য্য কৰ্ত্তব্য—এই কথা যেন আমাৰ সদায় মনত থাকে।

এই বুঢ়াই আজীৱন সৰস্বতীক আৰাধনা কৰি আই মাতৃক পূজা কৰিবলৈ বহুত বনৰীয়া ফুল গোটাই থোৱা হৈছে। ফুল বনৰীয়া, গোন্ধ-ভাপ তাত নাই। কিন্তু ভাবৰ আগ্ৰহ নাইকিয়া বুলি স্বীকাৰ কৰিব নোখোজোঁ। বহু যত্নেৰে সংগ্ৰহ কৰা "সাহিত্য আৰু বৰ্ত্তমান যুগ সংস্কাৰ" বোলা হাতেৰে লিখি থোৱা কিতাপখনিত ওপৰত কৈ অহা কথাবিলাকৰ, দৃষ্টান্তেৰে সৈতে বিশদ আলোচনা কৰা হৈছে। কেতিয়াবা বাইজৰ হাতত শোধাই দিব পাৰিলে বুঢ়াৰ দায়ীত্ব নাথাকিব। সেই দৰেই অষ্টাবক্ৰ বুলি আৰু এখনি কিতাপ হাতেৰে লিখা অৱস্থাতে পৰি আছে। দুই চাৰি বন্ধুক দেখুওৱাও হৈছে। সকলোকে দেখুৱাবলৈ সমৰ্থ নাই, কিন্তু ইচ্ছা হলে আছে। এই দুয়োখনি মোৰ জাতিক দান কৰিবলৈ মই প্ৰস্তুত। মোৰ আছে কি, কি দিম:—"কেঁকে টুৱাৰ বাঁহ-পাতেই ভেটি"।

সামৰণিত আকৌ সৰ্ব্বনিয়ন্তা ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰোঁ, আমাৰ ভাবে ভাবে মিলাই দিয়ক,

কথাই কথাই জোৰা থুৱাই দিয়ক, আমাৰ সাহিত্য জাগ্ৰত কৰি দিয়ক। আমাৰ শিক্ষা-বিস্তাৰৰ বাট উন্নত কৰি দিয়ক, গাৱেঁ গাৱেঁ, মৌজাই মৌজাই, নগৰে নগৰে, থাপে থাপে পঢ়াশালিৰ ব্যৱস্থা হওক, স্ত্ৰী-শিক্ষাৰ আয়োজন কৰক, আসামত বিশ্ববিদ্যালয় স্থাপন কৰা হওক, আমাৰ আৰ্থিক উন্নতি হওক, আমাৰ অন্তৰ বিকশিত হওক—তেহে আমাৰ জাতীয় সাহিত্যৰ উন্নতি হব।

প্ৰভো! কৃপা কৰা, আশীৰ্ব্বাদ কৰা, যেন তোমাৰ জীৱন তোমাৰ কাৰ্য্যতে প্ৰবৃত্ত হয়। যি শুনোঁ যেন মিঠা কথা শুনোঁ, যি দেখোঁ যেন ধুনীয়া বস্তু দেখোঁ, যেন অবিচলিত চিত্তেৰে অবিচলিত অঙ্গেৰে তোমাৰ স্তুতিবাদ কৰি তোমাৰ প্ৰদত্ত জীৱন তোমাৰ কাৰ্য্যত সমৰ্পণ কৰিব পাৰোঁ।

ভদ্ৰং কৰ্ণেভিঃ শৃণুয়াম দেবাঃ,
ভদ্ৰং পশ্যেমাক্ষভিৰ্যজত্ৰা ;
স্থিৰৈঃ অঙ্গৈ স্তুষ্টুবাংশস্তুভিৰ্ব্যশেম
দেবহিতং যদায়ুঃ।

## দ্বিতীয় দিনৰ কামৰ অন্তত সামৰণি বক্তৃতা।

সমজুৱা সকল,

আবাহনো নেজানো, বিসৰ্জ্জনো নেজানো। এই সম্মিলনীৰ কাৰ্য্য আপোনালোক সকলোৰে সমবেত যত্নৰ ফলত সুন্দৰৰূপে সমাধা হৈছে বুলি ভাবিব পাৰি। আমি অভ্যৰ্থনা সমিতিৰ পৰা যি সমাদৰ আৰু শুশ্ৰূষা পাইছোঁ তাৰ প্ৰতিদান ধন্যবাদ দিলেই আমাৰ কৰ্ত্তব্য কৰা নহব, আমি আমাৰ অন্তৰেৰে তেওঁবিলাকক সমাদৰ জনাইছোঁ।

এই সভাত বহুত গণ্যমান্য পুৰুষে যোগদান কৰি সভাক উৎসাহিত কৰাত সভাই তেখেতসকলৰ বিশেষ শলাগ লৈছে। যি কেইজন চাহাব আৰু বিদেশী ভদ্ৰলোকে আহি সভাত আমাক স্নেহ বৰ্ষণ কৰিছিলহি তেওঁবিলাকক আমাৰ প্ৰীতি সম্ভাষণ জনাইছোঁ।

সকলোৰে সাহিত্যৰ প্ৰতি যি অনুৰাগ দেখা পোৱা হ'ল তাৰ পৰা আমাৰ মন আনন্দেৰে উপচি পৰিছে। মই আগেয়ে এই প্ৰাচীন যোৰহাট নগৰলৈ আগোতে বিদেশী সাজ পাৰৰ বহুত জাক-জমক দেখিবলৈ পাইছিলোঁ, কিন্তু এইবাৰ সভাত তাৰ বিপৰীত দেখি আৰু সকলোটিকে আমাৰ দেশী পোছাকত দেখিবলৈ পাই মোৰ মনত অশেষ আশাৰ সঞ্চাৰ হৈছে। মই যোৰহাটবাসীসকলক বিশেষকৈ কওঁ—আমাৰ অমূল্য ৰত্ন এই সাহিত্য সভাখনি আমি তেওঁবিলাকৰ হাতত এৰি দিছোঁ—বছেৰেকৰ মূৰত মুঠেই দুদিনলৈ এই সভাৰে আমাৰ দেখা দেখি হয়—তেওঁবিলাকে যেন নিজৰ দায়ীত্ব বুজি এই নিহিতি বিশ্বাসৰ যথোচিত সদ্ব্যৱহাৰ কৰে—ইয়াকে মই বুঢ়াই তেওঁবিলাকৰ ওচৰত অনুৰোধ কৰোঁ।

এই সভা মণ্ডপত মোৰ বন্ধু, আমাৰ বন্ধু আমাৰ ভাষাৰ এজন শুবিয়াল স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীক লগ নেপাই মোৰ যথাৰ্থতে চকুৰ পানী ওলাইছে। সেই পানীৰে তেওঁৰ তৰ্পণ কৰোঁ। স্বৰ্গীয় দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ আত্মাৰ তৃপ্তিৰ অৰ্থে মোৰ সেই চকুৰ পাণীৰেই তেওঁৰো তৰ্পণ কৰোঁ।

সভাৰ ধন-ভঁৰাল সৰু। যোৰহাটত বহুত ধনী মানুহৰ বাস। আমি আশা কৰোঁ তেওঁবিলাকে নিজৰ হাতত পাই সভাখনি ভালকৈ সবল কৰিব। অতীতত তেওঁবিলাকে বহুত কৰিছে, সেইবাবে সভা তেখেতসকলৰ ওচৰত কৃতজ্ঞ। কিন্তু ইচ্ছা কৰিলে তেওঁবিলাকে আৰু কৰিব পাৰে, এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। আজি ইমান দিনে মই জানিছিলোঁ যে ৰায় বাহাদুৰ শ্ৰীযুত শিৱপ্ৰসাদ বৰুৱা এজন ধনী পুৰুষ। কিন্তু এইবাৰ তেখেতৰ সাহিত্যত অনুৰাগ দেখি সভাই তেখেতক প্ৰীতি আলিঙ্গন জনাইছে আৰু আশা কৰিছে যেন তেখেত এই সভাৰ এগৰাকী প্ৰধান নেতা হৈ পৰে। তেখেতৰ শৰীৰ



অসুস্থ বুলি শুনি আমি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ যেন অতি সোনকালে সুস্থ আৰু সবল হৈ তেখেত আহি সভাৰ কাৰ্য্যত প্ৰবৃত্ত হব পাৰে।

মোৰ স্বৰ্গীয় বন্ধু সোমেশ্বৰ শৰ্ম্মা ডাঙ্গৰীয়াৰ সুযোগ্য পুত্ৰসকলে আজি তিনি হাজাৰ টকা দি, দেশৰ হিতৰ অৰ্থে আৰু সাহিত্য সভালৈ যি অনুৰাগ দেখুৱালে, তাৰ বাবে তেখেতসকল সকলোৰে ধন্যবাদৰ পাত্ৰ। তেখেতসকলৰ পিতৃদেৱতাৰ আত্মাৰ শান্তি হওক। তেখেতসকলেও এই সভাৰ গুৰি ধৰিব বুলি সকলোৱে আকাঙ্ক্ষা কৰিছে। মছলমান সমাজৰ অগ্ৰগণ্য—স্বৰ্গীয় মৌলবী জিৰদোষ্ট আলী হাজৰিকাৰো স্মৃতি, সাহিত্য সভাৰ লগত থকাটো বাঞ্ছনীয় যেন ভাবি মই তেখেতৰ সুযোগ্য ভায়েক মৌলবী তজ্জল হুছেন হাজৰিকালৈ অলপ আঙ্গুলি টোঁৱাৰ-লগীয়াত পৰিছোঁ। সৰ্ব্বশেষত চকুৰ পানী টুকি কওঁ—আমাৰ শীৰ্ষস্থানীয় স্বৰ্গীয় ৰায় বাহাদুৰ জগন্নাথ বৰুৱা ডাঙ্গৰীয়াৰ নামে সাহিত্য বিকাশ উপলক্ষে কোনো অনুষ্ঠানৰ আয়োজন নোহোৱাটো তেখেতৰ উত্তৰাধিকাৰীসকললৈ ইঙ্গিত কৰিবলগীয়া অৱস্থাত পৰিছেহি। শ্ৰীযুত চন্দ্ৰকমল বেজবৰুৱা, ৰায় বাহাদুৰ কৃষ্ণকুমাৰ বৰুৱা আদি অন্যান্য চাহ খেতিয়কসকলকো মই জনাওঁ—সাহিত্য সভা তেওঁবিলাকৰ বস্তু—তেওঁবিলাকে পুৱালেহে থাবলৈ পাব নহলে মৰি যাব। ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ ডাঙ্গৰীয়াৰ আদৰ্শ অনুকৰণীয়—তেখেতক যেন ধন্যবাদকেই দি থাকিম; তেখেতৰ দৰে সমৰ্থশালী সকলোৱেই যেন সাহিত্য সভালৈ মন দিয়ে। পৰমেশ্বৰে তেখেতৰ মঙ্গল কৰোক। মই বুঢ়াই যোৰহাটবাসীসকলৰ জনচেৰেকৰ নাম ধৰি কথা কোৱাত যেন বেয়া নেপায়, মই তেওঁবিলাকৰ ভিতৰৰে এজন—নিজেই আপোন ভাৱেহে কৈছোঁ। নেজানো কাৰণে বা পাহৰাৰ দোষতেই বহুত উপযুক্ত লোকৰ নাম উল্লেখ কৰা নহল।

মই বুঢ়া হ'লো—মই আপোনালোকক কওঁ—সাহিত্য নহলে একোৱেই নহব। বঙ্গালীসকলৰ উন্নতিৰ এক মাত্ৰ কাৰণ তেওঁবিলাকৰ জাতীয় সাহিত্য। এই উদাহৰণ আমাৰ চকুৰ মুখতে পাই আমি অনুকৰণ কৰা উচিত। জাতীয় সাহিত্য বলবান নহলে জাতীয় বল নহব।

এতিয়া সৰ্ব্বশেষত এই একাদশ অধিবেশনৰ সমাপ্তিত মই অতি তৃপ্তিৰে সৈতে সকলোকে সম্ভাষণ জনাইছোঁ। শ্ৰীশ্ৰীযুক্ত দক্ষিণপটীয়া আৰু শ্ৰীশ্ৰীযুক্ত গড়মূৰীয়া গোস্বামী উভয়ৰে এই সভাৰ লগত সহানুভূতি দেখি আনন্দ পাইছোঁ, আশা কৰোঁ শ্ৰীশ্ৰীযুক্ত আউনীআটীয় গোস্বামীয়েও সোনকালে সভাৰ লগত কাৰ্য্যেৰে সহানুভূতি দেখুৱাব। বেঙ্গেনা-আটি কমলাবাৰী আৰু পুৰণিমাটি আদি সত্ৰৰ অধিকাৰসকলৰ পৰাও সাহিত্য সভাই বহুত সাহায্য আশা কৰে। ইয়াত সমবেত মোৰ সমবয়সীয়াসকলক সাদৰ সম্ভাষণ জনাওঁ। ডেকা আৰু লৰাসকলক মই বুঢ়াই আশীৰ্ব্বাদ কৰোঁ—তেওঁবিলাক দীৰ্ঘজীৱি আৰু চিৰঞ্জয়ী হৈ শৌৰ্য্যে বীৰ্য্যে ধনে বিদ্যাই যেন সাহিত্যৰ পৰিপুষ্টি কৰিবলৈ সমৰ্থৱান হয়। আমাৰ আইটীসকলক মই সাহিত্যলৈ আগবাঢ়ি অহা দেখি আৰু তেওঁবিলাকৰ উৎসাহ দেখি সৰল অন্তঃকৰণেৰে আশীৰ্ব্বাদ কৰিছোঁ যেন তেওঁবিলাকৰ গাত লক্ষ্মী আৰু সৰস্বতী দুয়ো বসতি কৰে।

সৰ্ব্বনিয়ন্তা পৰমেশ্বৰক ভক্তি জনাই আকৌ আৰু-বেলিকৈ দুগুণ উৎসাহেৰে অনুষ্ঠানত গোটখাবলৈ পাম বুলি আশা ৰাখি এই সভাৰ কাৰ্য্য সমাপ্ত কৰা হল। পূৰ্ণৰ পৰা অহা পূৰ্ণজ্ঞানেৰে ভৰপূৰ হৈ আমাৰ সাহিত্য পৰিপূৰ্ণ হওক।

—ওঁ পূৰ্ণমদঃ পূৰ্ণমিদং পূৰ্ণাৎ পূৰ্ণমুদচ্যতে॥
পূৰ্ণস্য পূৰ্ণমাদায় পূৰ্ণমেবাবশিষ্যতে॥
ওঁ
শান্তি শান্তি শান্তি

শ্ৰীকমলাকান্ত ভট্টাচাৰ্য্য।

# আদৰণী সমিতিৰ সভাপতিৰ অভিভাষণ।

( একাদশ সাহিত্য সম্মিলন )।

অসম সাহিত্য সভাৰ প্ৰতিনিধিসকল, সমবেত মহিলা-সকল আৰু সমজুৱা বন্ধুসকল—

আজি আপোনালোক আমাৰ দেশৰ অনেক ঠাইৰ পৰা আহি এই যোৰহাটত গোট খাইছেহি ; আপোনালোক সকলোলৈকে আমাৰ আন্তৰিক অভ্যৰ্থনা জনাইছোঁ। আপোনালোকলৈ আগবঢ়াবলৈ আমাৰ আন একো থাকক নেথাকক, ভাইৰ প্ৰতি ভাইৰ সৰল সহজ সহৃদয়তা আৰু আপোনালোকেৰে সৈতে মিলনৰ আনন্দ সম্ভোগৰ নিমিত্তে স্বাভাৱিক হাবিয়াস যে পূৰকৈ আছে, সেইটো নিশ্চয়কৈ জনাইছোঁ। আমাৰ দেশৰ পুৰণি বুৰঞ্জীত যোৰহাটৰ ঠাই ক'ত আপোনালোকেহে তাক ভালকৈ দেখুৱাব পাৰিব ; কিন্তু এইটো আমি ঠিৰাংকৈ গম পাওঁ যে সেই বুৰঞ্জীৰ লগত যোৰহাটৰ নাড়ীৰ সম্পৰ্ক সদায় আছিল। পোন্ধৰ আৰু যোল শতিকাৰ অসমীয়াৰ ধৰ্ম্ম, সাহিত্য আৰু কলাৰ পয়োভৰৰ যুগৰ, ভাৰতবৰ্ষত একপ্ৰকাৰ তুলনা নোহোৱা সৃষ্টি আমাৰ সত্ৰবিলাকৰ এই যোৰহাটো এখন মাজ ঠাই, যি সত্ৰবিলাকে অসমীয়াৰ সমজুৱা আৰু ধৰ্ম্মজীৱনৰ দীঘ-বাণি বৈ আছিছে আৰু লগতে সাহিত্য আৰু গীত নাট আদি সুকুমাৰ কলাৰ ফুল তুলি আহিছে বুলি কলে বোধ কৰোঁ বেচি বঢ়াই কোৱা নহব। ইয়াতে এসময়ত আমাৰ কহাঁৰ কুমাৰৰ কাৰু শিল্পইও পৈণত গঢ় লৈছিল। কিন্তু এইবিলাক প্ৰায় হৈ যোৱা কথা। যেতিয়া পুৰণি অসম বুৰঞ্জীৰ শেহ ছোৱা এই যোৰহাটতেই শেহ পৰে, সৰ্ব্বশেহ অসমীয়া ৰজাই এই দিহৈৰ পাৰতে তেওঁৰ হেংদান শোধাই দিয়ে, আমাৰ দেশৰ বেলি মাৰ যায়,—সেই বেলি-মাৰৰ মাৰ যোৱা ৰশ্মিৰ পোহৰত দেশৰ স্বৰূপ দেখা পোৱা যোৰহাটৰ মনৰ পৰা এতিয়াও মচ খাব নেপাব পায়। যোৰহাটে হয়তো সেই বেলিৰ পোহৰৰ সপোন এতিয়াও দেখে আৰু আকৌ এই দিহৈৰ পাৰতে নতুন বুৰঞ্জীৰ অৰুণোদয় আগবঢ়াই আনিবলৈ কৰযোৰে বাট চায়। হয়তো আজিও আপোনালোকে সেই অৰুণোদয়ৰ আগলি বাতৰিকে আমাৰ মাজলৈ আনিছে। আপোনালোকক সৰ্ব্বান্তঃকৰণে আমাৰ মাজলৈ অভ্যৰ্থনা জনাইছোঁ। আমাৰ আহ্বানৰ আন্তৰিকতালৈ চাই যেন আমাৰ অভ্যৰ্থনাৰ ত্ৰুটী মৰিষণ কৰে।

আজি আপোনালোকক আমাৰ মাজত পাই আমি আপোনালোকৰ বিষয়ে, অৰ্থাৎ আসাম সাহিত্য সভাৰ বিষয়ে কি ভাবোঁ আৰু সেই সভাৰ পৰা আমি কি প্ৰত্যাশা কৰোঁ তাৰ অলপ চমু আভাস দিওঁ। আমাৰ ধাৰণাৰ যি ভুলভ্ৰান্তি আৰু আমাৰ আশাৰ যি ভাগ হবাশা সেই আটাইখিনি আমাৰ নহৈ গাইগুটীয়া ভাৱে মোৰ বুলি বৰ্জ্জন কৰি আৰু গ্ৰহণীয় ভাগটো উমৈহতীয়া ভাৱে সৰ্ব্ব-সাধাৰণৰ বুলি গ্ৰহণ কৰিলেই এইবিষয়ে আমি কবলৈ ওলোৱা সাৰ্থক হব ; কিয়নো, মোৰ নিজা গাইগুটীয়া ভুলভ্ৰান্তিৰ বাবে আপোনাসকলৰ ওচৰত ক্ষমাৰ থল আছে বুলি বিশ্বাস কৰিছোঁ।

আপোনাসকলক কোৱাটো বাহুল্য মাথোন যে সাহিত্য মানুহৰ এটা মহৎ সৃষ্টি। এই সৃষ্টি কথাটো মন কৰিবলগীয়া কিয়নো, সকলো প্ৰাণীৰ ভিতৰত মানুহেইহে মাথোন সৃষ্টিৰ অধিকাৰী। চৰায়ে কুটা কঢ়িয়াই বাঁহ সাজে, উঁই পৰুৱাই মাটি তুলি ডাঙৰ হাঁফলু গঢ়ে, কিন্তু তাক আমি সৃষ্টি কৰা নোবোলো। আন কি মানুহে যেতিয়া শক্তি আৰু উদ্যম খটাই একোখন ৰাজ্য চলায়, বিৰাট বাণিজ্য চলায়, যন্ত্ৰপাতিৰ সহায়েৰে আকাশেদি উৰা মাৰে, টেণাৰৰ মাজেদি পৃথিবীৰ ইমূৰৰ পৰা সিমূৰৰ বাতৰি আনে, তাকো বোধ কৰো আমি সৃষ্টি কৰা নোবোলোঁ। ইফালে কেইটামান ধ্বনি-যুক্ত এধানমান এফাকি যোৱা শুনি, এটুকুৰা কাপোৰত কেইডালমান আঁচ টানি আঁকা এখন পট দেখি বা



শিলাকুটাৰ বটালীৰ কেইটামান কোবত ওলোৱা এটা মূৰ্ত্তি দেখি আমি তাক মানুহৰ সৃষ্টি বুলি কওঁ। এই দুয়োবিধ কাম কোনখিনিত সুকীয়া তাক ফঁহিয়াই চালে দেখা যায় যে বাণিজ্য চলোৱা, অনাতাঁৰৰ বাতৰি অনা-নিয়া আদি কাম মানুহে প্ৰয়োজনৰ হেঁচাত পৰি—লাগিলে খোৱা-পিন্ধাৰ প্ৰয়োজনেই হওক বা নিজৰ বুদ্ধিৰ কৌতূহল চৰিতাৰ্থ কৰাৰ প্ৰয়োজনেই হওক—মানুহৰ মনৰ বা বাহিৰৰ জগতৰ কোনো এক নিয়ম আবিষ্কাৰ কৰি, তাক আয়ত্ত কৰি তাৰ সহায়েৰে কৰা কাম—যাক দেখি আমি আচৰিত মানিম, অবাক হম আৰু সেই কামে আমাৰো প্ৰয়োজন সাধন কৰিলে তাৰ হৈ কৃতজ্ঞ হম। কিন্তু গীত ৰচা, পট আঁকা বা মূৰ্ত্তি গঢ়াত তেনে একো প্ৰয়োজন নেথাকে, সি হলেও হয় নহলেও নাই, বাহিৰৰ কোনো নিয়মৰ, যেনে ছন্দ আৰু ব্যাকৰণ, অঙ্কণ বিদ্যা, স্থপতি বিদ্যাৰ আশ্ৰয় লৈ সি ৰূপ লয় সঁচা কিন্তু তেনে নিয়মত তাৰ জনম নহয় ; তাৰ জনম মানুহৰ আনন্দত, সি আপোনাতে আপুনি সম্পূৰ্ণ, তাৰ দ্বাৰাই মানুহৰ ভোক পিয়াহ নাঁতৰে, দাৰিদ্ৰ্য নুগুচে, দুৰণি বাট চমু নেচাপে কিন্তু তাৰপৰা মানুহে আনন্দ পায়। এই আনন্দ দিব পৰাই মানুহৰ সৃষ্টি শক্তিৰ কষটি শিলা। বিশুদ্ধ সাহিত্যও মানুহৰ এনে লক্ষণৰ এটি সৃষ্টি। এই লগতে আৰু এটা কথা মন কৰিবলগীয়া যে মানুহৰ লগত মানুহৰ সম্পৰ্ক যিমানেই গভীৰ আৰু ব্যাপক হওক লাগিলে, যেতিয়া মানুহে সৃষ্টি কৰে তেতিয়া তেওঁ গাইগুটীয়া ভাৱেইহে কৰে ; কিয়নো, অন্তৰত মানুহ অকলশৰীয়া, ব্যক্তিগত।

যি হেতু সাহিত্য-সৃষ্টি মানুহৰ উমৈহতীয়া কাম নহয়, আমাৰ সাহিত্য সভাৰ কাম সাহিত্য সৃষ্টি হব নোৱাৰে। সাহিত্য সভাৰ কাম নিশ্চয় সাহিত্য সম্পৰ্কীয় কাম আৰু সি যেতিয়া সৃষ্টিমূলক কাম হব নোৱাৰে এইটো ওলাই আছে যে সি মানুহৰ আন বিধ কাম অৰ্থাৎ নিৰ্ম্মাণমূলক কাম হব লাগিব। নিৰ্ম্মাণমূলক কাম বা নিৰ্ম্মিতিৰ মূলত এটা প্ৰয়োজন বা অভাব পূৰণৰ প্ৰতি লক্ষ্য থাকে। তেনে হলে আমাৰ সাহিত্য ক্ষেত্ৰত সেই প্ৰয়োজন বা সেই অভাৱ কি? সেই অভাৱ বোধ কৰো আন একো নহয় মাথোন সাহিত্যৰ অভাৱ বা সাহিত্য সৃষ্টিৰ অভাৱ, আৰু সাহিত্যৰ পৰা যি আনন্দ গ্ৰহণ কৰে তেওঁ বা তেওঁলোকৰ ফালৰ পৰাহে সেই অভাৱ। কথাষাৰ অলপ মুকলিকৈ কবলৈ চোৱা যাওক। কথা উঠিব পাৰে আমাৰ নো বৰ্ত্তমান সাহিত্যৰ অভাৱ কি, অন্ততঃ আমাৰ প্ৰাচীন সাহিত্য অৰ্থাৎ ধৱক শঙ্কৰীযুগৰ সাহিত্য থাকোতে আমাৰ সেই অভাৱ অমূলক। কিন্তু কথাষাৰ গোটেই সঁচা নহয় হবলা। আমাৰ পুৰণি সাহিত্য আৰু নতুন সাহিত্যৰো, সৰু হক ডাঙৰ হক এটা অংশ যে আমাৰ খিলঞ্জীয়া সম্পদ আৰু আনন্দৰ পুংতাত সন্দেহ নাই। কিন্তু মানুহৰ স্বভাৱেই এই যে যি পায়, সেয়ে নাটে ; নতুন নতুনকৈ পাবলৈ আৰু বিচাৰে। তদুপৰি আমাৰ যি পোৱা হল তাক লব পৰা শক্তি বা গ্ৰহণশীলতাৰো হয়তো অভাৱ হব পাৰে। সাহিত্যৰ ক্ষেত্ৰত এনেবিলাক অভাৱৰ হেঁচাত পৰিয়েই মানুহে সাহিত্য সমাজ গঢ়ি মুঠ বান্ধি কাম কৰিবলৈ ওলায়।

ওপৰত আমি মাথোন সৃষ্টিমূলক সাহিত্যৰ কথাহে কৈছোঁ ; কিন্তু সৰ্ব্বসাধাৰণতে আমি সাহিত্যৰ অৰ্থ তাতকৈ অলপ বহল ভাৱেহে প্ৰয়োগ কৰো। সেই বহল অৰ্থত মানুহৰ যিবিলাক চৰ্চ্চাই বিশুদ্ধ সাহিত্যৰ বিকাশত সহায় কৰে আৰু য'ত তেনে সাহিত্যৰ বিকাশৰ নিমিত্তে ঠাই আছে, সেই আটাইবিলাককে তাৰ অন্তৰ্গত ধৰা হয়—যেনে তত্ত্ববিদ্যা, বুৰঞ্জী, ধৰ্ম্মতত্ত্ব, সমাজতত্ত্ব, কলাবিদ্যা ইত্যাদি। আনকি, বিশুদ্ধ বিজ্ঞানো সময়ে সময়ে ইয়াৰ মাজত নোসোমাই নেথাকেহি। এই কথাই ইয়াকেহে দেখুৱায় যে মানুহৰ সুকীয়া সুকীয়া সৃষ্টি আৰু নিৰ্ম্মিতিৰ ক্ষেত্ৰ যিমানেই পৃথক হওক লাগিলে সেই সকলোৰে ভিতৰত এঠাইতে এক মূল ঐক্য আছে। সি যি হওক, ইয়াত উন্মুকিওৱা প্ৰত্যেকটো বিষয়েই ইমান বহল যে তাৰ চৰ্চ্চাত ভালকৈ লাগিবলৈ হলে তাৰ নিমিত্তেই একোদল মানুহ বা একোখন সভাৰ আৱশ্যক। তথাপি আমি কোৱা বিধৰ এখন সাহিত্য সভাৰ কাৰ্য্য-তালিকাত যেতিয়া এইবিলাক বিষয়ৰ চৰ্চ্চাও আহি স্বভাৱতে সোমায়হি, তেতিয়া সভাৰ ঘাই বিষয়ৰ লগত তাৰ সম্পৰ্ক থকা বাবেই আৰু সভাৰ ঘাই উদ্দেশ্য

সাধনত লাগতিয়াল কাৰণেই সেইবিলাকৰ সেই সভাত ঠাই বুলি বুজা যায়।

ইয়াৰ পাচতে সাহিত্যৰ লগত যাৰ এৰা এৰি নোহোৱা সম্পৰ্ক সেই ভাষাৰ কথালৈ অহা যাওক। ভাষা সাহিত্যৰ বাহন আৰু সাহিত্যৰ সংস্পৰ্শত আহিয়েই তাৰ আটাইতকৈ ডাঙৰ সাৰ্থকতা। সাহিত্যৰ লগে লগে তাৰ নতুন সৃষ্টি আৰু বিকাশ; গতিকে আমি ভাষা বুলিলে এই সাহিত্যৰ ভাষাকেহে বুজোঁ। সাহিত্যহীন ভাষা মাথোন দোৱান, তাত সংযম নাই; কিয়নো সংযম সৃষ্টিৰ এটা লক্ষণ মাথোন। ভাষাৰ এই সংযমেই বিশেষকৈ ব্যাকৰণত পৰিণত হৈছে। কিন্তু সাহিত্যৰ বিকাশৰ সম্পৰ্কত এই ব্যাকৰণৰো এটা সীমা আছে— সেই সীমা ছেৰাই গলেই সংযম সংহাৰত পৰিণত হয়গৈ। ভাষাতত্ত্ব ভাষাৰ ক্ৰমপৰিণতিৰ সম্ভেদ লোৱা এটা বিজ্ঞান। ইয়াৰ চৰ্চ্চা বিশেষজ্ঞৰ নিমিত্তে এদনীয়াকৈ নথৈ সাধাৰণ ৰুচিৰে তাত হাত দিবলৈ যোৱাটো নিস্ফল। কিন্তু ভাষাক সম্পূৰ্ণকৈ সাহিত্যৰ কামত লগাবলৈ হলে ভাষাতত্ত্বৰ চৰ্চ্চা নহলে নচলে বুলিব পাৰি। সাহিত্য সভাৰ কামৰ মাজত এনে ভাষা আৰু তাৰ ঠাল-ঠেঙুলিবোৰৰ ঠাই কত তাক নকলেও হব।

ভাষাৰ কথাৰ লগতে আৰু এটাৰ কথা উলিয়াব-লগীয়া হৈছে, কিয়নো সেইটো কথা সাহিত্যিকৰ মেলত সময়ে সময়ে ওলোৱা শুনা যায়। সেইটো কথা হৈছে মৌখিক বা চলিত ভাষা আৰু সাধুভাষা বা পণ্ডিতীয়া ভাষা লৈ—কোনটো সাহিত্যৰ ভাষা হোৱা উচিত? এটাৰ ঠাই সৰ্ব্বসাধাৰণৰ কথাবাৰ্ত্তাত, আনটোৰ ঠাই পণ্ডিতৰ মগজুত। এটা স্বাভাৱিক, ইটো কৃত্ৰিম। এটাত মানুহৰ বোধৰ সম্বন্ধ; আনটোত মানুহৰ বুদ্ধিৰ সম্বন্ধ। এনে অৱস্থাত মনত পেলায় যে কোনটো সাহিত্যৰ ভাষা হব সেইটো সাহিত্য-স্ৰষ্টাই নিজেহে বাছি লব। গতিকে কোনটো-হোৱা-উচিতৰ তৰ্কত নেনামি কোনটো হয় তাৰ চৰ্চ্চাত লাগি থকাইহে সাহিত্য সভাৰ কাম হব লাগে। সেইদৰেই ভাষাৰ কোনো পৰিবৰ্ত্তন ঘটাবলৈ বা আগেয়ে নথকা কোনো শব্দ বা বাক্য ভাষাত সুমুৱাবলৈ এক মাথোন সাহিত্য-স্ৰষ্টাৰেই হে অধিকাৰ আছে যেন লাগে; ভাষাৰ জৈৱিক ৰসায়নৰ প্ৰক্ৰিয়াত সেই পৰিবৰ্ত্তন বা পৰিবৰ্দ্ধন জীণ গৈছে নে নাই চোৱা এয়েহে মাথোন সাহিত্য সভাৰ আলোচ্য। সাহিত্য স্ৰষ্টাক ইমান ক্ষমতা এৰি দিয়াত 'সাহিত্যৰ ৰাষ্ট্ৰত' অৰাজকতা হয় বুলি কাৰো হয়তো আশঙ্কা হব পাৰে। দৰাচলতে সাহিত্য-স্ৰষ্টাক সেই ক্ষমতা কোনেও এৰি দিব নেলাগে, কম বেচি পৰিমাণে সেই জেৱা অধিকাৰ লৈয়েই তেওঁলোকক অহা দেখা যায়। লগতে এইটোও দেখা যায় যে অনেক যত্নেৰে অনেক বুদ্ধিৰে সংগ্ৰহ কৰি অনা সুন্দৰ ভাব প্ৰকাশক শব্দও কোনোবা ভাষাৰ পৰা উফৰি যায়—যাক সাহিত্যই বৰণ কৰে তাকেইহে বৰণ কৰে আৰু সেয়েই ৰৈ যায়। গতিকে ওপৰত কোৱা বিধৰ আশঙ্কা বোধ কৰো অমূলক আৰু এনে বিষয়ত সাহিত্য সভাৰ কৰিবলগীয়া কাম ওপৰৰ কথাৰ পৰাই ওলাই পৰে।

আজি কালিৰ ভাষাৰ মেলত ওলোৱা আৰু এটা কথা হৈছে আমাৰ বৰ্ণমালা আৰু আখৰ-জোটনি লৈ। আমাৰ বৰ্ণমালাত যদি এনে কোনো বৰ্ণ আছে যাৰ দুয়োটাৰ ধ্বনি কাৰ্য্যত অভেদ, তেনেহলে সেই ওপৰঞ্চি বৰ্ণ ব্যৱহাৰৰ পৰা আঁতৰোৱাত ভাষাৰ কতো হৰণ ভগণ হব যেন নেলাগে বৰং তেনে কৰাৰ পৰা ভাষাৰ জঞ্জাল হে কমিব লাগে। অৱশ্যে যদি ভাষাতত্ত্ব বা ভাষাৰ পুৰাতত্ত্বৰ নিমিত্তে তেনে বৰ্ণ ভাষাৰ মাজৰ পৰা আঁতৰাই নি ভাষাৰ যাদুঘৰত থোৱাত কোনো ক্ষতি হয় সি সুকীয়া কথা। সাহিত্য সভাৰ নিৰ্দ্দেশত আৰু বিশেষজ্ঞৰ সহায়ত এই সমস্যাৰ এদিন নিষ্পত্তি হব আৰু বৰ্ণমালাৰ বেমেজালিৰ জেওঁ মৰিব বুলি আশা কৰা যায়।

সাহিত্য সভাৰ কামৰ সম্পৰ্কে আলোচনা কৰোতে জাতীয়তাৰ কথা প্ৰধানকৈ মনলৈ আহে। এই জাতীয়তা শব্দটো আমাৰ ভাষাত এটা নতুন শব্দ যেন লাগে। ইয়াৰ আগতে আমি দেশীয় শব্দৰ দ্বাৰাই এই ভাব প্ৰকাশ কৰিছিলোঁ। হব পাই। জাতীয়তা শব্দৰ দ্বাৰাই আমি কি বুজোঁ এই খিনিতে সেই সম্পৰ্কে কোৱাটো অনাৱশ্যক নহব বোধ কৰোঁ; কিয়নো এটা নতুন শব্দৰ



অৰ্থৰ ধাৰণা সকলোৰে একে নহবও পাৰে। দুটা সুকীয়া মানুহ বা দুটা বেলেগ পৰিয়াল ৰিজাই চালে দেখা যায় যে শৰীৰৰ গঠন, স্বাস্থ্য, মনোবৃত্তি, ৰুচি প্ৰভৃতি তালেমানখিনি কথাত তেওঁলোকৰ ভিতৰত অমিল। সেই দৰে এখন দেশৰ এটা জাতিৰ শাৰীৰিক গঠন, মনোবৃত্তি আদিৰে পৰা আৰম্ভ কৰি তেওঁলোকৰ সকলো প্ৰকাৰ কামৰ আদৰ্শ আৰু প্ৰণালীলৈকে আন এখন দেশৰ এটা জাতিৰ সেইবিলাক বিষয়ৰ লগত অমিল পোৱা যায়। দেশৰ নৈসৰ্গিক অৱস্থা, হাৱা-পানীৰ গুণ আৰু গাইকৈ ইতিহাসৰ ঘটনাৱলীৰ পাকত পৰি সেই দেশৰ অধিবাসীৰ দেহৰ গঠন, মনোবৃত্তি, কামৰ আদৰ্শ আদিয়ে তেওঁলোকৰ পক্ষে নিজা আৰু আন জাতিৰ পক্ষে সুকীয়া এটা গঢ় লয়। উদাহৰণ স্বৰূপে ধৰক, এখন অনুৰ্বৰ দেশত বাস কৰা মানুহ যি নিজৰ জীৱিকাৰ নিমিত্তে অতিপাতকৈ খাটিব লগা হয়, আন এখন শস্যেৰে সেউজীয়া দেশৰ মানুহতকৈ, প্ৰধানকৈ বেচি কাজিলা, কম ভাবপ্ৰৱণ আৰু চিন্তাশীল হয়। এখন বৰ-মাহে দেশৰ বেলিৰ সাত-ৰৰণীয়া ৰহনৰ মাজত পুৰুষানুক্ৰমে বাস কৰোতা মানুহৰ সাজ-পাৰত আৰু চিত্ৰশিল্প আদিত উজ্জ্বল ৰহনৰ প্ৰতি যি স্বাভাৱিক ৰাপ দেখা যায়, বেলিৰ পোহৰ যত চোকা নহয় আৰু গতিকেই ৰঙৰ বিচিত্ৰতা আৰু উজ্জ্বলতা যত কম তেনে দেশৰ মানুহৰ মাজত সেই ৰাপ সেই পৰিমাণে দেখা নেযায়। তেনেকৈ, ইতিহাসৰ ঘটনাচক্ৰত যি দেশলৈ কালে কালে বাজৰ পৰা নতুন নতুন মানুহৰ সমাগম, সেই দেশৰ মানুহৰ নতুন মানুহক সামৰি লব পৰা যি স্বাভাৱিক শক্তিৰ বিকাশ দেখা যায়, এখন পৰ্ব্বতে সাগৰে আৱৰি থাকি বাহিৰৰ মানুহৰ অহ-যাহ বন্ধ কৰা দেশৰ মানুহত সেই শক্তি সেই পৰিমাণে দেখা নেযায়। এইদৰে মন কৰি গলে প্ৰত্যেক দেশৰ লগত প্ৰত্যেক দেশৰ কম বেচি পৰিমাণে কিছুমান বিভিন্নতা ওলাই পৰে যাক বিশিষ্টতা বুলিলেহে বেচি শুদ্ধকৈ প্ৰকাশ কৰা হয়। এনে দেশীয় বিশিষ্টতাইহে এখন দেশৰ মানুহক আন এখন দেশৰ মানুহৰ পৰা সুকীয়া বুলি আৰু এখন দেশৰ গোটেইবিলাক মানুহক এটা

১৮

সুকীয়া জাতৰ বুলি চিনাকি দিয়ে; ভৌগোলিক ব্যৱধানে সেই চিনাকি নিদিয়ে। গতিকে, জাতীয়তা বুলিলেও নিশ্চয় আমি এটা জাতিৰ এনে বিশিষ্টতাকে বুজো যি সেই জাতিৰ জীৱনৰ স্বাভাৱিক অভিব্যক্তি মাথোন। ইয়াক বাহিৰত বিচাৰি হুৰাহুৰা লগাবৰ বা ইয়াক লৈ উত্তেজিত হবৰ কোনো কাৰণ নাই। এইটোও লগতে দেখা যায় যে এই জাতীয়তাৰ বাটেইহে সেই জাতিৰ ক্ৰমবিকাশৰ এক মাথোন বাট; কিয়নো, এইটো এটা নিচেই উজু ওলাই থকা কথা যে মানুহ কেনি আহিল আৰু কোনখিনি পাইছেহি, তাক নেজানিলে কেনি যাব সেইটো নিৰ্ণয় কৰিব পৰা নহয় আৰু বাট হেৰুৱাই অচল হৈ পৰা যায়। বাটৰ ভুল হলেও সেই বাটেদি গৈহে তাক শুধৰাই লব পৰা হয়; তাকে নকৰি নিজৰ বাটৰ আশা এৰি লোকৰ বাটলৈ জাপ মাৰিব খোজাটো অসাধ্য আৰু গতিকে নিষ্ফল। এই নিজৰ বাটেইহে বোধ কৰোঁ গীতাত উল্লেখ কৰা স্বধৰ্ম্ম; ইয়াতে থাকি অচল হৈ পৰাটোও বৰঞ্চ শ্ৰেয়, কিন্তু লোকৰ বাটলৈ চোৱাটো ভয়াবহ। এইটোও মন কৰিবলগীয়া যে জাতীয়তা মাথোন বাটৰ ধৰ্ম্মহে, বাটৰ লক্ষ্য নহয়। যেনেকৈ সকলো বাটেদি ৰম নগৰীলৈ যাব পাৰি, সেইদৰে সকলো জাতীয়তাৰ বাটেই সৰ্ব্বমানৱৰ মিলন-ক্ষেত্ৰলৈ যোৱা বাট; কিয়নো গুৰিতে সকলো মানুহ এক আৰু নানা জাতীয় বিচিত্ৰতা স্বত্বেও মানুহৰ ঐক্য সৰ্ব্বতোভাৱে চৰম। সেই দেখি, এই জাতীয়তাৰ বাট যেনেকৈ বিশিষ্টতাপূৰ্ণ, আন হাতে লক্ষ্যৰ বিষয়ত সকলো জাতীয়তাৰ বাটেই সমধৰ্ম্মী। যি বাটৰ এই লক্ষণ নাই সেই বাট অন্ধগলি; সেই বাটে মানুহ কেনিও আগবাঢ়িব নোৱাৰে, মাথোন পকৰাই পাই ঘূৰিপকি মৰে। এই হেন জাতীয়তাৰ বাট চিনি লোৱাটো যে সাহিত্য সভাৰ কামৰ নিমিত্তে প্ৰধান আৰু প্ৰথম প্ৰয়োজন সেইটো কোৱা সৰহৰ ভাগ।

ওপৰত সাহিত্য সভাৰ কামৰ বিষয়ে আমাৰ কিছুমান ধাৰণাৰ কথা যি কোৱা হল তাৰ পৰাই আমি সাহিত্য সভাৰ পৰা কি বিচাৰো সেইটো একৰকম ওলাই পৰে। আমি বিচৰাৰ দৰেই সাহিত্য সভাই কিছুমান কাম হাতত

লৈ আমাৰ মনত আৰু বেচি আশা সঞ্চাৰ কৰাইছে। কৰিবলগীয়া কাম ইমান সৰহ আৰু সেই কামৰ বাট ইমান মেৰপাকখোৱা যে তালৈ চাই সেইবিলাক কথা ফঁহিয়াই দেখুৱাবলৈ চেষ্টা কৰাটো আৰু তাৰ পুনৰাবৃত্তি কৰাটো বোধ কৰো সমূলি অদৰকাৰী নহয় আৰু সেইগুণে মাৰ্জ্জনীয়ও। ওপৰত সাধাৰণ ভাবে আমাৰ গোটাচেৰেক ধাৰণাৰ কথা কোৱা হল মাথোন; এতিয়া কেইটামান বিশেষ কথালৈ আঙুলিয়াই আমাৰ বক্তব্য শেষ কৰিম।

ভাষাৰ সম্পৰ্কত আমি ভাষাতত্ব আৰু ব্যাকৰণৰ কথা উল্লেখ কৰিছোঁ। এই দুটা সাহিত্য সভাই হাতত লব পৰা নিৰ্ম্মাণ-মূলক কাম। দুয়োটা কামেই বিজ্ঞানৰ অন্তৰ্গত—গতিকে বিশেষজ্ঞৰ গৱেষণাৰ দ্বাৰাহে সেই কাম সুসিদ্ধ হব পাৰিব। সাধাৰণ ৰুচিৰ পৰা ওপজা মতামতৰ দ্বাৰাই নহয়। আমাৰ মাজত যাতে তেনে গৱেষণা হব পাৰে তালৈ সাহিত্য সভাৰ কাণসাৰ হব লাগে আৰু সেইটো হোৱাৰ আগলৈকে তেনে গৱেষণাৰ সজুলি সংগ্ৰহত হাত দিব লাগে। আপোনাসকলে জানেই, অলপ কালৰ ভিতৰতে আমাৰ ভাষাৰ কিছুমান শব্দ, ডুখৰীয়া বাক্য, যোজোনা আৰু বাক্য ৰচাৰ নিয়ম, ব্যৱহাৰৰ পৰা ক্ৰমে লোপ পাইছে। সেইবোৰ এতিয়াই গোটাই নথলে সময়ত তাক বিচাৰি পাবলৈ নাইকিয়া হব।

আমাৰ যি সাহিত্যৰ পৰিচয় নেপাইও আমি গৌৰৱ কৰোঁ তাৰ প্ৰায় গোটেই অংশই ছপাখনাৰ আগৰ যুগত ৰচিত। ইয়াৰ এভাগ মাথোন আমাৰ মাজৰ দুইচাৰিৰ চকুত পৰিছে, ইভাগ ক'ত কেনেকৈ জুহি-পচি গৈছে তাৰ ঠিক নাই। সেই সাহিত্য জীৰ্ণৰূপত অকল বোঁৱা চাঙৰ সাঁচিপাততেই যে আছে এনে নহয়, তাৰে এভাগৰ ঠাই দেশৰ মানুহৰ মাজত—নহগুৱালৰ আৰু গৰখীয়া লৰাৰ মুখে মুখে আৰু গঞা ডেকা-গাভৰুৰ ৰং ধেমালিত। যত্ন কৰি সেইবিলাক পুথি এতিয়াই দোৱা চাঙৰ পৰা উদ্ধাৰ নকৰিলে আৰু এইবিলাক শ্ৰুতি লিপিবদ্ধ নকৰিলে পাচত কৰিবলৈ সময় ওলালেও ঠিক সময় যে পাৰ হৈ যাব সেইটোও ঠিক। অনুসন্ধান সমিতিয়ে এই কাম কিছু দূৰ হাতত লৈছে সঁচা, কিন্তু সাহিত্য সভায়ো তাৰ লগত ঘনিষ্ঠ যোগ ৰাখি একেলগে সেই কামত হাত দিব লাগে; কিয়নো কামটো ডাঙৰ আৰু একে উদ্দেশ্যৰে কাম কৰিব লগা অনেক শাখা সভাৰে গঠিত সাহিত্য সভাৰ হাতো এই বিষয়ত নিচেই চুটি হব নেলাগে। এতিয়া প্ৰথমতে এইটোহে চাব লাগে যাতে সাহিত্যৰ এই লুপ্ত প্ৰায় অংশটো নিৰপেক্ষভাৱে সংগৃহীত হৈ কালৰ কবলৰ পৰা ৰক্ষা পৰে। আপেক্ষিক বিচাৰ কৰি, সেইবিলাক সম্পাদন কৰি বা তাৰ সুচল নহলে যথা দৃষ্টং তথা লিখিতং ভাবেই প্ৰকাশ কৰি প্ৰচাৰ কৰাও এটা আৱশ্যকীয় কাম আৰু তাৰ নিমিত্তে সময় সদায় ওলাব। এই লগতে সাহিত্য সম্পৰ্কীয় বিষয়বিলাকৰো, যথা বুৰঞ্জী, ধৰ্ম্ম আৰু সমাজনীতি, শিল্পকলা আদিৰ তথ্য আৰু তত্ব উদ্ধাৰৰ কামো সেই প্ৰনালীতে অৰ্থাৎ পোনতে সংগ্ৰহ আৰু পাচত ক্ৰমে প্ৰচাৰ আৰু আলোচনা হব লাগে; কিয়নো এইবিলাকৰ অবিহনে সাহিত্যৰ কাম অসম্পূৰ্ণ নহৈ নোৱাৰে।

এইবিলাকৰ স্বত্বেও, সাহিত্য সভা মাথোন পুৰণা তথ্য অনুসন্ধানী সমিতি নহয়—ইয়াৰ জীৱন্ত সম্পৰ্ক বৰ্ত্তমানৰ লগতহে। বৰ্ত্তমান কালৰ কথালৈ আহিলে আমাৰ সাহিত্য ক্ষেত্ৰৰ যিটো কথা চকুত বৰকৈ পৰে সেইটো হৈছে আমাৰ বৰ্ত্তমান সাহিত্যৰ ভাল, বেয়া, মধ্যমীয়া গুণা গুণ নহয়, কিন্তু যিটো আমাৰ নিজৰ নহয়, এনে এটা বিজতৰীয়া লক্ষণ। নকলেও হব, এই লক্ষণটো আমাৰ ওচৰ-চুবুৰীয়া আধুনিক বঙলা সাহিত্যৰ দুমণীয় প্ৰভাৱৰ বাহিৰে আন একো নহয়। ওপৰে ওপৰে চালে এনেকুৱা লাগে যে আধুনিক বঙলা সাহিত্য বেচিকৈ পঢ়াৰ ফলত আমাৰ এনে দশা হৈছে। আধুনিক বঙলা সাহিত্যৰ শ্ৰেষ্ঠ অংশটোৰ আমিয়েই আটাইতকৈ ডাঙৰ "সমজদাৰ" বুলি ভাবিবৰ কোনো কাৰণ নেদেখো অথচ তাৰ আদৰ সকলো জাতিৰ ভিতৰতে হৈছে আৰু হব। কিন্তু ক'তা, সেইবিলাক জাতিতো আমাৰ দৰে বাবে-বঙলুৱা হৈ পৰা নাই। আচল কথা, আমি মুখেৰে যিমানেই জাতীয়তাৰ কথা নকও লাগিলে, প্ৰকৃততে আমি আমাৰ জাতীয়তাৰ বাট চিনিব নোৱাৰি অচল হৈ পৰিছোঁ, যি অৱস্থাত বাহিৰৰ পৰা অহা ভাল বেয়া কোনো প্ৰভাৱেই আমাৰ পক্ষে উপদ্ৰৱ আৰু অমঙ্গলৰ



হেতু নহৈ নোৱাৰে। সাহিত্য সভাৰ চেষ্টাত যেতিয়া আমাৰ অনেক কলীয়া আপোন বাট ফট্‌ফটীয়া হৈ সকলোৰে চকুত ওলাই পৰিব—তেতিয়াই আমাৰ মানুহে নিজৰ বাটত নিজৰ শক্তি অনুসৰি আগবাঢ়িবলৈ ধৰিব আৰু এই পৰমুখাপেক্ষিতাৰ অধীনতাৰ দুৰ্গতিৰো ওৰ পৰিব। তাকে নকৰি এই দুৰ্গতিৰ কাৰণ বাহিৰত বিচাৰিবলৈ গলে আমি ভুল কৰিম। বঙলা সাহিত্য বা আন কোনো সাহিত্য বৰ্জন কৰিবলৈ গলে আমি মাথোন বঞ্চিত হম। এই প্ৰসঙ্গতে আৰু এটাৰ কথা উনুকিয়াব লগীয়া। বৰ্ত্তমান কালত বেলেগ বেলেগ জাতিক আগৰ কালৰ দৰে সাগৰ-পৰ্ব্বতে বিভক্ত কৰি থোৱা নাই; সকলো জাতি ওচৰ চাপি আহিল। কোনো এক সাহিত্যৰ যে নিজৰ দেশতেই কেৱল সাৰ্থকতা নাই, সকলো জাতিৰ সাহিত্যৰ লগভাগ হৈহে তাৰ সাৰ্থকতা, সেই কথা জাৰ্ম্মান কবি গেটেৰ পৰা আৰম্ভ কৰি এতিয়াৰ আৰু কোনো মানুহৰ বুজিবলৈ বাকী নাই। সকলো জাতিৰ সাহিত্যৰ লগত সম্বন্ধ নেৰাখিলে আমাৰ আদৰ্শ খৰ্ব্ব নহৈ নোৱাৰে। যাতে সকলো জাতিৰ শ্ৰেষ্ঠ সাহিত্যৰ লগত আমাৰ চিনাকি হয় তাৰ দিহা কৰিবলৈ সাহিত্য সভাই নিশ্চয় চাব পাৰে। বিদেশী ভাষাৰ সৰ্ব্ববাদিসম্মত শ্ৰেষ্ঠ সাহিত্যৰ পুথিবিলাক আমাৰ ভাষালৈ ভাঙি প্ৰকাশ কৰিব পাৰিলে নিজৰ ভাষাৰ মৌলিক তৃতীয় চতুৰ্থ শ্ৰেণীৰ পুথিৰ প্ৰচাৰকতকৈ সি অনেক বেচি গুণ দিব।

এই সকলো বিলাক কৰা হলেই নিশ্চয় এদিন আমাৰ মাজতো আকৌ সাহিত্য সৃষ্টিৰ পূৰ্ণ বিকাশ হব আৰু সেই সৃষ্টিৰ আনন্দত দেশ আপ্লুত হব, ধন্য হব। এই আশা মনত লৈয়েই আপোনাসকল দেশৰ আহ্বান শুনি সাহিত্য সভাৰ কামত লাগিছেহি, আপোনাসকলক আমাৰ অন্তঃকৰণৰ সৰল অভ্যৰ্থনা জনাইছোঁ। আমাৰ আন্তৰিকতালৈ চকু ৰাখি অভ্যৰ্থনাৰ ৰঢ়া-টুটা দোষ এৰি আপোনাসকলে আপোনাসকলৰ কামত আগ বাঢ়ক। আৰু যি দেৱতাই বহুৰ মাজত এক হৈ নিহিত আছে তেওঁ আমাৰ সকলোকে শুভ বুদ্ধি সংযুক্ত কৰক—এই প্ৰাৰ্থনা।

শ্ৰীশিৱপ্ৰসাদ বৰুৱা।

---

# সন্মিলনৰ প্ৰস্তাৱসমূহ।

১। আমাৰ মহামান্য আৰু লোকপ্ৰিয় সম্ৰাট পঞ্চম জৰ্জ্জৰ ৰোগমুক্তিৰ কাৰণে এই সন্মিলনে আনন্দ প্ৰকাশ কৰিছে আৰু এই সুবিস্তীৰ্ণ সাম্ৰাজ্য সুদীৰ্ঘ কাললৈকে সুশাসন কৰিবৰ নিমিত্তে যেন তেখেতক জগদীশ্বৰে পূৰ্ণ-স্বাস্থ্য আৰু দীৰ্ঘ-জীৱন দিয়ে তাকে সৰল চিত্তেৰে প্ৰাৰ্থনা কৰিছে।

সভাপতি

২। (ক) যি গৰাকী সম্মানিতা আইৰ নামত কমলা-দেৱী। শিশুসাহিত্যৰ পুঁজি প্ৰতিষ্ঠিত হৈছে, সেই অসমীয়া মহিলাৰ আৰ্হি স্বৰূপা মাননীয়া ৺কমলা দেৱীৰ মৃত্যুত এই সন্মিলনে শোকপ্ৰকাশ কৰিছে; আৰু তেখেতৰ আত্মাৰ সদ্গতি কামনা কৰাৰ লগে লগে, তেখেতৰ সুযোগ্য পুত্ৰ, সাহিত্য সভাৰ অন্যতম পৃষ্ঠপোষক শ্ৰীযুত ৰাধানাথ গোস্বামী মহোদয়লৈ আৰু পৰিবাৰভুক্ত অন্যান্য পুত্ৰ পৌত্ৰ সকলোলৈকে সহানুভূতি জনাইছে।

সভাপতি।

(খ) যি জন দেশহিতৈষী কৃতী পুৰুষে আজীৱন যত্নৰ দ্বাৰাই মাতৃ ভাষাৰ উন্নতি বিধানৰ অৰ্থে অহোপুৰুষাৰ্থ কৰিছিল; যাৰ অধ্যৱসায়ৰ ফলত অসমীয়া ভাষাৰ গুৰিয়াল চিৰস্মৰণীয় হেমচন্দ্ৰ বৰুৱাৰ কীৰ্ত্তিস্তম্ভ হেমকোষ প্ৰকাশিত হৈছিল; যাৰ অক্লান্ত পৰিশ্ৰমৰ ফলত কথা-

গীতা, কথা-ভাগৱত পুৰণি অসমৰ বুৰঞ্জী আৰু অসমীয়া সাহিত্যৰ চানেকি আদি প্ৰকাশিত হৈছিল; কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া ভাষাৰ নিগাজি আৰু স্বাধীন স্থান নিৰূপণৰ নিমিত্তে যিজনে তেখেতৰ সমসাময়িক সাহিত্যিকসকলৰ লগত অকৃত্ৰিম চেষ্টা কৰিছিল; কামৰূপ অনুসন্ধান সমিতিৰ এজন উদ্যোগী প্ৰতিষ্ঠাতা স্বৰূপে যিজনে আসামৰ সম্পৰ্কে অসমীয়াৰ মাজত প্ৰাচীন তথ্যানুসন্ধানৰ পথ নিৰ্দ্দেশ কৰিছিল; আৰু এই আসাম সাহিত্য সভাৰ চতুৰ্থ বাৰ্ষিক সন্মিলনৰ সভাপতি স্বৰূপে যিজনে অসমীয়া সাহিত্যিকসকলৰ সন্মান লাভ কৰিছিল; সেইজন অসমীয়া ডাঙৰীয়া মাতৃ-ভাষাৰ সুযোগ্য সেৱক স্বৰ্গীয় পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ আকস্মিক মৃত্যুত এই সভাই গভীৰ শোক প্ৰকাশ কৰিছে, আৰু তেখেতৰ সন্তপ্ত পৰিয়াললৈ সহানুভূতি জনোৱাৰ লগে লগে মৃতকৰ আত্মাৰ সদ্গতি কামনা কৰিছে।

সভাপতি।

(গ) অসমীয়া মহিলাসকলৰ মাজত উচ্চ-শিক্ষা লাভ কৰি যি আদৰ্শস্বৰূপা হৈছিল; যি এখন কলেজৰ মহিলা অধ্যক্ষা স্বৰূপে অসমীয়া তিৰোতাৰ গৌৰৱ বঢ়াব পাৰিছিল; আৰু ভাৰতীয় মহিলাসকলৰ ভিতৰত শিক্ষা বিস্তাৰৰ নিমিত্তেই যি নিজৰ জীৱন উছৰ্গা কৰিছিল; সেই বিদুষী প্ৰথম অসমীয়া মহিলা গ্ৰেজুৱেট স্বৰ্গীয় সুধালতা দুৱৰাৰ আকস্মিক আৰু অকাল মৃত্যুত এই সন্মিলনে গভীৰ শোক প্ৰকাশ কৰিছে আৰু তেওঁৰ পিতাদেৱেক এই সভাৰ অন্যতম সভ্য শ্ৰীযুত ৰমাকান্ত বৰ কাকতী ডাঙৰীয়াৰ শোকত সহানুভূতি জনাইছে।

সভাপতি।

(ঘ) উজুকবিতা আদি শিশু পাঠ্য পুথিৰ লব্ধ-প্ৰতিষ্ঠ লিখক, স্বদেশ আৰু মাতৃ ভাষানুৰাগী উদ্যমী আৰু কৃতী পুৰুষ ৺দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ মৃত্যুত এই সন্মিলনে শোক প্ৰকাশ কৰিছে, তেখেতৰ শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে আৰু জগদী-শ্বৰৰ চৰণত তেখেতৰ আত্মাৰ সদ্গতিৰ অৰ্থে প্ৰাৰ্থনা জনাইছে।

সভাপতি।

(ঙ) চন্দ্ৰকান্ত অভিধানৰ ভূতপূৰ্ব্ব সহকাৰী সংগ্ৰাহক ৺কন্দ্ৰকান্ত গোস্বামীৰ মৃত্যুত এই সন্মিলনে অতিশয় বেজাৰ প্ৰকাশ কৰিছে আৰু তেখেতৰ আত্মাৰ সদ্গতি কামনা কৰাৰ লগে লগে তেখেতৰ পৰিবাৰবৰ্গলৈ এই সন্মিলনৰ সহানুভূতি জনোৱা হৈছে।

সভাপতি।

(চ) অসমীয়াৰ মাজত স্ত্ৰী-শিক্ষা প্ৰচাৰ কাৰ্য্যৰ নিমিত্তে চিৰজীৱন যত্নশীলা অসমীয়া মহিলাসকলৰ আদিস্বৰূপা বিদুষী পদ্মাৱতী দেবী ফুকননীৰ মৃত্যুত এই সন্মিলনে আন্তৰিক বেজাৰ পাইছে আৰু তেখেতৰ মৃত্যুত সন্তপ্ত লোকসকলৰ লগত সহানুভূতি জনোৱাৰ লগতে তেখেতৰ আত্মাৰ সদ্গতিৰ অৰ্থে জগদীশ্বৰৰ চৰণত প্ৰাৰ্থনা জনাইছে।

সভাপতি।

(ছ) তৰুণ ভাৰতৰ নতুন জাগৰণৰ নিমিত্তে চিৰ-জীৱন অক্লান্ত কৰ্ম্মী, দয়ানন্দ ইংৰাজী বৈদীক বিদ্যালয়ৰ অন্যতম উদ্যোগী গুৰিয়াল, বাতৰি কাকতৰ জৰিয়তে ভাৰতবাসীৰ মাজত প্ৰজ্ঞাৰ শিক্ষাবিস্তাৰৰ নিমিত্তে আজীৱন যত্নশীল পঞ্জাব-কেশৰী লালা লাজপত ৰায়ৰ মৃত্যুত তেখেতৰ সন্তপ্ত পৰিবাৰবৰ্গলৈ এই সন্মিলনে সমবেদনা জনাইছে আৰু তেখেতৰ আত্মাৰ সদ্গতি কামনা কৰি ভগৱন্তৰ চৰণত প্ৰাৰ্থনা জনাইছে।

সভাপতি।

৩। আসামৰ গৱৰ্ণৰ মাননীয় চাৰ লৌৰি হেমণ্ড বাহাদুৰে নগাঁৱৰ নতুন অধিবাসী মৈমনচিঙীয়া প্ৰজাসকলৰ অভিনন্দন পত্ৰৰ সমিধানত উক্ত প্ৰজাসকলক অসমীয়া ভাষা গ্ৰহণ কৰিবলৈ আৰু তেওঁলোকৰ মাজত অসমীয়া ভাষা প্ৰচলন কৰিবলৈ উদগনি দিয়াৰ বাবে অসম সাহিত্য সন্মিলনে তেখেতৰ প্ৰতি কৃতজ্ঞতা জনাইছে।



মোৰ নাম শুনিছিল, আপোনালোকৰ বহুতে মোক চকুৰে দেখা নাছিল। আপোনালোকে মোক বিজ্ঞ বুলি ভাবিছিল। মইও "দূৰতঃ শোভতে" হৈ আত্মতৃপ্তি লাভ কৰিছিলো। মোৰ সৌভাগ্যৰ বা দুৰ্ভাগ্যৰ ফলত আপোনালোকৰ আগত মুখব্যাদান কৰিব লগাত, মই যি-খিনি বিদ্যা বুদ্ধি গুপ্ত কৰি ৰাখিছিলোঁ তাক আজি আপোনালোকৰ আগত মুক্ত কৰিব লগাত পৰিলোঁ। আপোনালোকে জানে মই ধুবুৰীৰপৰা আহিছোঁ। ধোবা বুড়ীৰ পৰা ধুবুৰী নাম হৈছে। এনেকুৱা ঠাইৰ মানুহৰ পৰা আপোনালোকে কি আশা কৰিব পাৰে? মোৰ ভাষাত ওজস্বিতা নাই; মোৰ কথাত সুন্দৰ ঝঙ্কাৰ নাই; মোৰ সুৰত মূৰ্চ্ছনা নাই, মোৰ [illegible] নাই; মোৰ বৰ্ণনাত কাব্য নাই। মই যি কামধেনু "[illegible] তিষ্ঠন্তি," "[illegible] পুৰুষা [illegible]" [illegible] মোৰ [illegible] মোৰ [illegible] ইতিহাস [illegible] মোৰ [illegible] আপোনালোকে [illegible] মোৰ [illegible] আপোনালোকক ইতিহাস [illegible] মই [illegible] এখন ইতিহাস আছে। মই [illegible] ; এই অসমখন ভাৰতৰ ভিতৰত; এই ভাৰতখন পৃথিৱীৰ ভিতৰত; এই পৃথিৱীখন বিশ্বৰ মাজত; এই বিশ্ব এখন ইতিহাস। ইতিহাস এৰি কোনো বস্তু পদাৰ্থ নাই। মই কি কৈছোঁ জানিব খোজাইলে মোৰ ইতিহাসখন আৰু মই কি দেশত জন্মিছোঁ তাৰ ইতি-হাস জানিব লাগিব। ইতিহাস কি? ইতিহাস অকল ঘটনাৱলীৰ বিবৃতি নহয়। ইতিহাসত উত্থান পতন, জনম মৰণ, জ্যোতি আন্দোলন অনুভূতি, মানুহৰ কিম্বা জাতিৰ কিম্বা দেশৰ থাকিব লাগিব। আজি যদি কোনোৱে অসম দেশৰ এখন ইতিহাস লিখিব খোজে তেনেহলে তেওঁ অকল এখন অসমৰ ৰাজনামা লিখিলে তেওঁৰ দায়ীত্বৰ সমাধান নহয়। অসমৰ ইতিহাস ভাৰতৰ ইতিহাস। অসমৰ লগত ভাৰতৰ আন আন ঠাই বৈদিক যুগৰ পৰা ইমান পৰোক্ষ সম্বন্ধে বদ্ধ যে অসমক এৰি ভাৰতৰ ইতিহাস থিয় হৈ থাকিব নোৱাৰে। কোনো কোনো পাশ্চাত্য পণ্ডিতৰ মতে ভাৰতৰ শৃঙ্খলাবদ্ধ ইতিহাস নাই। মই ডাঠি কব পাৰোঁ তেওঁলোকৰ ধাৰণা ভ্ৰান্তি-মূলক। আমি বৈদিক যুগৰে পৰা দেখোঁ ভাৰতৰ বেদ ইতিহাস। পৌৰাণিক যুগৰ ইতিহাস পুৰাণ। ৰামায়ন মহাভাৰত, কথকতা, ভাগৱত, গীতা, নামঘোষা আৰু আন আন ধৰ্ম্মগ্ৰন্থ, সাহিত্য, কাব্য, পদাৱলী এইবিলাক আমাৰ জাতিৰ ইতিহাস। এইবিলাক পাঠ কৰিলে আমি পাওঁ যে জাতিৰ ইতিহাস এক নিৰৱচ্ছিন্ন শৃঙ্খলা। সভ্যতাৰ লগত [illegible] ধৰ্ম্মৰ লগত ধৰ্ম্মৰ আৰু শিল্প বাণিজ্যৰ লগত শিল্প বাণিজ্যৰ [illegible] আৰ্য্যজাতি [illegible] উত্তৰ-পশ্চিম [illegible] উত্তৰ-পূৰ্ব্ব [illegible] ভাৰতত প্ৰবেশ কৰিছিল [illegible] অনাৰ্য্য সভ্যতাক [illegible] সভ্যতাৰ [illegible] মুছলমান সম্প্ৰদায় [illegible] প্ৰচাৰ কৰিবৰ নিমিত্তে ভাৰতত [illegible] আমাৰ [illegible] শিক্ষা [illegible] কৰিবৰ নিমিত্তে ভাৰতত প্ৰবেশ কৰিছিল [illegible] এই শিল্প বাণিজ্যৰ [illegible] চলি আছে [illegible] আমি অসমৰ [illegible] আমি [illegible] দেখিবলৈ [illegible] লগত [illegible] সেই [illegible] শিল্প বাণিজ্যৰ [illegible] বাণিজ্যৰ [illegible] অসমীয়া [illegible] উঠা নাই। [illegible] নিশাস্বৰূপত [illegible] অসমৰ [illegible] চিৰ [illegible] অসমক [illegible] এখন [illegible] ভাৰত বুলিব পাৰোঁ। ইয়াত উচ্চ পৰ্ব্বত শ্ৰেণী আছে, ইয়াত [illegible] পৰিপ্লুত [illegible] নদী আছে, [illegible] পশু-পক্ষী-কীট-পতঙ্গ [illegible] আছে, [illegible] সুসজ্জিত নগৰো আছে। অসমত—"সুজলা সুফলা



Numbering Error

শস্যশ্যামলা" মাটিও আছে আৰু শস্যহীন অনুৰ্ব্বৰ ব্ৰহ্মপুত্ৰৰ শিকতাময় দাঁতিও আছে। অসমৰ পণ্য, শিল্প, অসমৰ কাৰুকাৰ্য্য জগতত অবিদিত নহয়। অসমৰ শৌৰ্য্য-বীৰ্য্যৰ কথাও এদিন সমগ্ৰ জগত ব্যাপ্ত হৈ পৰিছিল। অসমৰ উত্থান আৰু পতন ভাৰতৰ উত্থান আৰু পতনৰ লগত এক সূত্ৰত গঠিত হৈ আছে। অসমৰ চান্দ সদাগৰৰ বাণিজ্য-পোত এদিন অসমৰ সন্তাৰ লৈ ভাৰতৰ বহিৰ্দেশলৈ গৈছিল। অসমৰ জ্ঞান-জ্যোতি এদিন প্ৰাগ্‌জ্যোতিষ নামেৰে খ্যাত আছিল। যেতিয়া অঙ্গ, বঙ্গ, কলিঙ্গ, মগধলৈ তীৰ্থ ভিন্ন যাবৰ নিষিদ্ধ আছিল, তেতিয়া প্ৰাগ্‌জ্যোতিষৰ জ্যোতিয়ে গোটেই ভাৰতক মুগ্ধ কৰিছিল। তাৰ আগৰে পৰা অসম আৰ্য্য বাসভূমি আছিল। তেতিয়া অসমত কৃষ্ণসাৰ মনৰ সুখেৰে বিচৰণ কৰিছিল। আৰব উপত্যকাৰ ভীষ্মক ৰজাৰ কৌণ্ডিল্য নগৰে, কামৰূপৰ বশিষ্ঠাশ্ৰমে, নৱগ্ৰহ পাহাৰে জগতৰ আগত তাৰ সাক্ষ্য দিব লাগিছে। অসমৰ নদী, অসমৰ পাহাড়, অসমৰ গছ, অসমৰ লতা, অসমৰ বন, অসমৰ পুখুৰী, অসমৰ বাট, অসমৰ ঘাট, অসমৰ মন্দিৰ এই সকলোবিলাকে অসমৰ অতীত ইতিহাসৰ গীত গাব লাগিছে। শদিয়াৰপৰা ধুবুৰীলৈকে এনে এডোখৰ ঠাই নাই য'ত থিয় হ'লে অসমৰ অতীত গৌৰব অসম মাতৃৰ মহিমামণ্ডিত মূৰ্ত্তি অসমীয়াৰ মনত জাগৰণ নহয়! সি ইতিহাস—ইতিহাস নহলে অতীত গৌৰব জগাব নোৱাৰে। আজিও মনত পৰিলে চকুলো ওলায়, যি অসম মাতৃৰ বীৰপুত্ৰগণে এদিন সমগ্ৰ আৰ্য্যাবৰ্ত্ত বীৰ দৰ্পেৰে মন্থন কৰিছিল, আজি তেওঁলোকসকলৰ বংশধৰসকল বিদেশী বস্ত্ৰে সজ্জিত হৈ চিগাৰেটৰ ধোঁৱাৰে নিজক আৱৰণ কৰি কানিৰ কুহেলিকাত বুৰ গৈ মনৰ হেপাহেৰে তৃপ্তি লভিছে। আজি যদি অসমীয়াই অসমৰ প্ৰকৃত ইতিহাস পঢ়িলেহেতেন তেনেহলে আজি অসমীয়াৰ এনে দুৰ্দ্দশা নহয়, অসম মাতৃৰ ম্লান কান্তি উজ্জ্বল হ'লহেতেন। যি দেশত ভগদত্ত ৰজা আছিল, যি দেশৰ ৰজাৰ লগত ভগৱান শ্ৰীকৃষ্ণ বৈবাহিক সূত্ৰেৰে আবদ্ধ হৈছিল, যি দেশত চিলাৰায়, গদাপাণি আদি বীৰ পুৰুষসকলে জন্ম গ্ৰহণ কৰিছিল, ৰাণী জয়মতীৰ নিচিনা সাধ্বী আছিল, যি দেশত শঙ্কৰদেৱৰ ধৰ্ম্মধ্বজাই অজ্ঞান আন্ধাৰ দূৰ কৰিছিল, যি দেশ লাচিত ফুকন উপজিছিল, যি দেশৰ ইতিহাস পঢ়িলে গা ৰোমাঞ্চিত হৈ উঠে, বুকু অসীম তেজেৰে ভৰি উঠে, অসম মাতৃৰ মুখত হাঁহি স্ফুৰিত হয়, আমি এনে দেশত উপজিছোঁ, আমি এনে বংশৰ সন্তান, আমি এনে দেশত উৎপন্ন শস্য খাইছোঁ, আমি এনে দেশৰ ইতিহাস পঢ়িছোঁ। আমাৰ লাজ নাইনে যে আজি জাগৰণৰ দিনত আমি কানি খাই শুই থাকিম, আমি চেলেউ হুপি নদিয়া অসম মাতৃৰ বুকৰ পৰা ৰক্তৰ নিচিনা লাখ লাখ টকা উলিয়াই আনি জুই লগাই ভস্ম কৰিম? অসমৰ কৃষ্ণজাত শিল্পৰ মুৰত কোব মাৰি দৰিদ্ৰা অসম মাতৃৰ শোণিতৰ পৰা ওপজা টকাৰে বিদেশী শিল্পীক প্ৰশ্ৰয় দি অসম মাতৃৰ দৰিদ্ৰতাক ঘনীভূত কৰিম? যদি অসমৰ এখন ভাল ইতিহাস থাকিলহেতেন, যদি অসমত তাৰ ইতিহাস জনা মানুহ থাকিলহেতেন, যদি অসমত ইতিহাস শুনাবৰ মানুহ থাকিলহেতেন, আজি অসমৰ অসমবাসীৰ এনে দশা নহলহেতেন। আজি অসমৰ কোনেও কানীয়া নাম নিদিলেহেতেন। ইতিহাস নোহোৱাৰ গতিকে প্ৰতি ঘৰত শিক্ষাৰ আভাৱ হোৱাত আজি অসমীয়াৰ বুকত তেজ নাই, বাহুত শক্তি নাই, মনত উৎসাহ নাই। অসমবাসী আজি টোপনিত পৰি আছে।

আপোনালোকে জানে ইতিহাসে পুনৰাবৃত্তি কৰে (History repeats itself) অসমত পুনৰাবৃত্তি আৰম্ভণ হৈছে। অসমৰ পুৰণি সভ্যতা, পুৰণি ভাব, পুৰণি তেজে আজি গা জোকাৰিছে। অসমৰ আজি মনত পৰিছে অসম এদিন আৰ্য্যাবৰ্ত্তৰ অন্তৰ্গত আছিল, দেৱগণৰ লীলাভূমি আছিল। আহক আজি ইয়াত গোটখাই সকলোৱে প্ৰতিজ্ঞা কৰোঁ যে অসমৰ প্ৰকৃত ইতিহাস উদ্ধাৰ কৰি, অতীত গৌৰব স্মৰণ কৰি জাতীয় উত্থানত সহায় কৰোঁ। *

শ্ৰী প্ৰমথনাথ চক্ৰৱৰ্ত্তী।

*এই প্ৰবন্ধৰ আৰম্ভনতে, "মহতী" আৰু "সভাপতিৰ", এই দুটা শব্দৰ মাজত, "সভাৰ" এই শব্দটো ছপাৰ ভুলত পৰি গৈছে।
—সম্পাদক।

# আসাম-সাহিত্য-সভাৰ একাদশ বাৰ্ষিক কাৰ্য্য-বিবৰণী।

ওঁ অচিন্ত্যাব্যক্তৰূপায় নিৰ্গুণায় গুনাত্মনে।
সমস্ত জগদাধাৰ বিৰূপে পৰমাত্মনে॥

১। নিৰঞ্জন কৰুণাময় জগদীশ্বৰৰ কৃপাত আজি আমাৰ আদৰৰ জাতীয় সম্পদ আসাম-সাহিত্য-সভাৰ একাদশ বছৰ পূৰ হৈছে, সেই ভগৱন্তৰ শ্ৰীপাদ-

আৰম্ভণ

পদ্মত অসংখ্য প্ৰণতি জনাই যোৱা বছৰৰ কাৰ্য্য-বিবৰণী আপোনালোকক শুনাবলৈ আগ বাঢ়িছো। আমাৰ অজ্ঞতাবশতঃ কোনো অজানিত দোষ বা ত্ৰুটীৰ বাবে আপোনালোকৰ ক্ষমা মাগিছো।

২। যোৱা বছৰৰ শাৰদীয়া পূজাৰ বন্ধত গোৱাল-পাৰা নগৰত এই সভাৰ দশম সন্মিলন সুচাৰু ৰূপেৰে সম্পন্ন হৈছিল; আপো-

একাদশ সন্মিলনৰ কেন্দ্ৰ পৰিবৰ্ত্তন

নালোকৰ অনেকৰ জনা আছে যে সেই সন্মিলনতে এই একাদশ সন্মিলন গোৱালপাৰা জিলাৰ অন্যতম অংশ কোকৰাঝাৰত পাতিবলৈ নিমন্ত্ৰিত হৈছিল; আৰু উপস্থিত প্ৰতিনিধিবৰ্গই সেই জিলাতে পুনৰ সাহিত্য-সন্মিলন পাতিবলৈ পোৱাৰ আশাত আনন্দিত হৈ কোকৰাঝাৰবাসীৰ নিমন্ত্ৰণ অতি আদৰেৰে গ্ৰহণ কৰিছিল। নানান অযোগীয়া কাৰণবশতঃ যোৱা পূজাৰ বন্ধত কোকৰাঝাৰত সন্মিলন পতাৰ আশা এৰি দি অন্য ঠাইত পাতিবৰ বন্দবস্ত কৰিবলৈ কাৰ্য্যনিৰ্ব্বাহক সমিতি বাধ্য হৈছিল। তাৰ পিচত কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ আদেশমতে যোৰহাটৰ বাহিৰে অন্য কোনো কোনো ঠাইত সন্মিলন পাতিবলৈ আমি যত্ন কৰিছিলো; কিন্তু আমাৰ যত্ন সফল নোহোৱাৰ বাবে আসাম সাহিত্য সভাৰ কেন্দ্ৰ স্থল এই যোৰহাটতে এই সন্মিলন পাতিবলৈ মীমাংসা কৰা হল। এইটো সুযোগতে আপোনালোকক আদৰিবলৈ পাই আমি কৃতাৰ্থ মানিছো আৰু আমাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিও গৌৰৱান্বিত হৈছে।

৩। যোৱা গোৱালপাৰা সন্মিলনত নিযুক্ত হোৱা কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ ১৫ খন সাধাৰণ অধিবেশন হৈছিল, আৰু ইয়াৰ ভিতৰত ৩ খন

কাৰ্য্য-নিৰ্ব্বাহক সমিতি অধিবেশন নিৰূপিত সভ্য সমষ্টিৰ অভাৱত স্থগিত হৈছিল; ইয়াৰ উপৰিও ৺পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ মৃত্যু উপলক্ষে এখনি বিশেষ অধিবেশন পতা হৈছিল। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্যসকলৰ ভিতৰত শ্ৰীযুত বিষ্ণুপ্ৰসাদ দুৱৰা ডাঙৰীয়া বাহ্য-কাৰ্য্যৰ নিমিত্তে স্থানান্তৰিত হোৱা বাবে তেওঁৰ ঠাইত শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱক এই সমিতিত ভুক্ত কৰা হল। চন্দ্ৰকান্ত অভিধান সঙ্কলন কাৰ্য্যৰ নিমিত্তে শ্ৰীযুত দেৱানন্দ ভৰালী ডাঙৰীয়াক নিযুক্ত কৰিব লগীয়া হোৱা বাবে তেওঁৰ ঠাইত শ্ৰীযুত দেৱেন্দ্ৰনাথ বেজবৰুৱাক লোৱা হল। সভ্যসকলৰ ভিতৰত এজনৰ বাজে সকলোৱেই সভাৰ কাৰ্য্যত প্ৰায়েই যোগ দিছিল; আৰু তেওঁলোকসকলৰ সজ পৰামৰ্শৰ বাবে আমি সদায় কৃতজ্ঞ হৈ আছো। কিন্তু সভাসকলৰ উপস্থিতি আশানুৰূপ যে হোৱা নাছিল সেই কথা নকৈ নোৱাৰি। তিনিখন সভা সভ্য সমষ্টিৰ অভাৱত স্থগিত হব লগীয়া কথা ওপৰত কোৱা হৈছে।

৪। সহকাৰী সম্পাদক শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা, আগৰ পুথি ভঁৰালী, শ্ৰীযুত দেৱানন্দ ভঁৰালী আৰু এতিয়াৰ পুথি ভঁৰালী শ্ৰীযুত

বিষয় বৰীয়াসকল।

দেৱেন্দ্ৰনাথ বেজবৰুৱা, ধন ভঁৰালী শ্ৰীযুত গুণগোবিন্দ দত্ত, হিচাপ পৰীক্ষক শ্ৰীযুত জিতেন্দ্ৰকুমাৰ দাস আৰু পত্ৰিকা সম্পাদক শ্ৰীযুত চণ্ডধৰ বৰুৱা ডাঙৰীয়াসকলে তেওঁলোকসকলৰ নিজ নিজ ভাৰ নিয়মমতে সমাধা কৰি আমাক সহায় কৰা বাবে আমি এই খিনিতে তেওঁলোকসকলৰ শলাগ লৈছো।

৫। যোৱা সন্মিলনত সভ্যৰ সংখ্যা ২৯৫ জন আছিল আৰু এতিয়া সভ্যৰ সংখ্যা ৩২৫ জন হৈছে। শাখা সভাৰ সংখ্যা ৩৩ ৰ পৰা ৩৬ সভা আৰু স্বীকৃত সভা। লৈকে বাঢ়িছে—কামপুৰ চাৰিং

আৰু টিয়কত নতুনকৈ স্বীকৃত সভা স্থাপিত হৈছে। যোৱা সন্মিলনৰ পিচত তলত লিখা ভদ্ৰলোকসকলক এই সভাৰ আজীৱন সভ্য স্বৰূপে পোৱা হৈছে:—

(১) শ্ৰীযুত সুৰেন্দ্ৰনাথ গোঁহাই,
(২) ,, প্ৰসন্নকুমাৰ বৰুৱা,
(৩) ,, দেৱেন্দ্ৰনাথ বেজবৰুৱা।

তলত সম্পাদকসকলৰ নামেৰে সৈতে স্বীকৃত সভা-বোৰৰ তালিকা দেখুৱা হল:—

১। ডিব্ৰুগড় সাহিত্য সভা—মৌলবি মফিজুদ্দিন আহ্মদ হাজৰিকা।
২। চকুৱাখনা ,, ,,—শ্ৰীযুত চন্দ্ৰশেখৰ দাস।
৩। উত্তৰ লক্ষীমপুৰ ,, ,,—মৌ: মহ্মদ চাদিৰ হুচেন।
৪। নগাঁও ,, ,,—শ্ৰীযুত ৰত্নকান্ত বৰকাকতী।
৫। তেজপুৰ সাৰস্বত সমাজ—,, বেণুধৰ দাস।
৬। শিৱসাগৰ সাহিত্য সভা—,, লক্ষীকান্ত বৰুৱা।
৭। গুৱাহাটী অ, ভা, উ, সা, সভা—,, হলিৰাম ডেকা।
৮। গৌৰীপুৰ সাহিত্য সভা—,, চাৰুচন্দ্ৰ গোস্বামী।
৯। নলবাৰী ,, ,,—,, শ্ৰীকান্ত ভট্টাচাৰ্য্য।
১০। মাজুলি ,, ,,—,, বেথাৰাম বৰা।
১১। বৰদলনি ,, ,,—,, পদ্মৰাম দত্ত।
১২। দেৰগাঁও ,, ,,—,, ইন্দ্ৰেশ্বৰ শৰ্ম্মা বৰুৱা।
১৩। তেভাঘাট ,, ,,—,, হেমচন্দ্ৰ কৌৰৰ।
১৪। বগৰিবাৰী অসমীয়া ছাত্ৰ সভা—,, হৰিদয়াল পাঠক।
১৫। গোলাঘাট সাহিত্য সভা—,, গোলাপচন্দ্ৰ গোস্বামী।
১৬। কলিকতা অ, ভা, উ, সা, সভা—,, পৰমানন্দ ওজা।
১৭। মৰিয়নী আলোচনী সভা—,, কমলচন্দ্ৰ বৰুৱা।
১৮। বৰনগৰ সাহিত্য সভা—,, হলিৰাম মহন্ত ঠাকুৰ।
১৯। বজালি ,, ,,—,, হৰেশ্বৰ দেৱ শৰ্ম্মা।
২০। দলপুৰ ,, ,,—,, হৰিপদ দত্ত।
২১। খেকাপাৰ সাহিত্য সভা—শ্ৰীযুত ঘনকান্ত দেৱ অধিকাৰী।
২২। ডুম ডুমা " "—" মিঠাৰাম গোঁহাই।
২৩। তেজপুৰ অ, ভা, উ, সা, সভা—" কুমুদেশ্বৰ নৰ ঠাকুৰ।
২৪। ধুবুৰী সাহিত্য সভা—" প্ৰমথনাথ চক্ৰবৰ্ত্তী।
২৫। চিপাঝাৰ সাহিত্য সভা—শ্ৰীযুত মুক্তানন্দ গোস্বামী।
২৬। গোৱালপাৰ " "—" ৰমনীকান্ত বৰুৱা।
২৭। বিজনী " "—" হৰেশ্বৰ দাস।
২৮। অভয়াপুৰী " "—" সুৰেন্দ্ৰমোহন দাস।
২৯। কুকুৰাই " "—" গোবিন্দচন্দ্ৰ দাস।
৩০। পকোৱা মৌজা " "—" উপেন্দ্ৰনাথ ভট্টাচাৰ্য্য।
৩১। দলগোমা " "—প্ৰভাতচন্দ্ৰ অধিকাৰী।
৩২। ছিলং " "—বৰ্ত্তমান সম্পাদকৰ নাম পোৱা নাই।*
৩৩। কামপুৰ " "—শ্ৰীযুত দীনেশ্বৰ গোহাঁই।
৩৪। টিয়ক " "—" তুলসী নাৰায়ণ শৰ্ম্মা।
৩৫। চাৰিং " "—" তিলকান্ত ফুকন।

১১ বছৰীয়া পুৰণি সাহিত্য-সভাৰ ৩২৫ সংখ্যাক সভ্য তালিকাই শিক্ষিত অসমীয়াসকলৰ এই সভাৰ প্ৰতি অনুৰাগৰ চিন নেদেখুৱায়। আসাম উপত্যকাৰ প্ৰত্যেক মৌজাতে এই সাহিত্য সভাৰ স্বীকৃত সভা একোখনি গঢ়ি তুলিবলৈ দেশহিতৈষী উচ্চশিক্ষিত ডেকাসকলৰ কৰ্ত্তব্য বুলি আমি ভাবোঁ; আৰু অহা সন্মিলনৰ আগতে এই বিষয়ে যথোচিত উন্নতি দেখিবলৈ আশা কৰিব নোৱাৰিনে?

৬। ১৯২৭।২৮ চনত আসাম গবৰ্ণমেণ্টৰ পৰা ১০০০৲ এক হাজাৰ টকা বাৰ্ষিক সাহায্য পোৱা হৈছিল আৰু তলত লিখা স্থানীয় অনুষ্ঠান-**বাৰ্ষিক সাহায্য।** বোৰৰ পৰা পোৱা বাৰ্ষিক সাহায্যৰ তালিকা তলত দিয়া হ'ল:—

| | | | |
|---|---|---|---|
| (ক) | যোৰহাট | মিউনিচিপেল বোৰ্ড | ১০০৲ টকা |
| (খ) | ,, | লোকেল বোৰ্ড | ৫০৲ ,, |
| (গ) | শিৱসাগৰ | ,, ,, | ১০০৲ ,, |
| (ঘ) | মঙ্গলদৈ | ,, ,, | ২৫৲ ,, |
| (ঙ) | তেজপুৰ | ,, ,, | ১০০৲ ,, |
| (চ) | গোৱালপাৰা | ,, ,, | ৫০৲ ,, |
| (ছ) | নগাঁও | ,, ,, | ১০০৲ ,, |
| (জ) | ডিব্ৰুগড় | ,, ,, | ১০০৲ ,, |
| (ঝ) | উত্তৰ লক্ষীমপুৰ | ,, ,, | ২৫৲ ,, |
| (ঞ) | গুৱাহাটী | ,, ,, | ৫০৲ ,, |
| | | সৰ্ব্বমোট | ৭০০৲ টকা |

* আজিকালি চিঠি-পত্ৰ দিলে কোনো উত্তৰ পোৱা নাযায়।



উপৰোক্ত বাৰ্ষিক সাহায্যৰ বাবে দাতাসকলৰ শলাগ লোৱা হৈছে। আৰু ভৱিষ্যতলৈকো তেওঁলোকৰ সাহায্যৰ পৰা বঞ্চিত নহবৰ নিমিত্তে কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে আশা ৰাখিছে।

৭। আমি দুখেৰে সৈতে জনাবলৈ বাধ্য হৈছোঁ যে অনেক সভ্য আৰু স্বীকৃত সভাৰ বৰঙনি কেইবা বছৰৰ নিমিত্তেও বাকী পৰিছে। আগ-জাননীৰ দ্বাৰাই সতৰ্ক কৰি দিয়া সত্ত্বেও পত্ৰিকাৰ ভি: পি: **বাকী বৰঙনি।** সভাসকলৰ পৰা উলটি অহাটো অতিশয় দুখৰ কথা। কেৱল লোকৰ দান আৰু বাৰ্ষিক সাহায্যৰ ওপৰত নিৰ্ভৰ নকৰিবলৈ হ'লে, সভ্য আৰু স্বীকৃত সভাৰ সভ্য বঢ়াৰ লগে লগে পাব লগীয়া বাৰ্ষিক বৰঙনিখিনি নেপালে সভাৰ পুঁজি টনকিয়াল হোৱাৰ আশা কম। বাকী পৰা বৰঙনি আদায় নহলে সভাৰ নিয়ম অনুসৰি নতুন তালিকাৰ পৰা অনেক সভ্য আৰু স্বীকৃত সভাৰ নাম উঠাই দিবলৈ বাধ্য হব লাগিব; সেই কাৰণে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে আশা কৰিছে যে সকলো সভ্য আৰু স্বীকৃত সভাই অতি শীঘ্ৰে নিজ নিজ দেয়খিনি দি এই সভাৰ যেন মঙ্গল কামনা কৰিব। জনচেৰেক খ্যাতনামা আৰু কৃতবিদ্য ভদ্ৰলোকৰ পৰা আজীৱন সভাই দিব লগীয়া বৰঙনি কেইবা বছৰ ধৰি চিঠিৰে আৰু মুখেৰে অনুৰোধ কৰিও আদায় কৰিব পৰা নাই। এবাৰ আজীৱন সভ্য-তালিকাত ছপা হোৱা নাম কেইটি চিৰকাললৈ ৰক্ষা কৰিবলৈ তেখেতসকলে যেন আমাক সুযোগ দিব আৰু যেন আমাক অশোভন অৱস্থাত নেপেলাব ইয়াকে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে সৰ্ব্বান্তঃকৰণেৰে কামনা কৰিছে।

৮। সভাৰ আপীচৰ কাৰ্য্য চলাবৰ নিমিত্তে এজন কেৰাণী স্থায়ীভাৱে ৰখা হৈছে আৰু এই কেৰাণীৰ দ্বাৰাই পুথি ভঁৰাল আৰু মুখপত্ৰ **সভাৰ আপীচ।** সম্পৰ্কীয় যাৱতীয় কাম কৰোৱা হয়। যোৱা বছৰত ৩৬৪ খন চিঠি পোৱা হৈছিল আৰু ১১৫০ খন চিঠি আপীচৰ পৰা দিয়া হৈছিল। চৰ্কাৰী আপীচৰ নিয়ম মতে আপীচৰ সকলো কাগজ পত্ৰ চিজিল কৰি ৰখা হয়। এতিয়ালৈকে ফাইলৰ সংখ্যা ৭০ টা হৈছে। কেৰাণীৰ বাহিৰে এটা চকিদাৰ আৰু এটা মালী বেতন ভুগীয়াকৈ ৰখা হৈছে। চন্দ্ৰকান্ত সন্দিকৈ হলত কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ অধিবেশন পতাৰ উপৰিও ৰাজনৈতিক চৰ্চ্চা বৰ্জ্জিত অনেক সভা সমিতি পাতিবলৈ অনুমতি দিয়া হয়। আৰু মাহেকৰ ভিতৰত এনেকুৱা ৪।৫ খন সভা সমিতিৰ অধিবেশন হয়।

৯। যোৱা সন্মিলনত কোৱা মতে শ্ৰীযুত দণ্ডিনাথ কলিতাক সাধনাৰ বাবে ৩০০৲ তিনিশ টকা পুৰস্কাৰ দিয়া হল; আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ মীমাংসা অনুসৰি শ্ৰীযুত দণ্ডিৰাম দত্ত মহাশয়ক **পুৰস্কাৰ আৰু সহায্য বিতৰণ।** "কাইটেলী-অক্ষৰ-পুথি" প্ৰকাশৰ নিমিত্তে ১০০৲ এশ টকা সাহায্য দিয়া হৈছে। শ্ৰীযুতা ধনদা কুমাৰী শইকীয়ানীৰ "ৰান্ধনী" কিতাপৰ বাবে পুৰস্কাৰ দিবলৈ স্থিৰ কৰা হৈছে। পৰীক্ষক সমিতিৰ মন্তব্য অনুসৰি সেই কিতাপখনি পৰিমাৰ্জ্জিত হৈ অলপতে আহিছে আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ পৰবৰ্ত্তী অধিবেশনত উক্ত পুথিখনি নিয়মমতে দাখিল হোৱাৰ পিচত পুৰস্কাৰৰ টকা দিয়াৰ মীমাংসা হ'ব। "সৰল বিজ্ঞান" আৰু "সৰল ৰসায়ণ" এই পুথি দুখনিৰ সম্পৰ্কে পৰীক্ষক সমিতিৰ মন্তব্য নোপোৱাৰ বাবে এতিয়াও পুৰস্কাৰৰ ধন খৰচ হোৱা নাই। যোৱা বছৰৰ ভিতৰত "হজৰত মহম্মদ আৰু ইছলাম" আৰু "সৰল পদাৰ্থ বিজ্ঞান" নামক দুখন নতুন পুথিৰ নিমিত্তে ক্ৰমান্বয়ে ২০০৲, ৩০০৲ টকা মঞ্জুৰ কৰা হৈছে। আৰু উভয় পুথি গ্ৰহণ কৰিবৰ নিমিত্তে ৩১।৩।২৯, ৩১।১২।২৯ তাৰিখ নিদ্ধাৰিত কৰি দিয়া হৈছে। পুৰস্কাৰ প্ৰতিযোগিতাৰ নতুন নিয়মাৱলী অনুসৰি পুৰস্কাৰ বিধান কৰিবলৈ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে স্থিৰ কৰিছে।

১০। মহা মহোপাধ্যায় ৺ধীৰেশ্বৰ কবিৰত্নৰ অতুল ৰত্ন বৃত্তমঞ্জৰী প্ৰকাশৰ নিমিত্তে কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে ৩০০৲ তিনিশ টকা মঞ্জুৰ কৰি ৰাখিছে। **বৃত্তমঞ্জৰী।** এই টকাৰে এই বিৰাট গ্ৰন্থ সুন্দৰকৈ ছপোৱা সম্ভৱ নহয়—কোনো বদান্য

দাতাৰ সহায় নেপালে অহা বছৰৰ ব্যয়-তালিকাত এই টকাৰ সংখ্যা ৫০০৲ পাঁচশ মানলৈকে বঢ়াবলৈ যত্ন কৰা হ'ব। গৌৰীপুৰৰ মাননীয় ৰজা বাহাদুৰে এই বুৰঞ্জীখনি প্ৰকাশৰ নিমিত্তে খৰচ দিবলৈ আগ্ৰহ কৰিছিল বুলি অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞাদেৱৰ পৰা জানিবলৈ পাই কাৰ্য্য নিৰ্ব্বাহক সমিতিয়ে সন্তোষ পাইছিল আৰু যাতে এই কাৰ্য্য ৰজা বাহাদুৰৰ বদান্যতাৰ ওপৰত শীঘ্ৰে সম্পন্ন হ'ব পাৰে তাৰ নিমিত্তে যত্ন কৰিবলৈ শ্ৰীযুক্ত ভূঞাদেৱলৈ লিখা হৈছিল ; কিন্তু আমি এতিয়ালৈকে এই বিষয়ে একো খাটাং সম্বিধান পোৱা নাই।

১১। যোৱা সন্মিলনত নিৰ্দ্দিষ্ট হোৱা মতে প্ৰধান সাহিত্যিক মাননীয় শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াৰ তত্বাৱধানত পত্ৰিকাৰ ২য় বছৰ সুকলমে

সভাৰ মুখ-পত্ৰ। পূৰ্ণ হ'ল ; আৰু এতিয়ালৈকে তৃতীয় বছৰৰো তিনি সংখ্যা ওলাইছে। যোৱা বছৰৰ কাৰ্য্য বিবৰণীত এই মুখপত্ৰখনি মাহেকীয়া কৰাৰ নিমিত্তে অনেকৰ আগ্ৰহ বুলি আমি উল্লেখ কৰিছিলোঁ। বাইজৰ আগ্ৰহ অনুসৰি তৃতীয় বছৰত পত্ৰিকা দুমহীয়া কাকত স্বৰূপে চলাবলৈ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে মীমাংসা কৰিছে আৰু ভৱিষ্যতে ইয়াক মাহেকীয়া কৰি সময়োপযোগী কৰিবলৈ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে আশা ৰাখিছে। মাননীয় বৰুৱা ডাঙৰীয়াই নিজৰ শাৰীৰিক অসুখৰ মাজতো এই গুৰু ভাৰ লৈ পত্ৰিকা চলোৱা বাবে তেখেতৰ ওচৰত কাৰ্য্যনিৰ্ব্বাহক সমিতি কৃতজ্ঞ হৈ আছে। মাতৃ ভাষাৰ প্ৰতি তেখেতৰ অটুট অনুৰাগ আৰু জাতীয় সাহিত্যৰ শ্ৰীবৃদ্ধি সাধনৰ নিমিত্তে অপাৰ আগ্ৰহৰ নিদৰ্শন স্বৰূপে তেখেতে কগ্ন শৰীৰেৰেও সভাৰ মুখপত্ৰ ক্ৰমান্বয়ে তিনি বছৰ চলাই আহিছে ; সেই বাবে আমি সৰ্ব্বান্তঃকৰণেৰে তেখেতৰ শলাগ লৈছোঁ। আৰু আগলৈকো সাহিত্য চৰ্চ্চাত ব্ৰতী হ'বৰ নিমিত্তে জগদীশ্বৰে যেন তেখেতক দীঘলীয়া সুযোগ দিয়ে এয়ে আমাৰ আন্তৰিক প্ৰাৰ্থনা। সন্মিলনৰ অনুমতি সাপেক্ষে কাৰ্য্য নিৰ্ব্বাহক সমিতিয়ে বৰুৱা ডাঙৰীয়াকে পত্ৰিকাৰ তৃতীয় বছৰৰ নিমিত্তেও সম্পাদকীয় ভাৰ দি থৈছে।

১২। এই সভাৰ পুথি ভঁৰালটি যোৱা বছৰৰ ভিতৰত যথাসম্ভৱ টনকিয়াল কৰিবলৈ চেষ্টা কৰা হৈছিল।

পুথিভঁৰাল পূৰ্ব্ব সন্মিলনত নিযুক্ত হোৱা পুথি-ভঁৰালী শ্ৰীযুত দেৱানন্দ ভঁৰালী ডাঙৰীয়াই গত জুলাই মাহলৈকে নিজৰ বাব সুকলমে সমাধা কৰাৰ বাবে আমি তেখেতৰ ওচৰত কৃতজ্ঞ। চন্দ্ৰকান্ত অভিধান সম্পৰ্কীয় অতি দায়ীত্বপূৰ্ণ সঙ্কলন কাৰ্য্যৰ বাবে মাহ চেৰেকলৈ তেখেতৰ সাহায্য লব লগীয়া হোৱাত, তেখেতে এই বাব এৰিবলৈ বাধ্য হ'ল। খালি হোৱা পুথি-ভঁৰালী পদত শ্ৰীযুত দেৱেন্দ্ৰনাথ বেজবৰুৱা ডাঙৰীয়াক নিযুক্ত কৰা হ'ল আৰু এতিয়া তেখেতৰ তত্বাৱধানত আমাৰ পুথি-ভঁৰালৰ অৱস্থা আৰু টনকিয়াল হ'ব বুলি আশা কৰা হৈছে। যোৱা বছৰৰ ভিতৰত এই পুথি-ভঁৰালৰ নিমিত্তে ১২০১/৬ খৰচ কৰা হৈছিল আৰু এই টকাৰে পুথি কিতাপৰ সংখ্যা ৩১৫ খন বাঢ়িছে।

১৩। ৩০।১১।২৭ তাৰিখলৈকে পূৰ্ব্বৰ অভিধান সংগ্ৰাহক শ্ৰীযুত কোঁহিৰাম দাস মহাশয়ৰ হাতত চন্দ্ৰ-কান্ত অভিধানৰ সঙ্কলনৰ ভাৰ আছিল;

চন্দ্ৰকান্ত অভিধান। আৰু তাৰ পিচত তেখেতৰ সহকাৰী কদ্ৰকান্ত গোস্বামী দেৱে ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ তত্বাৱধানত ২০।৭। ২৮ তাৰিখলৈকে অভিধানৰ কাৰ্য্য কৰিছিল। অভিধানৰ সঙ্কলন কাৰ্য্য শেষ হোৱাৰ পিচত সংশোধন কাৰ্য্যৰ নিমিত্তে চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ট্ৰষ্ট বৰ্ডৰ মীমাংসা অনুসৰি কেইমাহ মানৰ নিমিত্তে এজন যোগ্য লোকক লবলৈ স্থিৰ কৰা হয় আৰু সভাৰ পুথি ভঁৰালৰ অধ্যক্ষ আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ অন্যতম সদস্য শ্ৰীযুত দেৱানন্দ ভৰালী ডাঙৰীয়াক ১।৭।২৮ তাৰিখৰ পৰা সেই কামত নিযুক্ত কৰা হয়। আৰু তেখেতে এই কাম প্ৰায় দুমাহ কাল সুচাৰু ৰূপেৰে কৰাৰ পিচত বেমাৰ আৰু নকৰা লেঠাৰ বাবে অৱসৰ লয়। তেখেতে অভিধানখনি সুশৃঙ্খলিত ভাবে তৈয়াৰ কৰিবলৈ অশেষ যত্ন কৰি আমাক সৰ্ব্বতোপ্ৰকাৰে সন্তোষ দিছিল আৰু সেই বাবে কাৰ্য্যনিৰ্ব্বাহক সমিতি তেখেতৰ ওচৰত কৃতজ্ঞ। পূৰ্ব্ব বছৰৰ কাৰ্য্য বিবৰণীত লিখামতে ৰায় বাহাদুৰ শ্ৰীযুত



ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়ায়ো এই অভিধানৰ নিমিত্তে নিজৰ অসুস্থ শৰীৰেৰেই দোহাৰি চোৱা কামত অক্লান্ত পৰিশ্ৰম কৰিছে আৰু ৰায় বাহাদুৰ ডাঙৰীয়াৰ উদ্যমৰ বাবে আমি তেখেতৰ ওচৰত ঋণী হৈ আছো। তেখেতৰ পৰা অভিধান সম্পৰ্কে লোৱা ঋণৰ টকা এতিয়ালৈকে পৰিশোধ হোৱা নাই। অৱশ্যে তেখেতে তাৰ নিমিত্তে একো তাগাদাও কৰা নাই।

বৰ্ত্তমান অভিধানখনি দোহাৰি চোৱাৰ পিচত এজন নকলকাৰকৰ হতুৱাই ছাপাখানাৰ নিমিত্তে লিখোৱা হৈছে ; আৰু এতিয়ালৈকে "চ" আদি আখৰৰ শব্দাৱলীৰ নকল কাৰ্য্য চলিছে।

১৪। শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ ২য় গ্ৰন্থ শ্ৰীশ্ৰীবনমালী দেৱ চৰিত্ৰৰ ছপা কাৰ্য্য এই বছৰৰ ভিতৰত শেষ হ'ল আৰু এই বছৰৰ সন্মিলনৰ আগতে অথবা সন্মিলনতে এই কিতাপখনি বাইজৰ হাতত দিবলৈ

নৰদেৱ গ্ৰন্থাৱলী। আমি আশা কৰিছিলোঁ ; কিন্তু কলিকতাত ছপোৱা বাবে আৰু কিতাপৰ সুযোগ্য সম্পাদক শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱ বাজকাৰ্য্যৰ উপলক্ষে স্থানান্তৰিত হোৱা বাবে আমাৰ সেই আশা পূৰ্ণ নহ'ল। গোস্বামী ডাঙৰীয়া পুনৰ আমাৰ কেন্দ্ৰস্থানলৈ অহা বাবে আমি সেই কিতাপ অলপতে প্ৰকাশ কৰিবলৈ পাম বুলি আশা কৰিছো।

এই বছৰত কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে শ্ৰীশ্ৰী নৰদেৱ গোস্বামী প্ৰভুৰ পৰিবৰ্দ্ধিত চিত্ৰ এখনি সাহিত্য সভাৰ হলত থবলৈ খৰচ মঞ্জুৰ কৰিছিল আৰু অতি আনন্দৰ বিষয় যে সেই ছবি আপোনালোকে দেখিবলৈ পোৱাকৈ পৰহি আহি এইখিনি পালেহি আৰু আজি ছবিটি সভাগৃহত আঁৰা হৈছে। যথাসময়ত তাৰ উন্মোচন কাৰ্য্য পূজনীয় শ্ৰীশ্ৰীযুক্ত গড়মূৰীয়া সত্ৰাধিকাৰ গোস্বামী প্ৰভুৰ হতুৱাই কৰাবলৈ কাৰবাৰ কৰা হ'ব।

১৫। কমলাদেৱী শিশু সাহিত্যৰ ২য় গ্ৰন্থ মহাৰাজ নৰনাৰায়ণ যোৱা বছৰৰ ভিতৰত প্ৰকাশিত হ'ল আৰু তৃতীয় বছৰৰ পুৰস্কাৰৰ নিমিত্তে

কমলাদেৱী শিশু সাহিত্য মণিৰাম দেৱানৰ জীৱনী নোপোৱাৰ বাবে শিশুসকলৰ উপযোগী বিজ্ঞান বিষয়ক এখনি গল্পৰ কিতাপ প্ৰণয়নৰ নিমিত্তে পুৰস্কাৰ ঘোষণা কৰা হৈছে। ৰাজস্থানৰ গল্প-সংগ্ৰহ পূৰ্ব্বৰ নিৰ্দ্ধাৰিত ম্যাদৰ ভিতৰত নোপোৱা বাবে ৩১।৩।২৯ তাৰিখলৈকে পুনৰ সময় বঢ়াই দিয়া হল। আৰু এই কিতাপৰ বাবে ২৫০৲ টকা পুৰস্কাৰৰ দন মঞ্জুৰ হৈ আছে।

১৬। ১।৪।২৭ তাৰিখৰ পৰা ৩১।৩।২৮ তাৰিখলৈকে

সভাৰ হিচাপ :—

(ক) সাধাৰণ

আয়।

| | | |
|---|---|---|
| (১) | যোৱা বছৰৰ বাকী | ৫০১০৵১ পাই |
| (২) | ভৰ্ত্তি মাচুল | ১৭৲ |
| (৩) | সভাৰ সভ্য আৰু শাখা সভাৰ বৰঙনি | ৪৫৫৲ |
| (৪) | এক কালিন দান | ৫০৲ |
| (৫) | গবৰ্ণমেণ্টৰ সাহায্য | ১০০০৲ |
| (৬) | লোকেলবোৰ্ড আৰু মিউনিচিপেল বোৰ্ড | ৭০০৲ |
| (৭) | জমা টকাৰ সুত | ২১০৲৴৭ পাই |
| (৮) | অন্যান্য উপাৰ্জ্জন | ৫৭৸৵ |
| | সৰ্ব্বমোট জমা | ৭৫০০।৵৮ পাই |

ব্যয়।

| | | |
|---|---|---|
| (১) | কৰ্ম্মচাৰীৰ বেতন | ৬২৪।৵ |
| (২) | সাধাৰণ খৰচ (contingency) | ৬০০/৬ |
| (৩) | ছপা আদি | ৩৫৲ |
| (৪) | মুখপত্ৰ | ৬৯৩৵৹ |
| (৫) | সন্মিলন | ২৪৫৲ |
| (৬) | পুথি-ভঁৰাল | ১২০১/৬ |
| (৭) | প্ৰচাৰ কাৰ্য্য | ৬৭৷৹ |
| (৮) | অনুসন্ধান | ১৯২।৹ |
| (৯) | কম্পাউণ্ড | ২০৭৷৹ |
| | সৰ্ব্বমোট খৰচ | ৩৮৬৬৵ অনা |

| | |
|---|---|
| সৰ্ব্বমোট জমা | ৭৫০০।৵৮ পাই |
| সৰ্ব্বমোট খৰচ | ৩৮৬৬৵৹ অনা |
| বাকী জমা | ৩৬৩৪৵৮ পাই |

## ( খ ) চন্দ্ৰকান্ত ট্ৰষ্ট্ ফণ্ড্।

জমা—

| | |
|---|---|
| (১) যোৱা বছৰৰ বাকী জমা | ১৪৪৷৵৯ পাই |
| (২) জমা টকাৰ সুত | ৯০৲ |
| (৩) ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ পৰা ঋণ | ১৮৫৲৩ |
| মোট জমা—১৮৩০৷০ অনা | |

খৰচ

| | |
|---|---|
| (১) অভিধানৰ কৰ্ম্মচাৰীসকলৰ বেতন | ১৪৭৩৵৩ পাই |
| মোট খৰচ—১৪৭৩৵৩ পাই | |
| মোট জমা—১৮৩০৷০ অনা | |
| মোট খৰচ—১৪৭৩৵৩ পাই | |
| বাকী জমা—৩৫৬৵৯ পাই | |

## (গ) নবদেৱ ট্ৰষ্ট্ ফণ্ড্।

জমা—

| | |
|---|---|
| যোৱা বছৰৰ বাকী জমা | ৫৬৫৵ অনা |
| জমা টকাৰ সুত | [illegible] |
| মোট জমা—৬৭[illegible] অনা | |

খৰচ—

| | |
|---|---|
| শ্ৰীশ্ৰীদেৱ দামোদৰ চৰিত্ৰৰ আংশিক ছপা খৰচ | ১০৮৷০ |
| শ্ৰীশ্ৰীবনমালী দেৱ চৰিত্ৰৰ আংশিক ছপা খৰচ | ২০১৷৵০ |
| মোট খৰচ ৩[illegible]৵ অনা | |
| মোট জমা | [illegible] অনা |
| মোট খৰচ | [illegible] অনা |
| বাকী জমা | ৩৬০৷৵ অনা |

## (ঘ) কমলাদেৱী ট্ৰষ্ট্ ফণ্ড্।

এই বছৰত এই ফণ্ডৰ জমা-খৰচ একো হোৱা নাই।

১৬। পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামীৰ আকস্মিক মৃত্যু অসমীয়া সাহিত্যৰ নিমিত্তে এক মহৎ ক্ষতি, তেওঁৰ অৰ্দ্ধ-সম্পাদিত আৰু অপ্ৰকাশিত কাম-বিলাক যাতে লোপ নোপোৱাকৈ ৰাখিব নিমিত্তে যত্ন কৰাটো সকলো অসমীয়াৰে কৰ্ত্তব্য বুলিব পৰা উচিত। কমলাদেৱী শিশু সাহিত্যৰ প্ৰতিষ্ঠাত্ৰী ৺কমলাদেৱীৰ মৃত্যুৰ বাবেও আমি সকলোৱে বেজাৰ পাইছোঁ। কুমাৰী ৺সুধালতা দুৱৰাৰ অকাল মৃত্যু সবাতোকৈ শোচনীয়। ৺পদ্মাৱতী দেৱী ফুকননী অসমীয়া মহিলাসকলৰ এগৰাকী ঘাই দৰ্শী আছিল আৰু ৺দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ মৃত্যুত শিশু পাঠ্যৰ এজন কৃতী লিখক হেৰাল। এই সকলক কালে আঁতৰাই নিয়াত অসমীয়া সমাজৰ মহৎ ক্ষতি হৈছে তাক সকলোৱেই স্বীকাৰ কৰিব। কনকলাল গোস্বামী দেৱ চন্দ্ৰকান্ত অভিধানৰ সংগ্ৰাহক আছিল। কামৰ পৰা বিদায় লৈ যোৱাৰ অলপ দিনৰ পিচতে তেওঁ এই সংসাৰৰ পৰা বিদায় ল'ব বুলি কোনে জানিছিল? ভাৰতৰ কৰ্ম্মবীৰ লালা লাজপত ৰায়ৰ শোচনীয় মৃত্যুত ভাৰতবৰ্ষৰ অপূৰণীয় ক্ষতি হ'ল আৰু ভাৰতবৰ্ষত শিক্ষা বিস্তাৰৰ এজন ক্ষমতাশালী পুৰুষ হেৰাল।

নিয়ম-সংস্কাৰ।

১৭। যোৱা বছৰৰ সন্মিলনীত সভাৰ কোনো কোনো নিয়ম অসংশোধিত, অবিৱৰ্ত্তিত হৈছিল; কিন্তু বিষয়-বাচনী সমিতিত কাৰ্য্যকৰী সমিতিৰ চকুত নপৰা বাবে ৬২ নং নিয়মৰ আৱশ্যকীয় সংশোধন থাকি গ'ল; তাৰ বাহিৰেও সন্মিলনৰ সভাপতি-নিৰ্বাচন সম্পৰ্কীয় ৭৮—৭৯ লৈকে নিয়মৰ সংশোধন আৱশ্যক বুলি আমি ভাবিছোঁ। আসাম গবৰ্ণমেণ্টৰ পৰা যোৱা সাহায্যৰ বাবে আৰু স্থানীয় প্ৰতিষ্ঠানবিলাকৰ পৰা পোৱা সহায়ৰ বাবে আমি চিৰঋণী আৰু আয়-ব্যয়ৰ হিচাপ ৰাখিবলৈ বাধ্য হব লগীয়া হৈছোঁ, কাৰণ গবৰ্ণমেণ্টৰ সেই অনুকম্পাৰ দাবী কৰিব। কোন হিচাপ বিচাৰে। সেইমতে সভাৰ হিচাপ অসমীয়া বছৰমতে ৰখাৰ পৰা যিহেতু সেই বিষয়ত কোনো হিচাপ মিলাবলৈ অসুবিধা ঘটিছে। আমি গবৰ্ণমেণ্টৰ আয়-ব্যয় সম্পৰ্কীয় বছৰ (financial year) অনুসৰি হিচাপ ৰখাটো বেচি সুবিধাজনক বুলি ভাবিছোঁ। আমি সাহিত্যিক নিস্তাৰণী দাবীন কৰি ... আৰু স্বদেশৰ উন্নতিৰ অৰ্থে গোটেই জীৱনত অক্লান্ত কৰ্মী সন্মিলনৰ সভাপতি শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য ডাঙৰীয়াক ... এই সন্মিলনৰ সভাপতিস্বৰূপে পাই অতি



বৰ আনন্দিত হৈছোঁ। তেখেতে এই বুঢ়া কালতো কয় শৰীৰেৰে বহুত শাৰীৰিক কষ্ট স্বীকাৰ কৰি এই মহা-যজ্ঞৰ পুৰোহিত হ'বলৈ স্বীকাৰ কৰাৰ পৰাই তেখেতৰ অদম্য উৎসাহ অটুট হৈ আছে বুলি আপোনালোকে বুজিব ল'ব। মাননীয় সভাপতি ডাঙৰীয়া, আপুনি অশেষ অসুবিধা আওকাণ কৰি এই গুৰু ভাৰ লৈ মাতৃ-ভাষাৰ প্ৰতি অনুৰাগ আৰু উঠি অহা অসম-বাসীসকলৰ উন্নতিৰ নিমিত্তে আগ্ৰহ দেখুৱাই আমাক কৃতজ্ঞতা ডোলেৰে বান্ধিছে বুলি জানি ল'ব আৰু আপুনি যেন আমাৰ প্ৰতি মৰম ৰাখি আমাৰ অজ্ঞানিত ত্ৰুটী মাৰ্জ্জনা কৰিব। এতিয়া আপোনাৰ নেতৃত্বত আমাৰ এই সাহিত্য সন্মিলনৰ কৰ্ত্তব্য যেন সুসম্পন্ন হয় তাকে আমি সৰল চিত্তেৰে কামনা কৰিছোঁ।

২০। সভাৰ নিয়ম অনুসৰি আমি আমাৰ অশেষ দোষ আৰু ক্ৰটীৰ বাবে মাৰ্জ্জনা প্ৰাৰ্থনা কৰি সম্পাদকীয় ভাৰ এই সন্মিলনতে শোধাই দিছোঁ;

কাৰ্য্যভাৰ পৰিত্যাগ।

আৰু আমাৰ ভৱিষ্যতে আমাৰ সহযোগী কৰ্ম্মীসকলেও নিজ নিজ ভাৰ আপোনালোকক গতাইছে। চলিত বছৰৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্যসকলেও তেওঁলোকৰ নিজপদ পৰিত্যাগ কৰিছে। আৰু উক্ত সমিতিৰ হৈ অহা বছৰৰ নিমিত্তে সাহিত্য সভাৰ ভাৰ প্ৰচলিত নিয়ম অনুসৰি নতুন বিষয়-বৰীয়া আৰু কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ ওপৰত ন্যস্ত কৰিবলৈ আপোনালোকক অনুৰোধ জনোৱা হৈছে।

২১। বিশ্বনিয়ন্তাৰ শ্ৰীচৰণত সেৱা জনাই আমাৰ একাদশ বছৰৰ কাৰ্য্যৰ সমাপ্তি কৰিছোঁ। আৰু লগে লগে আপোনালোক ইয়াত সমবেত হৈ এই সন্মিলনৰ

সামৰণি।

দ্বাৰাই সাহিত্য সভাৰ বয়স এবছৰ বঢ়োৱা বাবে শলাগ লৈছোঁ। সাহিত্য সভাৰ বিশাল কৰ্ম্ম-ক্ষেত্ৰত আগুৱাবলৈ অনেক কৰ্ম্মীৰ প্ৰয়োজন—এই বিষয়ে কাৰো মতদ্বৈধ হ'ব নোৱাৰে। লগে লগে সাহিত্য ভঁৰালো টনকিয়াল কৰাটো অতি আৱশ্যক হৈ পৰিছে। শাখা-সভাৰ সভা-সকলৰ পৰা সম্পাদকসকলৰ জৰিয়তে গাই-গুটীয়া চান্দা নোপোৱাৰ বাবেই যোৱা গোৱালপাৰ সন্মিলনতে শাখা সভাৰ অস্তিত্বৰ সাৰ্থকতা নোহোৱা দেখি নিয়মাৱলীৰ পৰা শাখা সভাৰ নাম আৰু তৎসম্পৰ্কীয় নিয়মবোৰ উঠাই দিয়া হৈছিল—এই কথা আপোনালোকৰ মনত থাকিব পায়। এতিয়ালৈকে কেইবাখনিও সোঁৱৰণী পত্ৰ দিও খনচেৰেকৰ বাহিৰে স্বীকৃত সভাবোৰৰ পৰা এই বছৰৰ আৰু পূৰ্ব্বৰ বাকী বৰঙনি আদায় নোহোৱাটো অতিশয় দুখৰ কথা। আশা কৰোঁ এই সন্মিলনতে সকলোৱে বাকী বৰঙনি আদায় কৰি সাহিত্য সভাৰ প্ৰতি আপোনালোকৰ মৰম দেখুৱাবলৈ নেপাহৰিব। সাহিত্য-সভাৰ মহৎ কাম কৰ্ম্মীৰ অভাৱত বা ধনৰ নাটনিত পৰি থাকিব লগীয়া যেন কোনো কালে নহয়, সদায় যেন এই মহৎ অনুষ্ঠানে দোপত দোপে উধাব পাৰে; আৰু অসমীয়া ভাষা আৰু সাহিত্যৰ সম্পদ বঢ়াবলৈ যেন এই সভা সদায় সমৰ্থ হয়—এই মঙ্গল কামনা সভ্যসকলৰ অন্তৰত সজাগ হওক। আমাৰ সভ উদ্দেশ্য সাধনত মঙ্গলময় জগদীশ্বৰে যেন সকলো প্ৰকাৰ সুবিধাৰ বিধান কৰক; আৰু যেন পৰমেশ্বৰৰ কৃপা-দৃষ্টি আকৰ্ষণ কৰি, এই সভা, নিজৰ আখ্যা চৰিতাৰ্থ কৰি "বঙ্গীয় সাহিত্য পৰিষদৰ" সমানে যোৰ মাৰিব পৰা হওক, আৰু এই লক্ষ্যকে শিৰত লৈ কাম কৰিবলৈ আমাৰ সভ্যসকলেও যেন শক্তি আৰু সুবিধা পাওক। অলমতি বিস্তৰেণেতি।

পঠিত আৰু গৃহীত হল।

স্বাক্ষৰ—শ্ৰীকমলাকান্ত ভট্টাচাৰ্য্য
সভাপতি।
৩০।৩।১৯২৯

স্বাক্ষৰ—শ্ৰীপূৰ্ণানন্দ শৰ্ম্মা
প্ৰধান সম্পাদক,
আসাম সাহিত্য সভা
তাং ১৬ চত; ১৮৫০শক।

# নতুন গীত। *

(১)

আজি পুণ্য তিথি
অ' মোৰ অতিথি
পঞ্জাত মোৰ দিলাহি ধূলি।
দুবৰি বনৰে
নিয়ৰ ভাঙ্গি ভাঙ্গি
আহিলোঁ দুটি পাৱ বুলি।
অতিথি অতিথি
কোনে কয় অতিথি
তুমি মোৰ সহোদৰ ভাই
বুকৰে এধাৰী
সুধাৰে দুয়োকে
তুলিলে দুখিনী আই।
কি কৈ সেৱা কৰো
শকতিৰ দুখীয়া
একোৰে একো যে নাই
তেজ ধুলে উটে
মঙহ ধুলে ফুটে
এনে হেন তুমি মোৰ ভাই।
মূৰৰে চুলিৰে
পাৰ দিওঁ মলচি
দেহাৰ পাৰি দিওঁ সাকো।
গাথিৰে ওৱা থাই
ভাই বুলি যাবা
দুটি হাত আঁজলি পাতো॥

( ২ )

শৌৰ্য্যে অসমা বীৰ্য্যে অসমা
সপোন সুষমা জননী সৌ,
মাভৈঃ মাভৈঃ মাভৈঃ মন্ত্ৰে
আজি প্ৰাণে প্ৰাণে
ঢালে কাণে কাণে
মাধুৰী মৌ।
মাতৃ মন্দিৰে শুনিছো শঙ্খ
বাজে গুৰু গুৰু মৃদঙ্গ মন্দ্ৰ
উষাৰ চুম্বনে গগণে পৱনে
মেঘে মেঘে আজি বিজুলী স্পন্দনে
উঠিছে তান
ৰঙ্গে ভঙ্গে নন্দে ছন্দে বাজে আনন্দে মঙ্গল গান।
তুলসী-পল্লৱ-চন্দনগন্ধে
ৰঞ্জিত কৰি আজি প্ৰবন্ধে
মন্দিৰে আজি পূজাবিৰন্দ
পূজিব জননী পদাৰবিন্দ
আহাচোঁ আই
পূত. স্নাত ধৌত বসনে আহিছে সন্তানে লগন চাই।
আই অসমীয়া ভাষা মুখে মুখে
বিৰিঙ্গিছে চোঁৱা আজি নৱ সুখে
নয়নে নয়নে আজি উজ্জ্বলতা
পৰাণে পৰাণে আজি আকুলতা
অ' মোৰ আই
জীৱন ধন্য জনম ধন্য তোমাৰ হোমৰ সুৰভি পাই।

(৩)

আমি অসমীয়া নাম যুগমীয়া জননী আমাৰ অসম দেশ।
জননী সেৱাৰ অমোঘ মন্ত্ৰে বান্ধিছো বুকুত কেশৰী বেশ।
আসাম আসাম সাদৰী আসাম সুন্দৰি তোমাৰ সুৰবি নাম
আহিছোঁ উলাহে মনৰ হেঁপাহে সাধিম আপোন কৃত্য কাম
নিন্দা অসূয়া হিংসা দৈন্য

* যোৱা সংখ্যাত "সম্মিলনলৈ তুথনি শবাই" বুলি প্ৰকাশ কৰা শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাৰ গীত দুটিৰ উপৰি এই কেইটি গীতো সম্মিলনত গোৱা হৈছিল।



পথৰ বিঘিনি নকৰো গণ্য
উচ্চ যেতিয়া লক্ষ্য আমাৰ সাধনা আমাৰ গুৰু মহান্,
পিছলো যদিহে পথৰ মাজত তথাপিতো আশা নপৰে ম্লান,
পাচতে আমাৰ চিনি পথৰেখা পাবহি সিদলে লক্ষ্যস্থান।

মৰণ চলেৰে অমৰ শিক্ষা
দিম কাণে কাণে দীপক দীক্ষা

ভীম দৰ্পে জাতীয় গৰ্ব্বে তপ্ত কৰিম সুপ্ত প্ৰাণ
উঠিছে পুনৰ বাহুত বিৰিঙ্গি গদা নাচিতৰ শোণিত ধাৰ
বাধা ৰুক্মিণীৰ জয়াৰ বীৰ্য্যে ধৈৰ্য্য জুৰিছে বীণাৰ তাৰ
চকুতে হৰিছে অলস তন্দ্ৰা
এৰিলোঁ জীৱন মৰণ শঙ্কা
জননী অশ্ৰু মছিলে মৃত্যু মাতিছো মৃত্যু শতেক বাৰ।
চিৰ চেনেহী মোৰ ভাষা জননী।
( আই ) ধন্য পুণ্যে হৃৎ-পাৱনী॥
প্ৰকৃতি পৰশে ৰসে অমল কমল
চঞ্চল হৃদিজলে ঢালে পৰিমল
কোমল চপাঁৰ কলি
ঢোৰে ঢোৰে ঢোৰে বুলি
ৰিণিকি জিনিকি কোনে
তোলে ৰাগিণী!
সংসাৰ গুৰু ভাৰে অৱশ পৰাণ
বীণা বিলীন হয় বীণা ভৰা তান
কাৰ নিচুকনি সনা
শুনি বাণী ব্যথা পমা
চকুতে চকুৰ নীৰে
লয় জিৰণি।
জীৱনে মৰণে ৰণে লহৰী সুধাৰ
ৰসনা শিতানে বহি সিচাঁ শতধাৰ
হে মোৰ মধুৰাননা
মাগিছো মাধুৰী-কণা
দিয়াঁ দিয়াঁ দিয়াঁ আই
মধুভাষিণী।

শ্ৰীমিত্ৰদেৱ মহন্ত।

---

# একাদশ বাৰ্ষিক আসাম সাহিত্য সন্মিলন সম্পৰ্কে দুআষাৰ কথা।

ভগৱানৰ কৃপাত একাদশ বাৰ্ষিক আসাম সাহিত্য সন্মিলন সুকলমে সম্পন্ন হৈ গল। আমি তাত নিজে উপস্থিত থাকি যি দেখিলো যি শুনিলো আৰু দেখি শুনি যি ধাৰণা লৈ ঘৰলৈ উভতিলোঁ সেই সম্বন্ধে দু-আষাৰ কথা কোৱাৰ প্ৰয়োজন আছে বুলি ভাবি তাক সংক্ষেপে কবৰ ( লিখি ) চেষ্টা কৰা হল।

সকলো সভা সমিতিৰে বছৰেকৰ মুৰত ডাঙৰকৈ এখন অধিবেশন পতাৰ প্ৰধানকৈ চাৰিটা উদ্দেশ্য দেখা যায়। প্ৰথম হৈছে সভাৰ সভ্যসকলক গোটেই যোৱা বছৰটোৰ ভিতৰত কি কাম হল সংক্ষেপে তাৰ বুজনি দিয়া। দ্বিতীয় হৈছে সভাৰ সকলোৰে সৈতে যুক্তিতৰ্ক আৰু পৰামৰ্শ কৰি অহা বছৰলৈ কাৰ্য্যপ্ৰণালী স্থিৰ কৰা। তৃতীয় হৈছে সভাৰ উদ্দেশ্যসিদ্ধিৰ অৰ্থে সভ্যসকলৰ মাজত উৎসাহ উদ্দীপনাৰ সৃষ্টি কৰা আৰু চতুৰ্থ হৈছে সভাৰ উদ্দেশ্য আৰু কাৰ্য্য প্ৰণালী সুবহুল ৰূপে প্ৰচাৰ কৰা। ইয়াৰ বাহিৰেও সভ্যসকলৰ ভিতৰত ভাবৰ আদান-প্ৰদান চিনা-পৰিচয় দ্বাৰা ঘনিষ্ঠতা বৃদ্ধি কৰা পৰস্পৰৰ ভিতৰত মিলাপ্ৰীতি বঢ়োৱা আদি গৌণ উদ্দেশ্যও আছে।

এই সকলো বিলাক উদ্দেশ্যসিদ্ধিৰ বাবে যি যত্ন কৰিব লগা হয় সেই সকলোবিলাকৰ ভাৰ প্ৰধান ৰূপে পৰেগৈ সভাৰ কৰ্ত্তৃপক্ষ আৰু অভ্যৰ্থনা সমিতিৰ সভ্য-

সকলৰ ওপৰত। সভাৰ কৰ্ত্তৃপক্ষ আৰু অভ্যৰ্থনা সমিতিৰ সভ্যসকলৰ প্ৰাণৰ স্পন্দন, সাধাৰণ সভ্যসকলৰ হৃদয়ৰ প্ৰতি তন্ত্ৰীতে ঝঙ্কৃত হৈ উঠিব লাগে। তেহে আচলতে এনে সভাসমিতিৰ উদ্দেশ্য সিদ্ধি হোৱা বুলি ধৰিব পাৰি। নহলে অভ্যৰ্থনা সমিতিয়ে হাজাৰ খুওৱা দুওৱা আদৰ অভ্যৰ্থনা কৰিলেও সি প্ৰাণহীন হৈ পৰে-গৈ। সেইদৰে সভাৰ কৰ্ত্তৃপক্ষসকলেও তেওঁলোকৰ প্ৰাণৰ স্পন্দনৰ দ্বাৰা সাধাৰণ সভ্যসকলৰ প্ৰাণ অনুপ্ৰাণিত কৰি তুলিব লাগে। সকলো সভাকে তেওঁলোকৰ কাৰ্য্যৰ দ্বাৰা কৰ্ম্মৰ প্ৰতি অনুপ্ৰেৰণা দিব লাগে। সভাৰপৰা উলতিবৰ সময়ত সভ্যসকলে সবল আৰু সতেজ মন, কৰ্ম্মৰ প্ৰতি বিপুল উৎসাহ লৈ আৰু সভাৰ উদ্দেশ্য সিদ্ধিৰ অৰ্থে দৃঢ় প্ৰতিজ্ঞ হৈ আহিব লাগে। তেহে সভাসমিতি পতা সাৰ্থক হয় আৰু কৰ্ত্তৃপক্ষৰো শ্ৰম সফল হয়।

এতিয়া চোৱা যাওক আমাৰ যোৰহাট অধিবেশনত ওপৰত কোৱা চাৰিটা উদ্দেশ্য কি পৰিমাণে সিদ্ধ হৈছে; আৰু সভাৰ কাৰ্য্যকৰ্ত্তাসকলৰ পৰা আৰু অভ্যৰ্থনা সমিতিৰ পৰা নো সভ্যসকলে কি ভাব লৈ ঘৰলৈ উভতিছে।

সংক্ষেপে কবলৈ গলে যোৰহাট অধিবেশনত প্ৰথম উদ্দেশ্যটো সমূলি সিদ্ধ হোৱা নাই বুলিব পাৰি। যোৱা বছৰৰ যিখন বিবৰণী সম্পাদকে পাঠ কৰিলে সেইখন অৱশ্যে সৰল ভাষাত সুন্দৰ ৰূপে লিখা হৈছে কিন্তু তাত থাকিব লগা কথাখিনি থকা দেখা নগল। অৰ্থাৎ গোৱালপাৰ অধিবেশনত যিবোৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল সেইবিলাকৰ সম্বন্ধে কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে গোটেই বছৰটোৰ ভিতৰত কি চেষ্টা কৰিছিল আৰু তাৰ কি ফলাফল হল এইবোৰ কথা সমূলি নাই। আৰু তাত যিটো হিচাব দেখুৱালে সেইটো হল ২৭।২৮ চনৰ হিচাব; প্ৰকৃতপক্ষে যোৱা বছৰ যিটো, অৰ্থাৎ ২৮।২৯ চনৰ হিচাব তাত দিয়া হোৱা নাই।

দ্বিতীয় উদ্দেশ্যৰ বিষয়ে অৱশ্যে অহা বছৰলৈ কৰিব খোজা কাৰ্য্যৰ ভিতৰত সভাই গ্ৰহণ কৰা প্ৰস্তাৱ কেইটিকে ধৰিব পাৰি। কিন্তু তাৰ ভিতৰত যে গোটেই কেইটি কাৰ্য্যকৰী প্ৰস্তাৱ হৈছে সেইটো কব নোৱাৰি। সি যি হওক ইয়াতো এটা ডাঙৰ ভুল হৈ গল। অহা বছৰৰ বজেটখন সভ্যসকলক জানিব দিয়া নহল। আচলতে দাই কাম আছিল সেইটোৱেই। বছৰৰ ভিতৰত নো সভাৰ কিমান আয় হবৰ সম্ভাৱনা আছে আৰু সেই আয়ৰ ধন কি কামত কি পৰিমাণে খৰচ কৰিব খোজা হৈছে সেই কথাটো সভ্যসকলে জনা নিতান্ত দৰ্কাৰ। বিশেষকৈ এইবোৰ জানিলেহে সাধাৰণ সভ্যসকলৰ সভা সম্বন্ধে এটি স্পষ্ট ধাৰণা জন্মে আৰু তাৰ দ্বাৰা সভ্যসকলৰ সভাৰ প্ৰতিও এটি নিজত্ব বোধ ওপজে।

তৃতীয় উদ্দেশ্যও সমূলি সিদ্ধ হোৱা নাই। সভাৰ কৰ্ত্তৃপক্ষৰ (কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ) ব্যৱহাৰ দেখি আমি আচৰিত হৈছোঁ। কাৰো গাত কোনো কথা নলগাৰ ভাব। গাইপতি একোটা। এনেকি ত্ৰিমিক কাৰ্য্যনিৰ্ব্বাহক সভা কোৰম নোহোৱা বাবে বন্ধ কৰিব লগা হৈছে। এইবিলাক দেখি সভ্যসকলৰ নতুন উৎসাহ উদ্দীপনাৰ ভাব হোৱা দূৰৰ কথা, নিজগৰ পৰা যিসকল সভ্য গৈছিল তেওঁলোকে সাহিত্যসভাৰ ভবিষ্যৎ অমঙ্গল আশঙ্কা কৰি নিৰাশ হৈহে আহিছে। চতুৰ্থ আৰু গৌণ উদ্দেশ্যবিলাকৰ সম্বন্ধে আমি একো নকওঁ।

সভাৰ কৰ্ত্তৃপক্ষৰ কথা কোৱাই হল। অভ্যৰ্থনা সমিতিৰ সম্বন্ধেও এটা আষাৰ নকৈ নোৱাৰোঁ। অভ্যৰ্থনা সমিতিৰ খুওৱা দুওৱা আদৰ অভ্যৰ্থনা সকলো সৰ্ব্বাঙ্গীন সুন্দৰ হৈছিল। যোৰহাটৰ নিচিনা ঠাইত যিখিনি সম্ভৱ সেই খিনিত বাহ্যিক কোনো খুঁত নাই কিন্তু অভ্যৰ্থনা সমিতিৰ এনে সুন্দৰ কাৰ্য্যৰো যেন প্ৰাণ নাই। এটা উৎসাহ উদ্দীপনাৰ ভাবৰ অভাৱ সকলোৱে অনুভৱ কৰিব পাৰিছে। যোৰহাটৰ নিচিনা ঠাইত অভ্যৰ্থনা সমিতি প্ৰাণস্পন্দন হীন হৈ পৰিল তাক ভাবি আচৰিত হব লাগে আৰু মনতো দুখ লাগে।

আসাম সাহিত্য সভাই গোটেই অসমীয়াৰ মাজত প্ৰাণৱন্ত সুগঠিত অনুষ্ঠান। এই অনুষ্ঠান চলাওঁতা সকলৰ অৱহেলাত যদি প্ৰাণহীন হৈ পৰে, ইয়াৰ স্পন্দনে যদি গাৱেঁ ভুঞে ভাই-ভনী সকলক অনুপ্ৰাণিত কৰিব নোৱাৰে, জাগ্ৰত কৰিব নোৱাৰে, তেনেহলে চলাওঁতাসকল নিশ্চয় প্ৰত্যৱায়ৰ ভাগী হব লাগিব। আৰু পৰোক্ষে যোৰহাট-



বাসীও এই পাপৰ পাপী হব লাগিব। আসামৰ ভিতৰত বৰ্ত্তমানে যোৰহাটেই উন্নত স্থান। শিক্ষিত, ধনী, মানী অসমীয়াৰ সংখ্যাও যোৰহাটতে সৰহ। এনে অৱস্থাতো যদি যোৰহাটতে এই জাতীয় পাতক অনুষ্ঠিত হয়, তেনেহলে লোকসমাজত অসমীয়াৰ মুখ দেখুৱাবলৈ ঠাই নাইকিয়া হব;

আসাম সাহিত্য-সভাৰ সম্পৰ্কে সকলো কথা সাহিত্যানুৰাগী আৰু সাহিত্য-সভাৰ সভ্যসকলে জনা উচিত বুলি ভাবি এইবোৰ কোৱা হল।

আমাৰ বিশ্বাস সকলো সাহিত্যানুৰাগী লোক আৰু সাহিত্য-সভাৰ সভ্যাই সাহিত্য-সভা-পত্ৰিকা পাঠ কৰে, সেই দেখি এইখিনি কথা সাহিত্য-সভা-পত্ৰিকাতে প্ৰকাশ কৰা হ'ল।

শ্ৰীপ্ৰতাপচন্দ্ৰ গোস্বামী
নলবাৰী সত্ৰ।

---

## যোৰাহাটত মহিলা সন্মিলন।

যোৱা মাৰ্চ্চ মাহৰ ৩০।৩১ তাৰিখে, যোৰহাটৰ গৱৰ্ণমেণ্ট হাইস্কুল ঘৰত, অসম মহিলা সন্মিলনৰ দ্বিতীয় অধিবেশন বহিছিল। ইয়াৰ সভানেত্ৰী আছিল আহোম ৰাজকুমাৰী, লক্ষীপুৰৰ জমিদাৰণী মাননীয়া শ্ৰীযুতা প্ৰফুল্ল কুমাৰী চৌধুৰীণী। এখেত আহোম-আদিত্য, অসম গৌৰব, প্ৰবল-প্ৰতাপী গদাধৰসিংহ স্বৰ্গদেৱৰ পোনে পোনে নামি অহা সন্তান। এখেতৰ নেতৃত্বত সন্মিলনৰ সকলো কাৰ্য্য সুকলমে সম্পাদিত হোৱা বুলি শুনি আমি সন্তোষ পাইছোঁ। অসম দেশৰ মহিলাসকলৰ আমি সৰ্ব্ব প্ৰকাৰৰ সুমঙ্গল কামনা কৰোঁ।

ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াক সন্মিলনৰ কৃতিত্বৰ অৰ্থে নথৈ যত্ন কৰা দেখা গৈছিল। শ্ৰীযুত বেণুধৰ ৰাজখোৱা ডাঙৰীয়াৰ কথা বিশেষকৈ নকলেও হ'ব। তেখেতেই এই অধিবেশনৰ গাই গুৰিয়াল। ইয়াতে লাগি থাকোতেই, তেখেতে এপ্ৰস্তকলৈ সাহিত্য সন্মিলনত ভুমুকি মাৰি যাবলৈকো আজৰি নেপালে। সন্মিলনলৈ দূৰৰ ঠাইৰ পৰাও কেইবা গৰাকীও মহিলা আহিছিল।

সন্মিলনৰ যাই সম্পাদিকা শ্ৰীযুতা চন্দ্ৰপ্ৰভা শইকিয়ানীৰ যোজনাত, তেখেতে প্ৰকাশ কৰা মহিলা সন্মিলনৰ মূল উদ্দেশ্যবিলাক আমি পঢ়ি চাবলৈ পাইছোঁ। তাৰ লগত আমাৰ সহানুভূতি আছে। কাৰণ, উদ্দেশ্যবিলাক গঠনমূলক আৰু ক্ৰমোন্নতিৰ বাটেৰে তাক ক্ৰমশঃ সাধন কৰাই সন্মিলনৰ অভিপ্ৰায় বুলি আমাৰ অনুমান হৈছে। আমাৰ মতেৰে আমাৰ স্ত্ৰী জাতিৰ সকলো ফালেই নথৈ উন্নতি হব লাগে। আমাৰ মহিলাসকল, বিদ্যাই-বুদ্ধিয়ে, জ্ঞানে-অভিজ্ঞতাই, সুৰুচিয়ে-কাৰ্য্যকুশলতাই, বলে-বীৰ্য্যে সকলো প্ৰকাৰেৰে, বৰ্ত্তমান জগতৰ উন্নত দেশৰ মহিলাসকলৰ শাৰী পুৰাব পৰা হ'ব লাগে। আমি ইয়াকো বাঞ্ছা কৰোঁ যে বৰ্ত্তমান জগতৰ উপযোগী সকলো উন্নতি লাভ কৰাৰ বাহিৰেও আমাৰ মহিলাসকলৰ গাত ভাৰতীয় ৰমণীৰ বিশিষ্টতাৰ উৎকৃষ্ট ভাগখিনি সদায় চকুত পৰাকৈ জিলিকি থাকিব লাগে। ইয়াকে কৰিবলৈ হলে আমাৰ বৰ্ত্তমান প্ৰচলিত ৰীতি নীতিৰ কিছুমান সাল-সলনিৰ প্ৰয়োজন। এই সাল সলনিকে মানুহে অপুদ্যোৎ দেখাকৈ বিজুলী সঞ্চাৰে গাৰ বলেৰে প্ৰৱৰ্ত্তাবলৈ যত্ন কৰাটোৰ আমি পক্ষপাতী নহওঁ। আমাৰ মনেৰে প্ৰয়োজনীয় সাল-সলনি কৰিবই লাগিব, কিন্তু তাকে সমাজে চক নোখোৱাকৈ, সোৱাই সোৱাই কৰিলেহে সহজে কাৰ্য্য সিদ্ধি হ'ব। দুটা বা এটা দৃষ্টান্ত দিলে ভাবটো ভালকৈ ওলাই পৰিব। প্ৰচলিত পৰ্দ্দা প্ৰথাই

আমাৰ দেশৰ তিৰোতাৰ অশেষ অনিষ্ট কৰিছে. এই কথা সকলো শিক্ষিত মানুহে স্বীকাৰ কৰিব, আৰু সেই দেখি পৰ্দ্দা প্ৰথা উঠি যাব লাগে বুলিও অনেকে মত দিব। সেই বুলি কিন্তু মহিলা সন্মিলনে আজিৰ পৰা অসম দেশত পৰ্দ্দা প্ৰথা তুলি দিলোঁ বুলি সভাত এটা প্ৰস্তাব গ্ৰহণ কৰি পৰ্দ্দা গুচাব নোৱাৰে। তাৰ পৰা পৰ্দ্দাও নুঠে আৰু সন্মিলনলৈকো সৰ্ব্ব-সাধাৰণ মানুহৰ আস্থা কমিহে যাব। কাৰণ, দেশৰ সৰহ ভাগ মানুহৰ এই প্ৰস্তাৱৰ মৰ্ম্ম গ্ৰহণ কৰিবৰ জোখাৰে শিক্ষা এতিয়াও হোৱা নাই। সেই দেখি আগধৰি পৰ্দ্দাৰ অপকাৰিতা বুজিব পৰাকৈ নানা উপায়েৰে সমাজত শিক্ষা বিস্তাৰ কৰি লৈহে এনে প্ৰস্তাব কৰাটো সঙ্গত হব। তাতকৈ বৰং আজি থিয়েটাৰত, কাইলৈ ৰেল গাড়ীত, তাৰ পাচ দিনা বিয়া ইট-সবাহে. মানুহৰ চকুত নলগাকৈ সোৱাই সোৱাই আদৰ্শ মহিলাসকলে লাহে লাহে পৰ্দ্দা গুচাই যোৱাটোহে বেচি কাৰ্য্যকৰী হ'ব বুলি আমাৰ মনে ধৰে। এইদৰে হ'লে, অলপ দিনৰ মূৰতে পৰ্দ্দা প্ৰথা আপোনা আপুনি উঠি যাব ; আৰু নুঠিলেও, সভাই সমিতিয়ে প্ৰস্তাব গ্ৰহণ কৰি তুলি দিবলৈকো চল ওলাব। বিধবা-বিবাহ প্ৰচলন হোৱাটোও অনেকৰ মতে বাঞ্ছনীয়। ইয়াকো সেই দৰেই সমাজ পৈণত নৌ হওঁতেই গাৰ বলেৰে সভা সমিতিত প্ৰস্তাব কৰি চলাবলৈ গ'লে হাস্যাস্পদহে হ'ব লাগিব। অৱশ্যে আমি এইটো কোৱা নাই যে সময়ত সকলো আপুনি হ'ব বুলি আমি হাত সাবটি বহি থাকিব লাগে। উন্নতিৰ সোঁত কোবেৰে বৰলৈ আমি সাহায্য কৰিব লাগে। তাকে কিন্তু দেশ কাল পাত্ৰ সকলোৰে গতি চাই জোখ মতে কৰিলেহে আমাৰ উদ্দেশ্য সফল হ'ব। সাল-সলনি কৰিব লাগে বুলি, আমাৰ প্ৰচলিত সকলো-বিলাক ৰীতি নীতি এফালৰ পৰা ধৰি লুটিয়াই নিবলৈকো আমি কোৱা নাই। আজি-কালিৰ মেমবিলাকক অনুকৰণ কৰি, মেখেলাখন আঁঠুলৈ উজাই নিবলৈ বা মূৰৰ চুলিবোৰ মতা মানুহৰ দৰে চুটিকৈ কাটিবলৈ নিৰ্দ্ধাৰণ কৰিলে, মহিলা সন্মিলনে কোনো ধীৰ প্ৰকৃতিৰ মানুহৰ সহানুভূতি নেপায় ; কাৰণ তেনে কৰাটো ভাৰতীয় সুৰুচিৰ বহিৰ্গত। মুঠতে কবলৈ গ'লে আমাক Revolution বা বিপ্লৱ নেলাগে, Evolution বা ক্ৰমোন্নতিহে লাগে। শইকিয়ানীৰ প্ৰকাশিত মহিলা সন্মিলনৰ মূল উদ্দেশ্যও এয়েহে বুলি বুজি আমি সুখী হৈছোঁ।

মহিলা সন্মিলনৰ কেন্দ্ৰস্থান গুৱাহাটীত। গুৱাহাটীৰ কেইবা গৰাকীও বিশিষ্টা মহিলাৰে ইয়াৰ কাৰ্য্য নিৰ্ব্বাহক সভা গঠিত হৈছে। আৰু কেইবা গৰাকীও উল্লেখ যোগ্যা মহিলাৰ ইয়াত নাম নাই। তেখেতসকলো ইয়াত যোগ দি, ইয়াক সৰ্ব্বাঙ্গসুন্দৰ কৰি অচিৰতে এটা মহৎ জাতীয় অনুষ্ঠান কৰি তুলিব বুলি আমি আশা কৰিলোঁ।

যোৰহাটত বহা অধিবেশনৰ কাৰ্য্য কলাপৰ কথা আমি বিশেষৰূপে নেজানো। তালৈ বছা বছা স্বনদিয়েকমান পুৰুষ মানুহৰহে নিমন্ত্ৰণ হৈছিল। এই পত্ৰিকাৰ তালৈ সোমাবৰ অধিকাৰ নাছিল। তাত কি কি আলোচনা হল, কি কি প্ৰস্তাব গ্ৰহণ হল আমি তাৰ বুজ পোৱা নাই। মুঠেই শুনি সন্তোষ পাইছোঁ বোলে সকলো কাৰ্য্য সুচাৰুৰূপে সপন্ন হ'ল। কিবা ভুলক্ৰমে সাহিত্য সন্মিলনৰ সভাপতিক নিমন্ত্ৰণ কৰিবলৈ থাকি গল। তেখেতলৈ চিঠি এখন দিয়া হ'লে, কথাটো দেখিবলৈ সুশোভন হলহেতেন আৰু তেখেতে এখন্তকলৈ দেখা দিও আহিবগৈ পাৰিলেহেতেন, কাৰণ প্ৰথম দিনা মহিলা সন্মলিন ১২ বজাতে বহিছিল ; সাহিত্য সন্মিলন ২ বজাতহে আৰম্ভ হৈছিল।

সন্মিলনৰ সভা নেত্ৰী আৰু অভ্যৰ্থনা সমিতিৰ নেত্ৰীৰ ছপা অভিভাষণ দুখনি আমি লোকক খুজি আনি পঢ়ি চাইছোঁ। সন্মিলনৰ সভা নেত্ৰীৰ অভিভাষণ অসম দেশৰ ৰাজকুমাৰীৰ সম্পূৰ্ণৰূপে উপযুক্ত হৈছে। ইয়াৰ ভাষা প্ৰাঞ্জল, ভাব উদাৰ আৰু কথা সাৰুৱা। অভিভাষণখনি পঢ়িলেই লিখিকাৰ উচ্চশিক্ষা আৰু বহল মনৰ চিনাকি পোৱা যায়।

অভ্যৰ্থনা সমিতিৰ নেত্ৰী আছিল শ্ৰীযুত বেণুধৰ ৰাজখোৱা ডাঙৰীয়াৰ সহধৰ্ম্মিনী শ্ৰীযুতা ৰত্নকুমাৰী ৰাজ-খোৱানী। ৰাজখোৱানীয়ে আমাক ক্ষমা কৰিব ; সভা-



সমিতিয়ে নিৰ্দ্ধাৰণ কৰি, তুনকৈ এটা ৰেহা লগাই নিদিয়ে মানে আমি তেখেতসকলৰ, অমুকৰ সহধৰ্ম্মিনী বুলি, এই পুৰণি প্ৰথাৰেই চিনাকি দিব লাগিব। ঘকৰা শব্দেৰে, সৰু সৰু বাক্যেৰে, এখেতৰ চুটি অভিভাষণটিও বিতোপন হৈছিল। ৰাজখোৱানীয়ে কৈছে—"(যোৰহাটত) যোৱা ১০ ফেব্ৰুৱাৰী তাৰিখে মাথোন শ্ৰদ্ধাস্পদ ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ বিশেষ যত্নত এখনি মহিলা সমিতি স্থাপিত হৈছে"। আমি সন্দিকৈ ডাঙৰীয়াৰ যত্ন অস্বীকাৰ নকৰোঁ। কিন্তু এই কাৰ্য্যত আঁচলতে ৰাজখোৱা ৰাজখোৱানীৰহে যত্ন সৰহ আছিল। এই কথা অৱশ্যে ৰাজখোৱানীয়ে নিজ মুখে কবলৈ ভাল নহয়।

ৰাজখোৱানীৰ অভিভাষণটি পঢ়ি মনে ধৰে তেখেতৰ যেন এনে ধাৰণা হৈছে যে পুৰুষবিলাকে বান্দী বোৱাই থাকিবৰ অভিপ্ৰায়েৰে হিংসা কৰি তিৰোতাক অজ্ঞানতাৰ আন্ধাৰত বলেৰে হেঁচা মাৰি সুমাই থৈছে। তেখেতে কৈছে "( তিৰোতাই ) নৰক যন্ত্ৰণাকো স্বৰ্গসুখ বুলি ভাবিছে, কিয়নো পুৰুষসকলে বুজাই দিছে যে এয়ে তিৰোতাৰ স্বৰ্গসুখ।" তেখেতৰ মতেৰে সতী যোৱা প্ৰথাও পুৰুষৰ স্বাৰ্থসিদ্ধিৰ নীচ ষড়যন্ত্ৰৰ বাহিৰে আন একো নাছিল আৰু গবৰ্ণমেণ্টে তুলি নিদিয়া হলে সি আজিলৈকে চলি থাকিলহেতেন। বিধৱা প্ৰথাও পুৰুষৰে স্বাৰ্থসিদ্ধিৰ অভিসন্ধি বুলি তেখেতে কব খোজে। আমি কওঁ—ৰাজখোৱানি, আপুনি কথা তলকি চাব। ছোৱালীকো লৰাৰ দৰেই পঢ়াব শুনাব লাগে বুলি ভাৰতবৰ্ষত মনুৰ দিনতে পুৰুষে মত দি থৈছে। আপোনাৰ এই অভিভাষণতে দেখোন লিখা আছে—"শিক্ষিত পুৰুষে যে অশিক্ষিতা তিৰোতাৰে দীৰ্ঘকাল গৃহবাস কৰি থাকিব নোৱাৰিব সেই কথা নকলেও হব।·····তিৰোতাৰো যে শিক্ষাৰ আৱশ্যকতা আছে সেই বিষয়ে সকলোৰে একে মত"। তেনেহলেনো পুৰুষৰ গাত আপুনি নীচ অভিপ্ৰায় আৰোপ কৰে কিয় ? ভাৰতবৰ্ষৰ দীৰ্ঘকালৰ পৰাধীনতাৰ কথা আপুনি ভাবি চাইছেনে ? পৰাধীন জাতিয়ে নিজৰ উন্নতিৰ বাট উলিয়াই লোৱাটো কিমান দুৰূৰ তাকো এবাৰ ভাবি চাব। সতী যোৱা প্ৰথা তুলি দিবলৈ ভাৰতীয় পুৰুষে গবৰ্ণমেণ্টক কিমান সহায় কৰিছিল, বিদ্যাসাগৰে বিধৱা-বিবাহ চলাবলৈ কি কৰিছিল, এইবিলাক কথাও তেনেই পাহৰি নেপেলাব। যিবিলাক মানুহে এই বিশাল ভাৰতবৰ্ষখন চলিবলৈ নিয়ম কাৰণ ৰীতি নিতি বান্ধি দিছিল, তেওঁবিলাকক ইমান স্বাৰ্থান্ধ আৰু নীচ প্ৰকৃতিৰ বুলি ঘপৰাই ভবাটো একো উদাৰতাৰ লক্ষণ নহয়। সেই কালত কিজানি সমাজৰ মঙ্গলৰ অৰ্থে এনে নিয়ম কাৰণৰ প্ৰয়োজনেই হৈছিল, তাকনো কোনে জানিছে ? এতিয়াৰ জগতৰ অৱস্থালৈ চাই আগৰ কিছুমান নিয়ম কাৰণৰ কেতিয়াবাই সাল-সলনি কৰিব লাগিছিল. এইকথা আমি মানিছোঁ। সেই দেখি, আমি পুৰুষৰ গাত টোপ পৰিব নিদিয়া নহওঁ ; পুৰুষৰ গাত অযথা দোষাৰোপ কৰাটোহে আমি ভাল নেদেখোঁ।

"মহিলাৰ দুৰ্দ্দশাৰ কথা কিমান কম। মহিলাৰ নাম পৰ্য্যন্ত কোনেও নেজানে। আমুকৰ ঘৈণীয়েক বুলিলেহে তেওঁৰ চিনাকি পোৱা যায়"—এই বুলি ৰাজখোৱানীয়ে দুখ কৰিছে। এই কথাত যে মৌলিকতা আছে, তাক কোনে দুই কৰিব ? মিচেচ সৰোজিনী নাইডু. মিচেচ এনী বেচান্ত হেন মহিলাইও এই দুৰ্দ্দশাৰ হাত সাৰিব পৰা নাই। তেওঁলোকে এই দুখৰ বোজাকে মূৰত লৈয়েই ঘুৰি ফুৰিছে, তথাপি ইয়ালৈ তেওঁলোকৰ চকু পৰা নাই। আমেৰিকাৰপৰা ভাৰতবৰ্ষলৈ, ভাৰতবৰ্ষৰ পৰা জাপানলৈ, জাপানৰ পৰা আকৌ আমেৰিকালৈ; কোনো দেশতে কোনো যুগতে, স্বামীৰ স্ত্ৰী বুলি চিনাকি দিব লাগে, স্ত্ৰী জাতীৰ এই অপমানটোৰ বিৰুদ্ধে কোনেও একেষাৰ মাত মতা নাই। যোৰহাটখন যদি দুৰ্ভগীয়া ভাৰতবৰ্ষত নহৈ ইউৰোপ বা আমেৰিকাৰ কোনোবা এখন দেশৰ নগৰ হলহেতেন, তেনেহলে, ৰাজখোৱানীৰ এই উক্তিয়ে আজি পৃথিবীত তোলপাৰ লগালেহেতেন।

অভিভাষণৰ এঠাইত মিহিকৈ কৈছে—"পুৰুষসকলে ভাবিছে, তিৰোতাসকলক মাঘৰ বিহুত উদং মেলিলে, বহাগৰ বিহুত চপাবলৈ টান হ'ব। বছেৰেকত তিনি মাহো আমাক মেলি দিব নোখোজে জানো ? আমাৰ মনেৰে এনে আশঙ্কা নিচেই অমূলক। তিৰোতাই স্বাধীনতা পালে, গৃহস্থালী কৰ্ত্তব্য পাহৰি নাযায়। খেতিৰ দিনত

নিজে নিজে আহি আকৌ কান্ধ পাতি যুৰলি লবহি”- ইয়াত আমাৰ মহিলা-কুলক পথাৰৰ উদঙীয়া গাই গৰুৰে ৰিজোৱা হৈছে। তাৰ উপৰিও, গাইৰূপে গৈ বলদৰূপ ধৰি যুৰলি লবহি খোজা কথাষাৰেও গাত চঁক খুৱাই আৰু মনত ঢোকা লগাই যাব খোজে। সেয়ে নোহোৱা হলে, ৰাজপোৱানীৰ অভিভাষণটি সুমাৰ্জ্জিত ৰুচিৰ আৰু পাকৈট লোকৰ লিখা বুলিবলৈকো বাট থাকিলহেতেন।

যোৰহাটৰ অকল Orthodox শ্ৰেণীয়েই নহয়, শিক্ষিত আৰু সম্ভ্ৰান্ত সম্প্ৰদায়ে মহিলা সাম্মিলনত সচৰাচৰকৈ যোগ নিদিলে। এই কথাত আমি বেয়া পাইছোঁ। সম্মিলনৰ স্থানীয় যাই গুৰিয়াল আৰু গুৰিয়ালনীসকল আৰু একেৰ কথা গৰকা বিধৰ মানুহ হোৱা হলে, এই জাতীয় অনুষ্ঠানত এই কেৰা খুত বৈ যাবলৈ নেপালেহেতেন বুলি আমাৰ বিশ্বাস।

অসম মহিলা সম্মিলনৰ আমি সৰ্ব্ব প্ৰকাৰৰ মঙ্গল কামনা কৰিছোঁ। এই সম্মিলন যেন এক বিৰাট শক্তি হৈ আমাৰ স্ত্ৰী জাতিক সু-বাটে চলাই অচিৰতে দেশৰ উন্নতি কৰিব পৰা হয়, এয়ে আমাৰ আন্তৰিক বাঞ্ছা।

---

# তিৰী জাগৰণ আৰু সাহিত্য আন্দোলন।

এইবাৰ যোৰহাটত ওপৰত উল্লেখ কৰা দুটি বিষয়ে অনেকক অনেক বিষয়ে নতুন জ্ঞান দিলে। দুয়োটি বিষয় এই দুখীয়া অসমৰ প্ৰতি অতি লাগতিয়াল আৰু গুৰুতৰ। দেশ, কাল পাত্ৰ চাই, সম্মিলন অতি সমাৰোহেৰে সমাধা হল। উভয় দলৰ সভাপতি, সভাপতিনীসকলৰ লিখিত বক্তৃতাবিলাক পঢ়ি শুনি দেশৰ অনেক বিষয়ে চিন্তা কৰিবলৈ বহুত কথা পোৱা হল। আৰু আজি বহু বছৰ প্ৰকাশ নকৰাকৈ মনতে গোপনে ৰখা অনেক তিৰোতাৰ মনৰ ভাব প্ৰস্ফুটিত হৈ ওলাই পৰাত আমি সন্তোষ পাইছোঁ আৰু অসমৰ ভূত, ভবিষ্যত আৰু বৰ্ত্তমান অৱস্থা চিন্তা কৰি অলপ দুখো পাইছোঁ। এই দুয়ো সম্মিলৰ মূলত হৈছে ইংলণ্ড, জাপান, আমেৰিকা, টৰ্কী আদি কৰি স্বাধীন উন্নত দেশবিলাকৰ আহি লৈ এটা জাতীয়ত্ব গঠন কৰি ঐহিক সুখ সম্ভোগ উপভোগ কৰিব লাগে, পুৰণি কলীয়া আচাৰ ব্যৱহাৰ ৰীতি নীতিৰ পৰিবৰ্ত্তন কৰি, তাৰ ঠাইত সময়োপযোগী নতুন দা-দস্তুৰ সুমাই ল'ব লাগে, আৰু কাৰো কোনো অধীন হব নেলাগে। ই অতি উত্তম কথা। কিন্তু তাকে কৰে কোনে? তিৰোতা সম্মিলনেই কৰিবনে, সভা সম্মিলনেই কৰিব? কি উপায়ে কৰিব? আৰু তাৰ ফল বা ভবিষ্যতে কি হব? পুৰণি সকলোবিলাক গুচাই নতুনকৈ এটা সৃষ্টি কৰিবলৈ যিবিলাক বস্তুৰ দৰ্কাৰ সেইবিলাক গোটাবলৈ চেষ্টা নকৰি অকল বক্তৃতাৰ ওপৰতে কোনো কাম নহয়। তাৰ পৰা সমাজৰ আৰু দেশৰ অপকাৰৰ বাহিৰে উপকাৰ নহয়। সমাজ সংস্কাৰ কৰিবলৈ আৰু জাতিয়ত্ব সংগঠন কৰিবলৈ প্ৰধান ধন, জন, জ্ঞান, সুশিক্ষা আৰু একতাৰ দৰ্কাৰ। এই কেইটা অসমীয়াৰ আছেনে? অলপ দকৈ ভাবি চাই উত্তৰ কৰিব। অসমত নেলাগে গোটেই ভাৰতবৰ্ষতে বৰ্ত্তমানলৈকে জ্ঞানৰ প্ৰভাৱত স্বাৰ্থ বা আপোনপেটীয়া ভাবৰ ধ্বংশ নহব তেতিয়ালৈকে কোনো সম্প্ৰদায় বা জাতিৰ উদ্ধাৰ নাই, ই নিশ্চয় কথা। অসমীয়াৰ নিচিনা এটা দুৰ্ব্বল জাতিয়ে মহাপৰাক্ৰমী স্বাধীন দেশৰ আদৰ্শ লৈ একে জাপেই ওপৰ উঠিবলৈ চেষ্টা কৰা বাওনাই চন্দ্ৰ ধৰিবলৈ জাপ মৰাৰ দৰে হাঁহি উঠা কথা নহয় নে? লিখক যদিও বয়সত কিছু বৃদ্ধ কিন্তু জ্ঞান বুদ্ধিত নিচেই তৰুণ। তথাপি আশা কৰো জ্ঞানী সাহিত্যিক আৰু বিদুষী মহিলাসকলে যেন আমাৰ কথাখিনি এবাৰ ভালকৈ ভাবি চাব। আমি তেখেতসকলক ঠায়াকে কব খোজো যে যদি তেখেতসকলে প্ৰকৃততে দেশৰ কিবা উপকাৰ কৰিবলৈ আগ বাঢ়িছে তেনেহলে প্ৰথমেই উড়া মাৰিবলৈ নিবিচাৰি লাহে লাহে ওপৰলৈ যাবলৈ শিকক আৰু এটি এটিকৈ কাম হাতত লওক। নগৰ নগৰীয়াবিলাকক পাচ পেলাই আগে আগে লৰনাৰি গলে শেষত তেওঁলোক অকলশৰীয়া হৈ ক্ৰমাত পৰি কেনি যাম কলৈ যাম লাগিব।

## মহিলা সম্মিলন।

মহিলা সম্মিলনীৰ আদৰণী সভাৰ সভা-নেত্ৰীৰ বক্তৃতা অতিকৈ বিলাতী ভাবৰ আৰু মাজে মাজে ৰুচিবিগৰ্হিত হোৱা বাবে আমি বেয়া পাইছোঁ। গৰুৰে সৈতে মহিলা-সকলক তুলনা কৰি অন্ততঃ তিনি মাহ পথাৰত মেলি দিয়া ভাবটো একেবাৰেই কেনেবা হল।

সভানেত্ৰী আইদেউৰ বক্তৃতাৰ ২য় পৃষ্ঠাত তেখেতে কৈছে “অৱগুণ্ঠণ পুৰুষৰ পাপদৃষ্টি আৰু স্ত্ৰীৰ সতীত্বৰ মাজত দুৰ্ভেদ্য গড় এটি—এই বুলি ই আশীৰ্ব্বাদ”। এইকেৰি অতি সাৰুৱা কথা। অতি শিক্ষিত মহা মহা জ্ঞানী আৰু যোগীসকলেও তিৰোতাৰ মুখ দেখি বিভ্ৰম হৈ আত্মহাৰা হয়।

আমাৰ প্ৰায় অধিকাংশ মানুহৰ মাজত এটা ধাৰণা আছে আৰু সেই ধাৰণা যে নিচেই অমূলক নহয় সেই সম্পৰ্কে লোকৰ বহুদৰ্শীতা জ্ঞানে প্ৰমাণো কৰিছে, যে তিৰোতা নিমানেই জ্ঞানী আৰু শিক্ষিতা হওক তথাপি তেওঁলোকৰ মন আৰু শাৰীৰিক বল সাধাৰণতঃ পুৰুষৰ নিচিনা দৃঢ় হব নোৱাৰে; সেই দেখি সময়ে সময়ে সুবিধা পালেই তেওঁলোকক পুৰুষে ছল কৰিবলৈ একো টান নেপায়। অৰ্থ, শাৰীৰিক বল, ৰূপ, গুণ, স্তুতি, অৰ্চ্চনাই, বশ কৰিব নোৱাৰা তিৰোতা জগতত নিচেই কম। সেই বুলি আমি এনেটো কোৱা নাই যে তিৰোতাৰ সতীত্ব নাই। সতীত্ব এটা শাস্ত্ৰীয় কথা মাত্ৰ। ভোক পিয়াহৰ স্পৃহা যি দমন পাৰে, মনক যি শাসন কৰিব পাৰে সি আমাৰ নিচিনা সাধাৰণ মানুহ নহয়। তেনে মানুহ হঠাৎ চিনিবও নোৱাৰি আৰু পোৱাও টান। জগতত সকলো জাতিৰ ভিতৰতে নিচেই পৌৰাণিক কালৰে পৰা তিৰোতাক চিনিব নোৱাৰি বুলি কৈ আহিছে। “Beauty like pure Hesperian tree requires a dragon’s watch” দেৱতাসকলৰ সোণোৱালী ফলযুক্ত গছক যেনেকৈ ভয়ঙ্কৰ পাখিলগা সাপে ৰখি থাকিব লাগে সেইদৰে সুন্দৰী তিৰোতাকো ৰখি ফুৰিব লাগে। এই ইংৰাজ কবিৰ বাক্য আৰু ভাৰতীয় ঋষি মুনিসকলৰ বাক্য মিছা বুলি আজিলৈকে কোনেও প্ৰমাণ কৰিব পৰা নাই। এনে স্থলতনো কেনেকৈ তিৰোতাবিলাকক মেমসকলৰ দৰে হেনাঙ্গি মেলিবলৈ শিক্ষিতসকলে কয় আমি তাক বুজিব নোৱাৰো।

অভিভাষণ কেইখনত আমাৰ দেশৰ তিৰোতাৰ পৰ্দ্দাক যি দৰে গুৰুতৰ অনিষ্টকাৰী বুলি দেখুৱাইছে, সি নিচেই অমূলক। অসমীয়া তিৰোতাই খেতি পথাৰ কৰে, অসমীয়া তিৰোতাই ঘৰৰ বাহিৰে মিতিৰ কুটুমৰ ঘৰত ফুৰা-চকা কৰে, চুবুৰিৰ ভিতৰতে ফুৰাচকা কৰে; নাকেলি বতাহ লব নোৱাৰাকৈ মুখ বান্ধিও নুফুৰে। মাত্ৰ দোষৰ ভিতৰত এই যে আমাৰ তিৰোতাবিলাকে অচিনাকী ভদ্ৰ শ্ৰেণীৰ মানুহৰ আগত বা পতিৰ মান্যবান লোকৰ আগত সকলো সময়তে মুখ উলিয়াই নেদেখুৱায় আৰু বাটে বাটেও হাৱা খাই নুফুৰে। এই দৰে নুফুৰা বাবে তেওঁলোক বেমাৰ হৈ মৰা নাই। মৰিছে কেৱল খাব পিন্ধিবলৈ নেপাইহে। ধনশালিনী, চৌখিন, আলসুৱাকৈ উঠা, উচ্চ শিক্ষা পোৱা তিৰোতা কেইগৰাকীমানৰ আদৰ্শ লৈ অৱস্থাহীনবিলাকে কেনেকৈ ফেৰ মাৰি ফুৰিব তাক জ্ঞানীসকলে বুজা উচিত। নতুনকৈ যি বিলাক লোকে দেখাক দেখি আঁৰ আবুৰত ফুৰিবলৈ মাথতে শিকিছিল, সেই সকলে পুনৰায় আঁৰ আবুৰ গুচাই মুকলি মূৰেৰে স্বাধীন ভাবে ফুৰা সকলোৰে পক্ষে আদৰ্শ হব নোৱাৰে। পৰ্দ্দাই আমাৰ দেশ খালে, পৰ্দ্দাই আমাৰ সকলো অমঙ্গল ঘটালে এই কথা কেৱল ইউৰোপীয়ানসকলৰ মুখৰ কথা, তাকে আমাৰ ইংৰাজী ধৰণত ফুৰিবলৈ ওলোৱা সকলে হৈ-চৈ কৰি অলপ বেচিকৈ বিয়পাই দিছে। আমাৰ দেশ পৰ্দ্দাই খোৱা নাই, খাইছে কেৱল মতাৰ সুশিক্ষাৰ অভাৱে আৰু

ধৰ্ম্মজ্ঞান শূন্যতাই। এই দুখীয়া দেশত একোজনী তিৰোতাৰ গৰ্ভত ১৩।১৪ টাকৈ সন্তান উৎপাদন কৰিবলৈ পৰ্দ্দাই শিকাইছেনে? কেচুৱা লৰা-ছোৱালীৰ মৃত্যু সংখ্যা বঢ়াবলৈ পৰ্দ্দাই শিকাইছেনে? বিধৱাৰ সংখ্যা বঢ়াবলৈ পৰ্দ্দাই শিকাইছেনে? নাইবা বৰ্ত্তমান ইংৰাজী শিক্ষাই শিকাইছে? সুশিক্ষাৰ অভাৱত দেশত অন্যায় অধৰ্ম্ম, অনাচাৰ, কু-ৰীতি কু-নীতি প্ৰবল হৈ শাস্ত্ৰীয় শৰীৰপালন, সমাজপালন গো-পালন আদি বিধিবিলাক উলঙ্ঘা কৰি দলিয়াই পেলোৱাৰ ফলতহে সকলো দুখ দুৰ্গতি বৃদ্ধি পাইছে। পৰ্দ্দা বলেৰে গুচাব নোৱাৰে। গুচালেও তাৰ পৰা সুফল নহয়। যেতিয়ালৈকে পুৰুষবিলাক সুশিক্ষিত নহয়, সংযমী নহয়, কৰ্ত্তব্যপৰায়ণ নহয় আৰু লোভ সম্বৰণ কৰিব পৰা নহয়, তেতিয়ালৈকে তিৰোতাক মুকলি মূৰে সময়ে অসময়ে য'তে ত'তে বেৰঙ্কক ভাৱে এৰি দিয়া উচিৎ নহয়। এই দৰে এৰি দিয়াৰ আগেয়ে তিৰোতাক সুশিক্ষা দিয়াৰ বিধান কৰি তেওঁলোকক ধৰ্ম্মপৰায়ণা কৰি গৃহিণী কৰক। দেশ উদ্ধাৰ কৰাৰ আগতে গৃহ উদ্ধাৰ কৰক।

মহিলা সন্মিলনীৰ সভানেত্ৰী আইদেউৰ বক্তৃতাত দেশী আৰু বিলাতী দুয়োটি ভাবৰ মিশ্ৰণ আছে। তেখেতে বৰ্ত্তমান যুগৰ সামাজিক, ৰাজকীয়, দেশীয় সকলোবিলাক কথাকে সামৰি ধৰিছে। ( ১ ) অৱৰোধ প্ৰথা আৰু কুসংস্কাৰ, ( ২ ) স্ত্ৰী স্বাধীনতা, ( ৩ ) চৰিত্ৰ গঠন শিক্ষা, ( ৪ ) জাতীয় উন্নতি, ( ৫ ) বাল্য বিবাহ, ( ৬ ) সহবাস সন্মতিৰ বয়স, ( ৭ ) নাৰীৰ ভোটৰ অধিকাৰ, ( ৮ ) ব্যায়াম শিক্ষা, ( ৯ ) বিধৱা সমস্যা ইত্যাদি অনেক বিষয়ে বহুত ভাবমূলক সাৰুৱা কথা কৈছে। তেখেতৰ বক্তৃতা পঢ়ি এনেটো অনুমান হল যে তেখেতে কিছুমান কথা কমনে নকমনে বুলি অনিচ্ছা স্বত্বেও বলেৰে কৈছে। সেইখিনি কথা বাদ দি ধৰা হলেই তেখেতৰ বক্তৃতা একেবাৰেই নিখুঁত হলহেতেন। মোটৰ ওপৰত বিলাতী আদৰ্শবিলাকত ভৰ নিদি ভাৰতীয় আদৰ্শত বেচি ভৰ দিয়া হলেহে শুৱলা হলহেতেন।

মহিলা সন্মিলনী সম্বন্ধে আমি মুঠতে ইয়াকে কব খোজোঁ যে ( ১ ) বিলাতী ধৰণৰ স্ত্ৰী স্বাধীনতাৰ আমি কোনোমতে পক্ষপাতী নহও। ( ২ ) স্ত্ৰী শিক্ষা বিস্তাৰ হব লাগে, কিন্তু বঙ্গীয় ডিকেটটিভ্ উপাখ্যান, আৰেবিয়ান নাইটচ্, পাৰস্য উপন্যাস, ৰেনল্ড উপন্যাস আদিৰ দৰে কিতাপ পঢ়িবলৈ নহয়। আৰু মহিলা সন্মিলনীত সিদিনা দেখাৰ দৰে কেঞ্চাৰ ঘৰৰ বিদেশী ৰেচমী সাৰী ব্লাউচ্ আৰু নানা তৰহৰ অলঙ্কাৰেৰে বিভূষিত হৈ সভা সমিতিৰ শোভা বঢ়াবলৈ নহয়।

আজিকালি ইংৰাজী লিখা পঢ়া শিকা বহুতৰ মুখতে শুনা যায় যে কুসংস্কাৰেই আমাৰ দেশখন নষ্ট কৰিলে। কিন্তু তেওঁলোকে কুসংস্কাৰ যাক বোলে সেইবিলাককেই সময়ত সুসংস্কাৰ বুলি বৈজ্ঞানিক সকলে এতিয়া প্ৰমাণ কৰিছে। ধৰ্ম্ম বিশ্বাসো এটা কুসংস্কাৰ, শাস্ত্ৰত বিশ্বাস কৰাও কুসংস্কাৰ, পৰকাল মনাও এটা কুসংস্কাৰ, পাপ-পুণ্য বোলাও এটা কুসংস্কাৰ, অৰ্থাৎ ধৰ্ম্মমূলক ঐহিক পাৰত্ৰিক সকলো কথাই আজিকালি কুসংস্কাৰ। তেনেহলে জগতত সু-সংস্কাৰ নো কি? বিজ্ঞানৰ "ব" আৰু ধৰ্ম্মৰ "ধ" টো শিকিয়েই কমৰ বান্ধি ওলালে ব-ই ধ-ই মিলি সকলো নাশ কৰে। মানুহৰ জ্ঞান দুই প্ৰকাৰ—এক প্ৰত্যক্ষ, এক অপ্ৰত্যক্ষ। এটা পঢ়ি শুনি পোৱা জ্ঞান আৰু এটা বহুদৰ্শীতাৰ গুণে পোৱা জ্ঞান। এই দুয়োটাৰ এটাকো লাভ নকৰাকৈ নিজৰ মনকে দৃঢ় মানি নিজ মইমতে চলিলে নিজেও মৰিব লোককো মাৰিব। "আত্মজ্ঞান বিমূঢ়াত্মা স্বমতং দৃঢ় মন্যতে"। হিন্দু, মুছলমান, খ্ৰীষ্টান, বৌদ্ধ আদিৰ ধৰ্ম্ম-শাস্ত্ৰ প্ৰণেতা-সকলে যিবিলাক নিয়ম বান্ধি থৈ গৈছে, সেই সকলোবিলাক বহুদৰ্শীতা জ্ঞানৰ প্ৰভাৱত ভিন্ন ভিন্ন দেশৰ সেই কালৰ ভিন্ন ভিন্ন অৱস্থা অনুযায়ী মানুহৰ হিত সাধনৰ নিমিত্তেহে কৰি থৈ গৈছে। আৰু সেই সকল লোক আমাৰ এতিয়াৰ নিচিনা দুৰ্ব্বল ইন্দ্ৰিয়ৰ মাছিল। তাক এতিয়া পশ্চিম দেশৰ বিজ্ঞানে প্ৰমাণ কৰিছে। যি ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰে, যি সকলে সৃষ্টিতত্ব বুজিবৰ নিমিত্তে ধৰ্ম্মশাস্ত্ৰাদি অধ্যয়ন কৰিছে সেই সকলে বোধ কৰো স্বীকাৰ কৰিব যে জগতৰ সকলো দেশ একে গুণ-সম্পন্ন নহয়, সকলো জাতিৰ মানুহৰ তেজ আৰু শৰীৰৰ গঠন একে বিধ উপাদানৰ নহয়, সকলো দেশৰ গছ-গছনি, জীৱ জন্তুও সাধাৰণতঃ একে নহয়, আৰু মত



তিৰোতাৰ গঢ়, গতি, কথাবাৰ্ত্তা, বল শক্তি, মানসিক বৃত্তিও একে নহয়। বৰ্ত্তমান যুগত সেইবিলাক সকলো একে কৰিবলৈ যোৱা চেষ্টাৰ ফলত এয়ে হব যে ঘৰ বাৰী গাওঁ-ভূই দেশ, সমাজ ছিন্নভিন্ন হৈ মানুহ মৃত্যুৰ মুখত পতিত হব আৰু বৰ্ত্তমানৰ সভ্যতা গৈ নিচেই আদিম অৱস্থাত পৰি মানুহ আৰু পশুৰ পাৰ্থক্য নেথাকিব। তেতিয়া আকৌ পুনৰ সত্যযুগ প্ৰবৰ্ত্তিব। যি দেশত পুৰুষৰ স্বাধীনতা নাই, সেই দেশৰ তিৰোতাৰ স্বাধীনতা কেনেকৈ হব পাৰে তাক আমি বুজিব পৰা নাই। আজিকালি ইংৰাজী জনা বুজা লোকসকলে প্ৰায় কথাতে কেৱল ইংলণ্ড, জাপান, আমেৰিকাৰ লোকৰহে আদৰ্শ দেখুৱাই কথা কয় আৰু সামাজিক বিষয়ে ব্যাস, বশিষ্ঠ, বাল্মিকী, অহল্যা, দ্ৰৌপদী, কুন্তী আদিৰে নিজক তুলনা কৰিহে কাৰ্য্য কৰিবলৈ ওলায়। কিন্তু তেওঁলোকে মনৰ বেগত নিজকে নিজে পাহৰি স্বয়ম্ভূ ভাবি আত্মহাৰা হোৱা দেখিলে হাঁহি উঠে। আমি আৰু এই বিষয়ে সৰহ কথা নকওঁ। আমি মাত্ৰ ইয়াকে কব খোজো যে পৰ্দ্দা একেবাৰেই গুচাব নেলাগে কিন্তু সংস্কাৰ কৰিব লাগে, বিলাতী ধৰণৰ স্ত্ৰী-স্বাধীনতা নবলৈ নিবিচাৰি দেশীয় ধৰণৰ স্ত্ৰী-স্বাধীনতা বিচাৰিব লাগে। তিৰোতাই ৰাজ্য শাসনৰ অধিকাৰ নিবিচাৰি গৃহ শাসনৰ অধিকাৰ বিচাৰিব লাগে। কাব্য উপন্যাস আদি পঢ়িবলৈ ৰৰকৈ মন নেমেলি, নীতি-ধৰ্ম্ম, শৰীৰ পালন, গৃহপালন, শিল্প কাৰ্য্য, আয়ুৰ্ব্বেদ ইত্যাদি দৈনিক লাগতিয়াল বিষয়ৰ জ্ঞান লাভ কৰিবলৈ চেষ্টা কৰক, আৰু সেইদৰে লৰা-ছোৱালীক শিক্ষা দিয়ক। অৱশ্যে সিসকল তিৰোতাই ইতিপূৰ্ব্বেই বিলাতী আদৰ্শত উঠি হৃদয়ত স্বাধীন ভাব ৰোপন কৰি লৈছে সেই সকলক আকৌ তলৰ পাপলৈ উভতি আহিবলৈ আমি কেতিয়াও নকও; কাৰণ, তেনেকুৱা এদলৰো আমাৰ মাজত দৰকাৰ। civilisation ৰ ( সভ্যতাৰ ) কোনো এটা সীমা নাই। ই যে কেতিয়া ক'ত ৰবগৈ তাৰো একো ঠিকনা নাই। যাক আজিকালি অতি সুসভ্য বোলে সেই ইংৰাজ জাতিৰ বৰ্ত্তমান তিৰোতাৰ কাৰ্য্য-কলাপ, ৰীতি নীতি আৰু পোচাকলৈ চকু দিলে ইচ্ছা হয় যেন আমি সদায় এন্ধাৰতে থাকোঁ। এইটো ভাব বোধ কৰো আমাৰ বয়স অতীত হোৱা বাবেই হৈছে হবলা। নচেৎ আমাৰ দেশৰ ডেকা ডেকেৰী সকলে কিয় সেই কাললৈ ইমানকৈ ধাউতি কৰিব।

## সাহিত্য-সভা।

বৰ্ত্তমান সাহিত্য সভা যি ভাবে যেনেকৈ চলিছে তালৈ চাই আমি বৰ সন্তোষ পোৱা নাই। আজি ১১ বছৰে সাহিত্য সভাৰ সভ্য ৩৩০ কি ৩৪০ জন মাত্ৰ হৈছে। ইমান কম হোৱাৰ কাৰণ কি? তাৰ উপৰি সাহিত্য-সন্মিলনীৰ কাৰ্য্য বিশেষকৈ কেইখনমান স্কুলীয়া লৰাৰ উপযোগী অনুবাদ বা সংগ্ৰহ কৰা কথাৰ পুথিৰ বাজে আন দেখা নেযায়। এনেবিলাক কিতাপ ছপা কৰিবৰ নিমিত্তেই সাহিত্য সভা নাম দি ১০।১৫ হাজাৰ টকা ব্যয় কৰিবলৈ ওলাইছেনে? আৰু সাহিত্য সভা হোৱাৰ পৰা অসমীয়া ভাষাও গৈ "ভেষাতহে" পৰিছেগৈ। ইফালে দেশত সাম্প্ৰদায়িক বিদ্বেষ ক্ৰমে বাঢ়ি গৈছে। শঙ্কৰদেৱ ডাঙ্গৰনে, দেৱী ডাঙ্গৰ? মহাপুৰুষীয়া পন্থ ভালনে, শাক্ত, শৈৱ পন্থ ভাল? এইবিলাক বাদানুবাদেৰে দেশ ভৰি পৰিছে। সাহিত্য সভাই তালৈ কি কাণ কৰিছে? জুহাল লিখা হবনে, জুই-শাল লিখা হব? কান্ধত লিখা হবনে কানত লিখা হব। ইত্যাদি কথাৰ বাদানুবাদ কৰাটোৱেই সাহিত্যনে? এই বাৰৰ সভাপতি দুজনৰ অভিভাষণত সাহিত্যৰ বিশেষ ব্যাখ্যা কৰা দেখি আমি সন্তোষ পাইছোঁ। সেইমতে সভাই কাৰ্য্য কৰিলে বোধ কৰো ভবিষ্যতে কিছু উপকাৰ হোৱাৰ সম্ভৱ।

সাহিত্য শব্দৰ অৰ্থ আমি জানোতে এই—সহিত + ষ্য = সাহিত্য। সহিত মানে সম্যক্ হিতঃ = সহিতঃ তস্য ভাবঃ সাহিত্যঃ, অৰ্থাৎ যি লিখা পঢ়া আদি কাৰ্য্যৰ দ্বাৰাই জ্ঞান বিস্তাৰ কৰি দেশৰ, সমাজৰ বা লোকৰ বিশেষকৈ হিতসাধন কৰি জাতীয়ত্ব সংগঠন কৰিব পৰা যায় তাকে সাহিত্য বোলে। তেনে হিতসাধন কৰিবৰ নিমিত্তে সভাই হাতত লব লাগে। বৰ্ত্তমান সময়ত দেশৰ অভাৱ কি, সেই অভাৱ কি উপায়ে মোচন কৰি দেশ উন্নত কৰিব লাগে তাক চিন্তা কৰি কাৰ্য্য কৰাটোহে সাহিত্য সভাৰ কৰ্ত্তব্য কৰ্ম্ম-বুলি অনুভৱ হয়। প্ৰজাৰ

কেনেকৈ আৰ্থিক অৱস্থাৰ উন্নতি হয়, কেনেকৈ দেশৰ স্বাস্থ্যৰ উন্নতি হব পাৰে, কেনেকৈ সুশিক্ষা বিস্তাৰ হব পাৰে, শিক্ষিত লোকৰ সংখ্যা বঢ়াব পাৰি, কেনেকৈ খেতি-পথাৰ, বেহা-বেপাৰ বঢ়াব পাৰি, এই-বিলাক কথা আলোচনা কৰি ধাৰাবাহিক ৰূপে কিতাপ লিখি দেশৰ উন্নতি কৰাটোহে আমাৰ মনেৰে সাহিত্যৰ কাম। আমাৰ দেশত যেয়ে এটা নাটক-চাটক ক, খ কিতাপ, অঙ্ক কিতাপ লিখিছে তেঁৱেই এজন প্ৰধান সাহিত্যিক। এনেকেই চালে অসম দেশ সাহিত্যি-কেৰেই ভৰিল কিন্তু দেশৰ অৱস্থা তথাপি দিনক দিনে শোচনীয় হৈ আহিছে। তাক কোনেও দকৈ গমি চোৱা নাই। চাবই বা কোনে? সাহিত্যিকসকলেই হৈছে দেশৰ শিক্ষিত লোক, তেওঁলোকেই যেতিয়া সেই ফাললৈ কাণ নকৰে আনে কোনে কৰিব? আমি ইয়াত প্ৰধানকৈ এটা কথা দেখি বৰ দুঃখিত হৈছোঁ যে আমাৰ অনেক শিক্ষিত লোকে কেৱল মুখলৈ চাইহে কথা কয়। বেয়া দেখিলেও কলে অমুকে বেয়া পাব, তমুকে বেয়া পাব বুলিয়েই মুখীয়াল কেজনৰ বিপক্ষে কোনো কথা নকয়। কিন্তু তাৰ পৰা যে সমূহৰ কিমান অপকাৰ হৈছে তাক দেখিও নেদেখা ভাও জুৰি থুৱে। ই এটা মহা দোষৰ কথা। পেট খুলি কথা কোৱা বাবে মোক নিশ্চয় অনেকে গালি পাৰিব তাক মই ভালকৈ বুজিছোঁ কিন্তু তথাপি নকৈ নোৱাৰিলো। ইয়াৰ পাচত সময় পালে আৰু খোলোচাকৈ কোৱা হব। মই যদিও সাহিত্যিক নহও, তথাপি সাহিত্যত সদায় চকু ৰাখোঁ। বঙ্গদেশৰ সাহিত্যিকসকলৰ লগত আমাৰ দেশৰ সাহিত্যিক সকলক তুলনা কৰি মনতে বৰ দুখ লাগে। এয়ে অসম দেশ। ক্ষমা কৰিব, বৰবকৰাৰ চৰ্ব্বৰ বিষয়ে বুৰবুৰনিয়ে টোৱা মাছৰ গাতো পিৰ্পিৰণি লগোৱা বাবেহে এইখিনি লিখা হল।

শ্ৰীবুদ্ধীন্দ্ৰনাথ ভট্টাচাৰ্য্য।

---

## সমালোচনা।

**"গাৱঁলীয়া স্বাস্থ্য"**—আজিকালি আমাৰ ভাষাত বহুত কিতাপ ওলাইছে। তাৰ ভিতৰৰে কোনো কোনোখন কিতাপ জাতীয় উন্নতিৰ কাৰণে বৰ লাগতিয়াল। ডাঃ শ্ৰীযুত মহানন্দ বৰুৱাৰ "গাঁৱলীয়া স্বাস্থ্য" বোলা কিতাপখনি এই শ্ৰেণীৰে এখনি লাগতিয়াল কিতাপ। ৩৯ পিঠীয়া এই সৰু কিতাপখনিত ঘৰ-বাৰী, খোৱা পানী, আহাৰ, টোপনি, চলন, ফুৰণ প্ৰভৃতিৰ সদায় সকলোৱে স্বাস্থ্য ৰক্ষাৰ অৰ্থে পালন কৰিব লগীয়া কিছুমান মূল নীতি আৰু নিয়ম-কাৰণ দিয়া আছে। তদুপৰি মেলেৰিয়া, কলাজ্বৰ, সন্নিপাত জ্বৰ, হাইজা, বসন্ত, যক্ষ্মা আৰু ইনফ্লুৱেঞ্জা আদি সংক্ৰামক বেমাৰৰ হাত সাৰিবৰ অৰ্থে আৰু তেনে বেমাৰত পৰিলে, ৰোগীৰ কল্যাণৰ আৰু সেই বেমাৰ বিয়পি নপৰিবৰ অৰ্থে কি কৰিব লাগে, এই কিতাপত সংক্ষেপকৈ তাকো লিখা আছে। এই নিয়ম-কাৰণখিনি বুজি লৈ, ভালকৈ মানি চলিলে, আমাৰ গাৱঁ ভূঁয়ে সংক্ৰামক বেমাৰৰ লেখ সমানে আধাখিনি কমি যাব বুলি আমাৰ বিশ্বাস হয়।

কিতাপখনি উজু ভাষাত লিখা। বিদেশত ছপা কৰা বাবে ইয়াত কিছু ছপাৰ ভুল থাকি গ'ল; তথাপি কিন্তু ইয়াক পঢ়ি যাওঁতেই সকলোৱে বুজি যাব পাৰে। এই ভুলখিনি ইয়াৰ পাচৰ তাঙ্গৰণত নেথাকে বুলি আমি আশা কৰিছোঁ। আমি অনুৰোধ কৰিছোঁ, গাৱঁ গাৱঁ সকলো পঢ়িব জনা মানুহে যেন এই কিতাপখনি পঢ়ি চাই ইয়াৰ কথা মতে চলে; আৰু যেন পঢ়িব নজনা মানুহক গোটাই লৈ ইয়াক পঢ়ি শুনাই ইয়াত থকা কথাখিনি ভালকৈ বুজাই দিয়ে। আমাৰ মনেৰে



প্ৰত্যেক লোকেলবোৰ্ডে, সমহীয়াকৈ কিছুমান কিতাপ কিনি লৈ, গাৱঁ গাৱঁ বিলাই দিয়া উচিত; আৰু এই কিতাপ-খনি, গাৱঁলীয়া স্কুলৰ কৰ্ত্তৃপক্ষেও সকলো গাৱঁলীয়া স্কুলত চলোৱা উচিত।

কিতাপখনিৰ দাম মুঠেই চাৰি অনা। আমি শুনি সন্তোষ পাইছো গুৱালপাৰা জিলাৰ ৰায়তক বিধকে এই কিতাপ আৰু কম দামতে দিবলৈ ওলাইছে।

**"সটীক নাম-ঘোষা"**—সৰল অসমীয়া ব্যাখ্যাৰে সৈতে মহাপুৰুষ মাধৱদেৱৰ নাম-ঘোষা। ৩২৯ পিঠি ডাঙৰ কিতাপ। দাম পক্কা-বন্ধাৰ ২৲ টকা, বোৰ্ড-বন্ধাৰ ১৮০ মাত্ৰ। লিখক আৰু প্ৰকাশক শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা। এই কিতাপখনি পাই আমি বৰ সন্তোষ পাইছোঁ।

আন সকলো ধৰ্মৰ দৰেই, আমাৰ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ প্ৰচাৰিত ধৰ্মতো মামৰে ধৰিছে। এই সমা-লোচনাৰ লিখকে খুদপকে এদিন এজন সুবিখ্যাত মহা-পুৰুষীয়া সত্ৰৰ অধিকাৰক "তৰ্কশাস্ত্ৰ মহা ব্যাঘ্ৰী", এই ঘোষাটিৰ অৰ্থ সুধিছিল। তেখেতে উত্তৰত কলে—"ইয়াৰ মূল অৰ্থ হৈছে, অৰ্থাৎ ইয়াত দি গলেই ত'ত পায়গৈ। এই জনমত দান পুণ্য কৰি যোৱা মানুহ পৰজন্মত 'কধিও' দুখ কষ্টত পৰিবগৈ নেলাগে।" তাৰ পাচত "মুক্তিত নিস্পৃহ যিটো", এই ঘোষাটিৰ তেখেতে অৰ্থ কৰিছিল বোলে "ধন, মাটি-বাৰী, তিৰোতা এইবিলাকেই হৈছে মুক্তি; এইবিলাকত যাৰ স্পৃহা নাই, তেনেজন ভকতক নমস্কাৰ কৰোঁ।" মহাপুৰুষসকলে লিখি থৈ যোৱা শাস্ত্ৰবিলাকত ধৰ্ম্মযাজকসকলৰ এনে অজ্ঞতাৰ দিনত, নাম ঘোষাৰ সটীক সংস্কৰণ উলিয়াই লিখক আমাৰ অতিশয় ধন্যবাদৰ পাত্ৰ হৈছে। ধৰ্ম্মগ্ৰন্থবিলাকৰ আচল অৰ্থ বুজিব পাৰিলে, আমাৰ দেশৰ হিন্দুসকলৰ ভিতৰত ধৰ্ম্মৰ বিষয়ে কেতিয়াও অমিল ঘটিব নোৱাৰে বুলি আমি বিশ্বাস কৰোঁ। এই লাগতিয়াল কিতাপখনিৰ আমি বহুল প্ৰচাৰ কামনা কৰিছোঁ।

---

## বিবিধ।

**"কম" লিখিম নে "কৰ্ম্ম" লিখিম**—ইয়াত লাগি থকাটো আমাৰ মনেৰে হলে, তেনেই মিছা বন। কাৰণ, ইয়াৰ পৰা একো টিকাইৎ নাই। আমি ম এটাকে লিখোঁ বা দুটাকে লিখোঁ, তাৰ বাবে অসমীয়া সাহিত্য চহকী নহয়, দুখীয়াও নপৰে। ব্যাকৰণমতে যদি দুয়োটা শুদ্ধ হ'ল, কাকো কোনেও অশুদ্ধ বুলিব নোৱাৰে। এতেকে কোনোবাই যদি "কৰ্ম্ম" নিলিখি "কৰ্ম" লিখে, লিখক। তাৰ বাবে সকলোৱে "কম" লিখিবলৈ ধৰিলেও, অসমীয়া ভাষাটো "অসমীয়া" নুহওঁচে।

"কৰ্ম্ম"ক কলম কৰিবলৈ বিচৰা সকলোকো আমি কওঁ—আপোনালোক শুদ্ধ; ম এটা এৰি বন চমুৱাবলৈ লোৱাটোকো বেয়া বুলিব নোৱাৰি। কিন্তু, তাৰ পৰা অসমীয়া সাহিত্যৰ লাভ হ'ব কি? এটা ম বঢ়াই লিখাত, সময়, কাগজ বা মচীৰ অপব্যয় হয় বুলিও আজিলৈকে কোনেও কতো একো ওজৰ কৰা নাই। তেনেহলেনো এইটো সংস্কাৰলৈ আপোনালোক ইমানকৈ লাগিব লাগিছে কিয়? বুঢ়াসকলে আপোনালোকৰ এই কামটো "মিছাতে পানীত কোবোৱা" বুলিলে তেওঁলোকক দোষ দিব নোৱাৰি।

কাকো দোষ নিদিয়াকৈ আমি একেষাৰ কৈ থওঁ—এই মিছা ধেমালিয়ে একালে কিন্তু আমাৰ হানি কৰিছে। ইয়াত লাগি থাকোতে আমাৰ এজাক বহুৱাৰ শক্তি ক্ষয় হৈছে। 'ম'ৰ মাথাত চিন্তাত লাগি, নতুবা অনুস্বাৰৰ আঁচড়ান ঘোৱাইহে মাৰিব লাগে বুলি ধৰি থতি হলে, সাহিত্যৰ আচল কামলৈ আঙুৰি নকমি নোৱাৰে।

* * * *

**আমাৰ বৈশিষ্ট্য**—আগেয়ে কিছুমান শিক্ষিত ভাৰতবাসীৰ আদৰ্শ আছিল বিলাতী সমাজ। তেওঁলোকে ভাৰতবৰ্ষৰ পুৰণি সংস্কাৰ সকলোখিনিকে বেয়া বুলি ভাবিছিল আৰু ভাৰতীয় সমাজখন তেনেই বিলাতী সমাজৰ সাঁচত ঢালি লোৱাৰ পক্ষপাতী আছিল। সম্প্ৰতি এই শ্ৰেণীৰ মানুহ নিচেই কম। আজি কালি নতুনকৈ এক শ্ৰেণীৰ শিক্ষিত ভাৰতবাসী ওলাইছে, এওঁলোককো আগৰ শ্ৰেণীৰ লগতে ধৰিব পাৰি। কাৰণ এওঁলোকৰ সাজটোহে অকল বেলেগ, তাৰ বাহিৰে আগৰ শ্ৰেণীৰ মানুহে সৈতে একো অমিল নাই। এওঁলোকৰ মনেৰে আমাৰ সমাজখন তেনেই বিলাতী

সমাজৰে ভাৰতীয় তাঙ্গৰণ হব লাগে। অৰ্থাৎ আমাৰ ভাষা আৰু সাজ-পাৰ ভাৰতীয় থাকিব লাগে, কিন্তু সমাজৰ নিয়ম কাৰণ দা-দস্তুৰ সকলোখিনি বিলাতী সমাজৰ নিচিনা হব লাগে।

আজিকালিৰ শিক্ষিত মানুহৰে আৰু এক শ্ৰেণী আছে। এওঁলোকে নিজৰ বাৰীখনৰ হাবি-তৃণ গুচাই, তাত থকা পুৰণি ভাল গছকেজোপাৰ লগতে ভাল ভাল বিলাতী গছবো পুলি কই লবহি খোজে। এওঁলোকে কয়—যুগ যুগান্তৰৰ পৰা চলি অহা আমাৰ নিজা ভাল দা-দস্তুৰবোৰ আমি নেৰোঁ, কিন্তু তাৰ লগতে, ইংৰাজী শিক্ষাৰ গুণত পোৱা ভাল ভাল আৰু আমাৰ সমাজত মিলাই লব পৰা বা আমাক শুজা দা-দস্তুৰখিনিও আমি মিহলাই নলম কিয়?

এই শেহৰ শ্ৰেণীৰ মতটো সমৰ্থন কৰিবলৈ বহুত যুক্তি আছে। মুঠতে কবলৈ হলে, পঢ়ি শুনি, জগতত দেখি মেলি, সিখিনি ভাল ভাল ভাব ঘটিলোঁ, তাক নিজৰ কামত নলগাম কিয়? জীয়া সমাজ বুলিলে, সি এটা বাঢ়নীয়া গছ-পুলি। তাৰ গুৰি চিকোনাই দি, তাত সাৰ জাবৰ দি পেম ধৰালেহে সি বাঢ়িব পাৰিব নহলে মুজুৰা লাগি থাকিব। সেই দেখি, বিলাতী সভ্যতাৰ উৎকৃষ্ট ভাগখিনি আমি এৰিব নোৱাৰোঁ। কিন্তু সেই বুলি হাজাৰ হাজাৰ বছৰৰ অভিজ্ঞতাৰ ওপৰত স্থাপিত আৰু আমাৰ তেজ-মঙহৰ পৰা পৃথক কৰিব নোৱাৰা আমাৰ নিজা যি ভাল আছে, তাক এৰিবলৈ হলেও, আমাৰ নিজা বুলিবলৈ আৰু একো নেথাকে। আমাক উন্নতি লাগে, আমি এখখন মুখেৰে কওঁ, কিন্তু সেয়ে ভাৰতৰ সভ্যতা আৰু আচাৰ ব্যৱহাৰে সৈতে সামঞ্জস্য থকা হব লাগিব। ভাৰতবৰ্ষৰ ঋতু, ভাৰতবৰ্ষৰ হাৱা-পানী, ভাৰতবৰ্ষৰ নিৰ্মল আকাশ বাদ দিলে, ভাৰতবৰ্ষ হব নোৱাৰে। এই দৰেই, ভাৰতীয় সভ্যতাৰ বৈশিষ্ট্য নথকা জাতিও ভাৰতীয় জাতি নহয়। লৰ্ড ৰনাল্ড্চে ( Ronaldshay ) ই এবাৰ কৈছিল—মই ভাৰতসন্তান হোৱা হলে, হিন্দুৰ বহুযুগব্যাপী সমাজিক ৰীতি-নীতিৰ অধিকাৰী বুলি গৌৰৱ অনুভৱ কৰিলোঁহেতেন। এই ৰীতি-নীতিবিলাক কনামুনাকৈ ভাঙ্গি পেলাবলৈ মই নিদিলোঁহেতেন। যিবিলাক ৰীতি-নীতিয়ে আজিলৈকে ভাৰতবাসীৰ কল্যাণ কৰি আহিছে, তাক ঘপৰাই সলাবলৈ বা ধ্বংস কৰি পেলাবলৈ যোৱাৰ আগতে, ভাৰতবাসীসকলে যেন কথাটো বিশেষৰূপে ভাবি চায়।

চাহাবে কোৱা বাবে সন্দেহ কৰিব নেলাগে; বৰ সাৰুৱা উপদেশ।

* * * *

আমাৰ মূৰ জিলিকা মানুহ—অসমৰ বিষয়ে কিবা এটা জানিবৰ প্ৰয়োজন হলে, বেঙ্গল বা মাইচোৰৰ পৰা মানুহে কাৰৈ চিঠি লিখিব? গবৰ্ণমেণ্টৰ কোনোবা এজন ডাঙৰ বিষয়াই নিলিখিলে এই বিষয়ে লিখিবলৈ আমাৰ মানুহ কেইজন ওলাব? এনে শাৰীলৈ উঠিবলৈ ধাউতি থকা মানুহ আমাৰ সমাজত নিচেই তাকৰ। কৰবাত চকা-মকাকৈ দুজন এজন কেতিয়াবা দেখা গলেও, তেওঁলোকৰ বেগতে ধাৰ পৰি যায়। সেই বাবে আমি তেওঁলোকক দোষ নিদিওঁ। আমাৰ সামাজিক অৱস্থাই এনে ধাউতিলৈ অনুকূল নহয়। কিন্তু এইটোও ধ্ৰুৱ কথা যে সকলো ক্ষেত্ৰতে এনে মানুহ দুজন চাৰিজন ওলালেহে আমাৰ দেশৰ যদি মুখ পোহৰ হয়। পাৰিপাৰ্শ্বিক অৱস্থা অনুকূল নোহোৱা বাবে, ইয়ালৈ স্বাৰ্থত্যাগ লাগে। সেই দেখিয়েই স্বাৰ্থত্যাগ নহলে দেশৰ উন্নতি নহয় বুলি কয়। স্বাৰ্থত্যাগৰ আগতে কিন্তু লাগে মনৰ এটা ধাউতি শুভ কাৰ্য্য কৰিবলৈ প্ৰবল ইচ্ছা হলে, এই ধাউতি আপুনি উপস্থিত হয়গৈ। শুভ কাৰ্য্য কৰিবলৈ এই যে প্ৰবল ইচ্ছা বুলিলোঁ——এই বস্তুটোৱেই আমাৰ উঠি অহা সকলৰ গাত আৰু অলপ জিলিকাকৈ দেখিলেই বুজিব লাগিব যে আমাৰ উন্নতিয়ে এটা বাট লৈছে।

* * * *

শ্ৰীযুত তোলনচন্দ্ৰ শইকীয়াই লিখিছে—

২য় বছৰ ২য় সংখ্যা আসাম সাহিত্য সভা পত্ৰিকাত "চুটিয়া ৰুৰঞ্জীৰ এক অধ্যা" নামক প্ৰবন্ধত লিখকৰ ভুলক্ৰমে চুটিয়া ৰাজকুমাৰ নামসিঙৰ ৰাৰী কন্যাৰ পূৰ্ব্বপতিৰ ঔৰসজাত পুত্ৰই "হাতীবৰুৱা" ফৈদৰ আদি পুৰুষ আৰু সেই বিষয়ৰ আদি বিষয়া বুলি লিখা হৈছিল। কিন্তু পাচত বুৰঞ্জীৰ পৰা দেখা গল যে সি প্ৰকৃত কথা নহয়। আহোম ৰাজ্যত ইতিপূৰ্ব্বেই "হাতীবৰুৱা" বিষয়ৰ সৃষ্টি হয়। যি হওক এইটো সত্য যে চুটিয়াৰ পৰা পতা হাতীবৰুৱা ফৈদৰ উক্ত ৰাৰী ৰাজকুমাৰীৰ পুত্ৰই হৈছে আদি পুৰুষ।